Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, APRIL 28, 2025 ■ সোমবাৰ, ১৪ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২০ Guwahati, Assam ।। মূল্যঃ এটকা

## আজিয়েই পাক এজেণ্ট হয় বুলি প্ৰমাণ কৰি দেখুৱাওক মুখ্যমন্ত্ৰীৰ এছআইটিয়ে

### হিমন্ত বিশ্বক মুকলি প্ৰত্যাহ্বান গৌৰৱ গগৈৰ

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** যোৰহাটাৰ সাংসদ তথা কংগ্ৰেছ নেতা গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে পাকিস্তানৰ সৈতে সম্পৰ্ক ৰক্ষাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি আহিছে মুখ্যমন্ত্ৰী শেষাংশ ৭ পৃষ্ঠাত




### নিৰ্বাচনী প্ৰচাৰৰ মাজে মাজে পাকিস্তানৰ কথা

## গৌৰৱ গগৈক ৩টা প্ৰশ্ন মুখ্যমন্ত্ৰী হিমন্তৰ! দুই সন্তানক লৈও বিচাৰিলে উত্তৰ

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** কংগ্ৰেছৰ যোৰহাটৰ সাংসদ গৌৰৱ গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজৰ ৰাজনৈতিক যুঁজখনে আকৰ্ষণীয় ৰূপ লৈছে। ৰাজ্যৰ শাসক আৰু বিৰোধীৰ দুই নেতাৰ শেষাংশ ৫ পৃষ্ঠাত

### ৰকিবুলৰ পিছত এইবাৰ প্ৰদ্যুৎ! 'মুখাধাৰী'ক লৈ মুখ্যমন্ত্ৰীৰ গা এৰা

# অসমৰ 'সংখ্যালঘু এলেকা'ত পুনৰ আক্ৰমণ কংগ্ৰেছ সাংসদক!

■ ধিঙৰ নতুন বজাৰত দুৰ্বৃত্তই ভাঙিলে প্ৰদ্যুৎ বৰদলৈৰ কনভয়ৰ ৫ খন বাহন, আছিল শিৱামণিও

**ই-সংবাদ, বেবেজীয়া, ২৭ এপ্ৰিলঃ** অসমলৈ আমদানি কৰা হৈছে উত্তৰ ভাৰতৰ নিৰ্বাচনী পৰম্পৰা। এতিয়া উত্তৰ প্ৰদেশ, ৭ পৃষ্ঠাত



সাংসদ প্ৰদ্যুৎ বৰদলৈৰ বাহনত আক্ৰমণ

## প্ৰধানমন্ত্ৰীৰ 'মন কী বাত'ত পেহেলগাম

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** পেহেলগামৰ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণক কেন্দ্ৰ কৰি দেশত চলি থকা ৫ পৃষ্ঠাত চাওক

## গুৱাহাটীৰ জাবৰ আঁতৰাবলৈ ২ ঘণ্টাৰ সময়!

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** গুৱাহাটীৰ কৃত্ৰিম বান চৰকাৰৰ বাবে মূৰৰ ৫ পৃষ্ঠাত চাওক

### অত্যুৎসাহী হৈ বিতৰ্কিত মন্তব্য

## অৱশেষত অখিল গগৈৰ ক্ষমাপ্ৰাৰ্থনা



**ই-সংবাদ বিশেষ, ২৭ এপ্ৰিলঃ** শনিবাৰে পুৱতি নিশা ১ বাজি ২০ মিনিটত হঠাৎ ফেচবুকত ভিডিঅ'যোগে হাতযোৰ কৰি ক্ষমা ভিক্ষা ২ পৃষ্ঠাত

### পাকিস্তানৰ বিৰুদ্ধে আৰম্ভ ভাৰতৰ সামৰিক কুচকাৱাজ

## আৰৱ সাগৰত ভাৰতীয় নৌ সেনাৰ যুদ্ধ অনুশীলন

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** পেহেলগামৰ সংঘটিত ৰক্তাক্ত সন্ত্ৰাসবাদী আক্ৰমণে ভাৰত-পাকিস্তানৰ সীমান্তত সৃষ্টি কৰিছে যুদ্ধসদৃশ পৰিৱেশৰ। দুই দেশৰ শেষাংশ ২ পৃষ্ঠাত

### পেহেলগাম কাণ্ড

## 'নিয়া'ৰ হাতত আনুষ্ঠানিকভাৱে তদন্ত ভাৰ অৰ্পণ কেন্দ্ৰৰ

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** পাঁচ দিনীয়া অপেক্ষাৰ অন্তত অৱশেষত পেহেলগাম হত্যাকাণ্ডৰ তদন্তৰ দায়িত্ব আনুষ্ঠানিকভাৱে ৪ নং পৃষ্ঠাত

## হঠাৎ পুটিনৰ ওপৰত ক্ষুণ্ণ ড'নাল্ড ট্ৰাম্প! ভেটিকানত জেলেনস্কিৰে বৈঠক



**ৰোম, ২৭ এপ্ৰিলঃ** হোৱাইট হাউছৰ পৰা চৰম অপমানেৰে বাহিৰ কৰি দিয়াৰ পিছত পুনৰ আলোচনাত মিলিত হ'ল মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প শেষাংশ ৪ পৃষ্ঠাত

### সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ মুছলিম সমাজ

## মৃত্যুৰ পাছতো ভাৰতৰ ভূমিত ঠাই নাপাব উগ্ৰবাদীয়ে

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে ভাৰতৰ ৮ নং পৃষ্ঠাত



### পিঅ'কেত জলসংকট

## ঝিলাম নদীৰ পানীয়ে নমাইছে বিভীষিকা

**মুজাফ্ফৰাবাদ, ২৭ এপ্ৰিলঃ** ভাৰত-পাকিস্তান উত্তেজনাৰ মাজতে পাক অধিকৃত কাশ্মীৰৰ ঝিলাম নদীত ৪ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত অখিল গগৈৰ ক্ষমাপ্ৰাৰ্থনা

কৰিলে শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। চলি আছে পঞ্চায়ত নিৰ্বাচনৰ কুজকাৱাজ। আন সকলো দলৰ দৰে অসমৰ প্ৰতিটো সমষ্টিতে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান চলাইছে দলীয় নেতাসকলে। শনিবাৰে ৰাইজৰ দলৰ নেতা অখিল গগৈ দিনজোৰা নিৰ্বাচনী প্ৰচাৰত ব্যস্ত আছিল লখিমপুৰৰ ৰঙানদী আৰু নাওবৈচা সমষ্টিত। উল্লেখ্য যে নাওবৈচা সমষ্টিত আছে অখিল গগৈৰ বুজনসংখ্যক সমৰ্থক। ইয়াৰে অধিকাংশই মুছলমান সম্প্ৰদায়ৰ লোক। এইসকল মুছলমান লোকৰ ভোট বিচাৰি ডাঙৰ ভুল কৰি পেলালে অখিল গগৈয়ে। বিজেপিক পৰাস্ত কৰাৰ হাতিয়াৰ হিচাপে মুছলমানৰ আৱেগৰ লগত খেলিবলৈ গৈ মুখত লেকাম লগাব নোৱাৰিলে সাম্প্ৰদায়িক বিজেপিক সমালোচনা কৰি অহা অখিলে। লখিমপুৰৰ নাওবৈচা সমষ্টিত প্ৰচাৰ চলাই থকাৰ সময়ত গগৈয়ে মন্তব্য কৰিছিল যে "চাচাই মুছলমান ভোট পায় আৰু মামাই হিন্দু ভোট পায়। বদৰুদ্দিন আজমলৰ চাবিটো সদায় মামাৰ ওচৰত থাকে। সেই কাৰণে মই কৈছোঁ বিজেপিক মুছলমান মানুহে ভোট দিবই নাপায়। কাৰণ মুছলমান মানুহক মাৰিবৰ কাৰণেই বিজেপিৰ জন্ম। মুছলমান মানুহক খতম কৰি দিবৰ বাবেই বিজেপিৰ জন্ম বুলি কৈছে হিমন্ত বিশ্ব শৰ্মাই। সেই বিজেপিক ভোট দিয়া সংখ্যালঘুসকল কাফেৰ। বিজেপিক ভোট দিয়া সংখ্যালঘু মানুহ কেতিয়াও ধাৰ্মিক মুছলমান হ'ব নোৱাৰে আৰু বিজেপিক ভোট দিয়া মুছলমানসকল কাফেৰ বুলি গণ্য হ'ব। তেওঁক আল্লাই শাস্তি দি দি মাৰিব।" এই মন্তব্যৰ বাবে অখিল গগৈক মুছলমানসকলৰ লগতে বিভিন্ন দল-সংগঠন আৰু সতীৰ্থই সমালোচনা কৰে। ইয়াৰ পিছত অখিল গগৈয়ে ক্ষমা খুজিবলৈ বাধ্য হয়। যাৰ বাবে নিশা ১ বাজি ২০ মিনিটত ফেচবুকত ক্ষমা বিচাৰি ভিডিঅ' প্ৰচাৰ কৰে অখিল গগৈয়ে। ক্ষমা-প্ৰাৰ্থনাত গগৈয়ে কয়, "২৬ এপ্ৰিলৰ দিনা মই এটা ভুল কৰিলোঁ। মই সেই ভুলৰ ক্ষমা বিচাৰিছোঁ। দিনটোত মই যেতিয়া বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই আছিলোঁ, তেতিয়া মই এটা ভুল বাক্য কৈ পেলালোঁ। যিটোৰ বাক্যই এতিয়া মোক যথেষ্ট অস্বস্তিত পেলাইছে। যিটো বাক্য উঠাই ল'বলৈ আৰু মোৰ ভুল স্বীকাৰ কৰিবলৈ এই ভিডিঅ'টো মই বনালোঁ। এতিয়া নিশা ১ বাজি ২০ মিনিট গৈছে। এজন প্ৰগতিশীল আৰু যুক্তিবাদী ব্যক্তি হিচাপে মই এনে বক্তব্য দিয়া উচিত নাছিল। মই ভুল কৰিলোঁ আৰু ইয়াৰ বাবে মই সকলোৰে পৰা ক্ষমা বিচাৰিছোঁ।" এতিয়া প্ৰশ্ন হয়, বিজেপিয়ে হিন্দুক উত্তেজিত কৰি ভোট বিচৰাৰ পন্থাকে মুছলমানৰ ক্ষেত্ৰত গ্ৰহণ কৰিছে নেকি অখিল গগৈয়ে? ৰাজনীতিৰ মচনদ দখলৰ লোভ আৰু মোহত নিজৰ আদৰ্শ পাহৰি বিজেপিৰ দৰে সাম্প্ৰদায়িক কথা ক'বলৈ লৈছে নেকি ৰাইজৰ দলৰ বিধায়কগৰাকীয়ে? কেৱল এয়াই নহয়, শেহতীয়াকৈ বিভিন্ন ক্ষেত্ৰত অস্থিৰভাৱে বিতৰ্কিত আৰু অপৰিপক্ক মন্তব্য দি আহিছে অখিল গগৈয়ে। জম্মু-কাশ্মীৰৰ পেহেলগাম কাণ্ড সম্পৰ্কতো অখিল গগৈয়ে বিতৰ্কিত মন্তব্য দিয়াৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যে থানাই থানাই ৰুজু হৈছে গোচৰ। শেহতীয়াকৈ কংগ্ৰেছ নেতা গৌৰৱ গগৈ সম্পৰ্কেও কিছু অনাহক বিতৰ্কিত মন্তব্য কৰিছিল অখিল গগৈয়ে। গৌৰৱ গগৈক শেহতীয়াকৈ বিজেপিৰ এজেণ্ট বুলিও সমালোচনা কৰিছিল অখিল গগৈয়ে। সেয়েহে এতিয়া স্বাভাৱিকতে অখিল গগৈৰ শিবিৰ, ৰাজনৈতিক পৰিপক্কতা আৰু উদ্দেশ্য সম্পৰ্কে প্ৰশ্নবোধক চিহ্নৰ উদয় হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰৱ সাগৰত ভাৰতীয় নৌ সেনাৰ

সম্পৰ্ক এই মুহূৰ্তত এনে এক পৰ্যায়ত উপনীত হৈছে যে সামান্য এটা ভুলেই তাণ্ডৱ সৃষ্টি কৰিব পাৰে দুয়োখন দেশতে। ভাৰত-পাকিস্তানৰ মাজত এনে ক্ৰমবৰ্ধমান উত্তেজনাৰ মাজতে এই ভাৰতীয় নৌসেনায়ো আৰম্ভ কৰিছে যুদ্ধৰ কুচকাৱাজ। ভাৰতীয় যুদ্ধ জাহাজসমূহে আৰৱ সাগৰৰ মাজত ইটোৰ পিছত সিটোকৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি কঠোৰ সতৰ্কবাণী প্ৰেৰণ কৰিছে শত্ৰুপক্ষলৈ। শেহতীয়াকৈ ভাৰতীয় নৌসেনাই জাহাজ বিধ্বংসী ক্ষেপণাস্ত্ৰ নিক্ষেপ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰি এই বাৰ্তা প্ৰদান কৰে যে দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰিবলৈ প্ৰস্তুত নহয় ভাৰত। ভাৰতীয় নৌসেনাই নিজৰ অফিচিয়েল এক্স একাউণ্টত এই যুদ্ধ অনুশীলনৰ ভিডিঅ' আৰু ফটো প্ৰকাশ কৰিছে। আধুনিক যুদ্ধজাহাজৰ পৰা ইটোৰ পিছত সিটোকৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি শত্ৰুৰ বিৰুদ্ধে প্ৰস্তুতি চলোৱা হৈছে বুলি দৃশ্যৰ পৰাই স্পষ্ট হৈ পৰিছে। কিছুদিন পূৰ্বে ভাৰতীয় নৌসেনাই ঘোষণা কৰিছিল যে দেশৰ সামুদ্ৰিক স্বাৰ্থ ৰক্ষাৰ বাবে যিকোনো সময়তে, যিকোনো ঠাইতে, যিকোনো পৰিস্থিতিত যুদ্ধৰ বাবে সাজু। সেই কথা এতিয়া বাস্তৱত পৰিণত হৈছে। সাগৰত ভাৰতীয় শক্তিৰ এই প্ৰদৰ্শন চুবুৰীয়া শত্ৰুৰ বাবে স্পষ্ট সতৰ্কবাণী হৈ পৰিছে। ইফালে ভাৰতৰ যুদ্ধ প্ৰস্তুতিৰ প্ৰতি সঁহাৰি জনাই পাকিস্তানেও আৰৱ সাগৰত নিজৰ নৌসেনা বাহিনীক হাই এলাৰ্টত ৰাখিছে। ইছলামাবাদে কিছুমান বিশেষ অঞ্চলক ন' ফ্লাই জ'ন হিচাপে ঘোষণা কৰি লাইভ-ফায়াৰ সতৰ্কবাণী জাৰি কৰিছে। নাৱিকসকলক অঞ্চলটোৰ পৰা আঁতৰি থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একে সময়তে খবৰ প্ৰকাশ পাইছে যে পাকিস্তানেও নিজৰ নতুন ক্ষেপণাস্ত্ৰ ক্ষিপ্ৰতাৰে পৰীক্ষণ কৰিবলৈ সাজু হৈছে। দুয়োখন দেশৰ সামৰিক কাৰ্যকলাপ বৃদ্ধিৰ বাবে সমগ্ৰ অঞ্চলটোত বৃদ্ধি পাইছে যুদ্ধৰ উত্তাপ। এনে পৰিস্থিতিত ভাৰতীয় নৌসেনাই আৰু ডাঙৰ পদক্ষেপ লৈছে। যুদ্ধজাহাজ আইএনএছ ছুৰাটৰ পৰা সফলতাৰে উৎক্ষেপণ কৰা হৈছে মধ্যম দূৰত্বৰ পৃষ্ঠৰ পৰা বায়ুলৈ ক্ষেপণাস্ত্ৰ। পৰীক্ষণত কম উচ্চতাত দ্ৰুতগতিত চলা লক্ষ্য এটা সঠিকভাৱে ধ্বংস কৰা হৈছিল। পাকিস্তানৰ সম্ভাব্য ক্ষেপণাস্ত্ৰ পৰীক্ষণৰ মাত্ৰ কেইমুহূৰ্ত পূৰ্বে ভাৰতৰ এই সফল উৎক্ষেপণৰ কৌশলগত তাৎপৰ্য অতিশয় বেছি বুলি অনুমান কৰা হৈছে। ভাৰতে স্পষ্ট কৰি দিছে যে অনাগত দিনত সন্ত্ৰাসবাদ আৰু ইয়াৰ পৃষ্ঠপোষকসকলৰ বিৰুদ্ধে প্ৰতিৰোধ ক্ষমতা অধিক শক্তিশালী হ'ব। একে সময়তে পাকিস্তানে হঠাতে দিয়া সতৰ্কবাণী আৰু আৰৱ সাগৰত নিজৰ নৌসেনাক হাই এলাৰ্টত ৰখা কাৰ্যই দেশখনত এই মুহূৰ্তত বৃদ্ধি পোৱা উদ্বেগৰে ইংগিত বহন কৰিছে। ইতিমধ্যে ভাৰতে এই সতৰ্কবাণী দিছে যে পেহেলগামত সংঘটিত নৃশংস আক্ৰমণৰ আঁৰত থকা কাকো ৰেহাই দিয়া হ'ব। উল্লেখ্য যে ২২ এপ্ৰিলত বাইছাৰন উপত্যকাত পাকিস্তানৰ পৃষ্ঠপোষকতাত সন্ত্ৰাসবাদীৰ নিৰ্মম আক্ৰমণত ২৬ জন নিৰীহ সাধাৰণ নাগৰিকে প্ৰাণ হেৰুৱাইছিল। ২০১৯ চনত পুলৱামা আক্ৰমণৰ পিছত কাশ্মীৰত এয়া আছিল আটাইতকৈ ভয়াৱহ হত্যাকাণ্ড। সেয়েহে এইবাৰ ভাৰতে সৰ্বশক্তিৰে প্ৰত্যুত্তৰ দিবলৈ সাজু বুলি স্পষ্ট কৰি দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

# পশ্চিম দৰঙৰ বৰবড়ীত পেহেলগামত নিহতলৈ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, দুনী, ২৭ এপ্ৰিলঃ** পশ্চিম দৰঙৰ বৰবড়ীত পেহেলগামত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকললৈ জনোৱা হয় শ্ৰদ্ধাঞ্জলি। ২২ এপ্ৰিলত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীৰ আক্ৰমণত জম্মু-কাশ্মীৰৰ পেহেলগামত নিহত হৈছিল ২৮ জন নিৰীহ পৰ্যটক। নিহতসকলৰ স্মৃতিত আৰু আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰি বৰবড়ীৰ স্থানীয় ৰাইজ, দল-সংগঠনৰ প্ৰতিনিধি, স্থানীয় ব্যৱসায়ীসকল সমৱেত হৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে থিয় হয়। শতাধিক বন্তি প্ৰজ্বলন কৰি নিহতসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে সন্ত্ৰাসবাদ নিপাত যাওক আৰু সন্ত্ৰাসবাদীক নিঃশেষ কৰক আদি ধ্বনিৰে মুখৰিত কৰি তোলে। অনুষ্ঠানটোত বোনমাঝা পঞ্চায়তৰ প্ৰাক্তন সভাপতি উদ্ধৱ ডেকা, বৰবড়ী বণিক সন্থাৰ সভাপতি ৰমেশ নাথ, সাংস্কৃতিক কৰ্মী তথা পাটগিৰি চুবা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ক্ষীৰোদ চহৰীয়াৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক উৎপল শৰ্মা, সাংবাদিক লক্ষ্যধৰ শইকীয়া, ধ্ৰুৱজ্যোতি শৰ্মা, গাঁওপ্ৰধান শৰৎ ডেকাৰ লগতে উদয়ন যুৱ মঞ্চৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## গুজৰাটৰ দৰেকৈ অসমতো চলিব মেগা অভিযান

# আধাৰ কাৰ্ডক লৈ বিশেষ ঘোষণা

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** পেহেলগামৰ নাৰকীয় ঘটনাৰ পিছতে দেশজুৰি ধিক্কাৰ, গৰিহণা অব্যাহত আছে। পেহেলগামৰ ঘটনাৰ পিছতে কেন্দ্ৰীয় চৰকাৰৰ ভিছাত ভাৰতত বসবাস কৰি থকা সকলো পাকিস্তানী নাগৰিকক ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশনা দিছে। পাকিস্তানী নাগৰিকে ভাৰত ত্যাগৰ সময়তে অবৈধ বাংলাদেশীৰ বিৰুদ্ধে দেশত আৰম্ভ হৈছে অভিযান। পেহেলগামৰ ঘটনাৰ পিছতে গুজৰাটত ৮ নং পৃষ্ঠাত

# অখিল গগৈৰ বিৰুদ্ধে নিৰ্বাচন আয়োগলৈ পত্ৰ বিজেপিৰ

## চূড়ান্ত সাম্প্ৰদায়িক মন্তব্য কৰাৰ অভিযোগ

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ মন্তব্যক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম ৰাজ্যিক বিজেপিয়ে। বিজেপিৰ ৰাজ্যিক সভাপতি অশোক কুমাৰ ভট্টৰায়ে আজি অসম ৰাজ্যিক নিৰ্বাচন আয়োগলৈ এখন পত্ৰ প্ৰেৰণ কৰি অখিল গগৈৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। নিৰ্বাচনী আচৰণবিধি উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰি শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নিৰ্দেশত শেষাংশ ৮ পৃষ্ঠাত



সংখ্যালঘু অধ্যুষিত অঞ্চলত এইদৰে নিৰ্বাচনী প্ৰচাৰ বিধায়ক অখিল গগৈৰ

## দুলীয়াজানত শোকৰ ছাঁ

# অসম আন্দোলনৰ অগ্ৰণী নেতা নবীন শইকীয়াৰ বিয়োগ



**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৭ এপ্ৰিলঃ** তৈলনগৰী দুলীয়াজানৰ সমীপৱৰ্তী ২ নং ৰঙাগড়া গাঁৱৰ সৰবৰহী ব্যক্তি তথা অঞ্চলটোৰ এগৰাকী সক্ৰিয় সমাজকৰ্মী নবীন শইকীয়া (৭১)ৰ যোৱা ২৪ এপ্ৰিলৰ দুপৰীয়া প্ৰায় ১.১৭ বজাত শেষাংশ ৮ পৃষ্ঠাত

# চছলত ড্ৰাগছ আসক্ত যুৱকৰ ভয়ংকৰ কাণ্ড

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** ড্ৰাগছ আসক্ত উদণ্ড যুৱকে গুৱাহাটীত সংঘটিত কৰিছে ভয়ংকৰ কাণ্ড। গুৱাহাটীৰ চচলৰ প্ৰিয়া টাৱাৰ এপাৰ্টমেণ্টত ড্ৰাগছৰ নিচাত মাতাল যুৱকে ভয়ংকৰ কাণ্ড সংঘটিত কৰিছে। উদণ্ড যুৱকৰ সন্ত্ৰাসত আৱাসীসকলৰ মাজত ব্যাপক আতংকৰ সৃষ্টি হয়। স্থানীয় যুৱক আদ্ৰী ডেকাৰ নেতৃত্বত প্ৰিয়া শেষাংশ ৯ পৃষ্ঠাত

# টিপুক গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ সদস্য পদৰ প্ৰাৰ্থী পল্লৱ দত্তৰ ব্যতিক্ৰমী প্ৰচাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৭ এপ্ৰিলঃ** প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণলৈ মাজত মাথোঁ কেইটামান দিন। ইতিমধ্যে মনোনয়ন-পত্ৰ দাখিল কৰা দলীয় (জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত) অথবা ৰাইজৰ দ্বাৰা সমৰ্থিত প্ৰাৰ্থীসকলে নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ সৰ্বতোপ্ৰকাৰৰ চেষ্টা অব্যাহত ৰাখিছে। প্ৰতিগৰাকী প্ৰাৰ্থীৰেই এইকেইদিনত ব্যস্ততাৰ যেন অন্ত নাই। নিজৰ নিজৰ বিজয় সুনিশ্চিত কৰিবলৈ সকলোৱে এতিয়া দিন-ৰাতি একাকাৰ কৰি তুলিছে। দুপৰ নিশালৈকে দলীয় সমৰ্থক, কৰ্মকৰ্তাসকলক লৈ বিয়াগোম সভা-সমিতি কৰাত একাংশ প্ৰাৰ্থী ব্যস্ত থকাৰ বিপৰীতে নিজৰ নিকা ভাবমূৰ্তি আৰু ৰাইজৰ আশিসকেই মূলধন হিচাপে লৈ সেৱাৰ মনোভাবেৰে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰতিঘৰ লোকৰ ঘৰলৈ গৈ ভোটাৰ ৰাইজৰ মন জয় কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩২ নং টিপুক গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডৰ সদস্য পদৰ প্ৰাৰ্থী পল্লৱ কুমাৰ দত্তই ৰাইজৰ আশীৰ্বাদকেই একমাত্ৰ মূলধন হিচাপে লৈ প্ৰথমবাৰৰ বাবে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। অদম্য ইচ্ছাশক্তি, সম্পূৰ্ণ ব্যতিক্ৰমী চিন্তাধাৰা, উন্নয়নৰ বহুল



দৃষ্টিভংগী তথা সম্পূৰ্ণ সেৱাৰ মানসিকতাৰে ২ মে'ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত পল্লৱ কুমাৰ দত্তই হেঁপাহেৰে নিৰ্বাচনী যুঁজত নামি পৰিছে। "চকু পানীৰে নহয়, হাঁহিৰে জীৱন উজ্জ্বল কৰিব বিচাৰোঁ। প্ৰতিশ্ৰুতিৰ প্লাবনেৰে কাকো আভুৱা ভাঁৰিব নিবিচাৰোঁ। সেইবাবেই অব্যাহত ৰাখিছোঁ মোৰ নিৰলস প্ৰচেষ্টা, কৰ্মৰ মাজেৰে, সম্পূৰ্ণ "সেৱা" ৰ মানসিকতাৰে যুগমীয়া হ'বলৈ" শ্ল'গানেৰে সাহিত্য-সংস্কৃতিনুৰাগী তথা বৃহত্তৰ ৰূপাই চাইডিং অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত পল্লৱ কুমাৰ দত্তই এসময়ত নিষ্ঠা আৰু সততাৰে সংবাদ সেৱাৰ সৈতেও জড়িত আছিল। "আমাৰ অসম" কাকতৰ জৰিয়তে সংবাদ সেৱাৰ পাতনি মেলা পল্লৱ কুমাৰ দত্তই দৈনিক অগ্ৰদূত, এদিনীয়া সংবাদ, ন-কলাখাৰ (পথেকীয়া), পূৰ্বাঞ্চল বাতৰি, আজিৰ সময় প্ৰবাহ আদি কেইবাখনো শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিয়াৰ হাতত আনুষ্ঠানিকভাৱে তদন্ত ভাৰ

গ্ৰহণ কৰিলে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়াই। দেওবাৰে পুৱা নিয়াই আনুষ্ঠানিকভাৱে তদন্তৰ দায়িত্ব লয়। অৱশ্যে ইতিমধ্যে তদন্তকাৰী সংস্থাটোৰ কেইবাজনো বিষয়াই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে। সূত্ৰ অনুসৰি প্ৰাথমিক তদন্তও আৰম্ভ হৈছে। ইফালে এই তদন্তৰ সময়তো পোহৰলৈ আহিছে এটা বিস্ফোৰক তথ্য, যিয়ে সমগ্ৰ কাশ্মীৰ উপত্যকাত এক নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছে। পেহেলগাম আক্ৰমণৰ পিছত সমগ্ৰ দেশতে সৃষ্টি হৈছে প্ৰশ্নৰ পাহাৰ। এই সকলোবোৰ দিশৰ তদন্ত আৰম্ভ কৰিছে নিয়াই। আক্ৰমণ কেনেকৈ সংঘটিত হৈছিল, সন্ত্ৰাসবাদীয়ে পলায়নৰ বাবে কোন পথ গ্ৰহণ কৰিছিল, কোনে গোপনে সমৰ্থন কৰিছিল আদি সকলো দিশ তন্ন তন্নকৈ তদন্ত কৰিব নিয়াই। তদন্তকাৰীৰ বাবে স্পষ্ট যে এইটো কোনো সাধাৰণ আক্ৰমণ নাছিল, বৰঞ্চ এক অতি পৰিকল্পিত আক্ৰমণ আছিল। কেন্দ্ৰীয় চোৰাংচোৰা সংস্থাসমূহে এই প্ৰশ্নসমূহৰ উত্তৰ বিচাৰিছে যে কোনো গোপন এপৰ জৰিয়তে সংকেত বিনিময় কৰা হৈছিল নেকি, স্থানীয় গোপন নেটৱৰ্কে উগ্ৰপন্থীসকলক সহায় কৰিছিল নেকি। এই পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি মঙলবাৰে বিয়লি বৈছাৰন ভেলী ৰিজ'ৰ্টত চাৰিজন আক্ৰমণকাৰীয়ে আক্ৰমণ কৰে। ইয়াৰে দুজন পাকিস্তানী আৰু দুজন কাশ্মীৰী আছিল। ইতিমধ্যে চাৰিজন সন্ত্ৰাসবাদীৰে স্কেচ মুকলি কৰা হৈছে। অৱশ্যে এই আক্ৰমণৰ আঁৰত আন বহু লোক থাকিব পাৰে বুলি তদন্তকাৰীয়ে আশংকা কৰিছে। কিন্তু আটাইতকৈ বিপজ্জনক ইংগিত আন এটা খণ্ডত পোৱা গৈছে। প্ৰাৰম্ভিক তদন্তত চোৰাংচোৰা বিষয়াসকলে আক্ৰমণৰ ধৰণ বিশ্লেষণ কৰি লক্ষ্য কৰিছে যে আক্ৰমণৰ পদ্ধতিৰ সৈতে পশ্চিম এছিয়াৰ উগ্ৰবাদী সংগঠন হামাছৰ ভয়াৱহ সাদৃশ্য আছে। এতিয়ালৈকে পেহেলগাম হত্যাকাণ্ডৰ আঁৰত লস্কৰৰ টি আৰ এফ শাখাৰ ভূমিকাহে সন্দেহ কৰা হৈছিল। কিন্তু এতিয়া হামাছো এই আক্ৰমণৰ সৈতে জড়িত থকাৰ সম্ভাৱনা পোহৰলৈ অহাৰ পিছতে পৰিস্থিতি অধিক জটিল হৈ পৰিছে। এই দিশটো সমানে গুৰুত্বসহকাৰে তদন্ত কৰি আছে নিয়াই। ইফালে সীমান্তৰ পৰিস্থিতিও ক্ৰমান্বয়ে জটিল হৈ পৰিছে। দেওবাৰে পুৱা পাকিস্তানী সেনাই নিয়ন্ত্ৰণ ৰেখাত অপ্ৰৰোচিত গুলীচালনাও আৰম্ভ কৰে। পেহেলগাম আক্ৰমণৰ পিছৰে পৰা পাকিস্তানে ইটোৰ পিছত সিটোকৈ যুদ্ধবিৰতি উলংঘা কৰি আহিছে। শনিবাৰে নিশা আৰু দেওবাৰে পুৱা টুটমাৰী গলি আৰু ৰামপুৰ ছেক্টৰত থকা পাকিস্তানী সেনা ঘাটিৰ পৰা ক্ষুদ্ৰ অস্ত্ৰৰে গুলীচালনা কৰা বুলি সেনাই স্পষ্ট কৰি দিছে। ভাৰতীয় সেনাই পাকিস্তানৰ এই আক্ৰমণৰ উপযুক্ত প্ৰত্যুত্তৰ দিছে। তদুপৰি দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত কোনো আপোচ নহ'ব বুলিও সেনাই স্পষ্ট বাৰ্তা দিছে। একে সময়তে পাকিস্তান চৰকাৰে চিমলা চুক্তি ভংগ কৰাৰ ভাবুকি দিয়াৰ বিপৰীতে সীমান্তত প্ৰৰোচনা অব্যাহত ৰাখি বাস্তৱ পৰিস্থিতিক বিভ্ৰান্ত কৰিবলৈও চেষ্টা চলাইছে। কিন্তু এইটো স্পষ্ট যে পেহেলগামত ২৬ জন নিৰীহ লোকৰ মৃত্যুৰ দায়িত্ব ইছলামাবাদে কোনো কাৰণতে এৰাই চলিব নোৱাৰিব। এইবাৰ ভাৰতৰ প্ৰত্যুত্তৰ পূৰ্বৰ যিকোনো সময়তকৈ বহু বেছি কঠোৰ হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝিলাম নদীৰ পানীয়ে নমাইছে বিভীষিকা

হঠাৎ বৃদ্ধি পোৱা জলস্তৰে সৃষ্টি কৰে তীব্ৰ আতংকৰ। স্থানীয় কৰ্তৃপক্ষৰ অভিযোগ অনুসৰি ভাৰতে শনিবাৰে উৰি বান্ধৰ পৰা পূৰ্ব সতৰ্কবাণী অবিহনে পানী এৰি দিয়াৰ ফলত সৃষ্টি হয় ভয়াৱহ বান পৰিস্থিতিৰ। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ বৃদ্ধি পোৱা উত্তাপৰ মাজতে পাকিস্তানৰ অভিযোগে পাৰমাণৱিক অস্ত্ৰধাৰী প্ৰতিবেশী দেশ দুখনৰ মাজত বৃদ্ধি কৰিছে চৰম উত্তেজনাৰ। পাকিস্তানী কৰ্তৃপক্ষই ভাৰতে আন্তঃৰাষ্ট্ৰীয় আইন আৰু সিন্ধু জল সন্ধিৰ প্ৰত্যক্ষ উলংঘা কৰা বুলি তীব্ৰ অভিযোগ উত্থাপন কৰিছে। মন কৰিবলগীয়া যে ২৩ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোক নিহত হোৱাৰ পিছত ভাৰতে একপক্ষীয়ভাৱে সিন্ধু জল সন্ধি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছিল। ইফালে পাক অধিকৃত কাশ্মীৰৰ ৰাজধানী মুজাফ্‌ফৰাবাদ আৰু চাকোটি অঞ্চলৰ প্ৰশাসনে লাউডস্পীকাৰৰ জৰিয়তে ঝিলাম নদীৰ জলপৃষ্ঠ বৃদ্ধিৰ বিষয়ে অৱগত কৰি নিৰাপদ স্থানত আশ্ৰয় ল'বলৈ আহ্বান জনায়। মুজাফ্‌ফৰাবাদ জিলাৰ চৰকাৰী মুখপাত্ৰই এক চমু বিবৃতিত কয়, "ভাৰতে অত্যধিক পানী এৰি দিয়াৰ বাবে ঝিলাম নদীত মধ্যমীয়া বান হৈছে। নদীৰ পাৰৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিয়া হৈছে।" ইতিমধ্যে কোহালা আৰু ধলকোটৰ নিম্নভূমি অঞ্চলত মধ্যমীয়া বানৰ ঘটনা সংঘটিত হৈছে। নিশ্চিত নোহোৱা খবৰ অনুসৰি কিছু পশুধনৰ লগতে কৃষি শস্যৰো ব্যাপক ক্ষতি হৈছে। এই ঘটনাৰ পিছতে পিঅ'কে প্ৰশাসনে ভাৰতৰ বিৰুদ্ধে 'জল সন্ত্ৰাসবাদ' সংঘটিত কৰাৰ প্ৰত্যক্ষ অভিযোগ উত্থাপন কৰিছে। প্ৰশাসনৰ দাবী, পূৰ্বৰ অধিসূচনা অবিহনে পানী এৰি দিয়াটো সিন্ধু জল সন্ধিৰ প্ৰত্যক্ষ উলংঘা। ১৯৬০ চনত বিশ্ব বেংকৰ মধ্যস্থতাত সম্পন্ন হোৱা এই চুক্তি অনুসৰি পানী এৰি দিয়াৰ বিষয়ে ইজনে সিজনক আগতীয়াকৈ তথ্য প্ৰদান কৰাটো বাধ্যতামূলক। পাকিস্তানৰ দখলত থকা কাশ্মীৰ প্ৰশাসনে ভাৰতে সেই নিয়মক সন্মান নকৰাকৈ পানী এৰি দিয়া বুলি অভিযোগ উত্থাপন কৰিছে। পাক অধিকৃত কাশ্মীৰৰ হাটিয়ান বালা জিলাত মুকলি কৰা হৈছে জৰুৰীকালীন সাহায্য শিবিৰ। প্ৰেৰণ কৰা হৈছে উদ্ধাৰকাৰী দল। উপায়ুক্ত বিলাল আহমেদে কয়, 'আমি যৎপৰোনাস্তি চেষ্টা কৰিছো, কিন্তু পৰিস্থিতিৰ ভয়াৱহতা ইমানেই বেছি যে ইয়াক চম্ভালিবলৈ কঠিন হৈ পৰিছে। তদুপৰি নদীৰ পাৰত মাছ ধৰা বা জীৱ-জন্তু চৰোৱা নিষিদ্ধ কৰাৰ নিৰ্দেশ জাৰি কৰা হৈছে।' আনহাতে, এই বিষয়ত ভাৰতে এতিয়ালৈকে কোনো আনুষ্ঠানিক সঁহাৰি প্ৰদান কৰা নাই। অৱশ্যে জম্মু-কাশ্মীৰত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে উৰি বান্ধৰ স্বাভাৱিক জলপৃষ্ঠ নিয়ন্ত্ৰণৰ অংশ হিচাপে পানী এৰি দিয়া বুলি দাবী কৰিছে ভাৰতীয় একাংশ সংবাদ মাধ্যমে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ পুটিনৰ ওপৰত ক্ষুণ্ণ ড'নাল্ড ট্ৰাম্প!

আৰু যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি। পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ ভেটিকানত উপস্থিত হোৱাৰ পিছত ১৫ মিনিটৰ বাবে এক বৈঠকত মিলিত হয় দুয়োগৰাকী নেতা। উল্লেখ্য যে ফেব্ৰুৱাৰী মাহত ট্ৰাম্পৰ সৈতে বৈঠকৰ মাজতে চৰম অপমানেৰে একপ্ৰকাৰ হোৱাইট হাউছৰ পৰা বাহিৰ কৰি দিয়া হৈছিল জেলেনস্কিক। ইয়াৰ পিছতে ভেটিকানত পুনৰ দুয়োৰে বৈঠকে বিশ্বৰ ৰাজনীতিত বিশেষ তাৎপৰ্য বহন কৰিছে। এই বৈঠক সন্দৰ্ভত জানিবলৈ দি হোৱাইট হাউছৰ এগৰাকী বিষয়াই কয় যে ট্ৰাম্প আৰু জেলেনস্কিৰ বৈঠক অতি গঠনমূলক বিবেচিত হয়। অৱশ্যে বৈঠকৰ বিষয়ে সবিশেষ প্ৰকাশ কৰাৰ পৰা তেওঁ বিৰত থাকে। ইফালে, জেলেনস্কিৰ কাৰ্যালয়ে জানিবলৈ দিয়া মতে দুয়োগৰাকী নেতাৰ মাজত ১৫ মিনিট সময় আলোচনা হয়। জেলেনস্কিৰ মুখ্য কৰ্মচাৰী এণ্ড্ৰি য়েৰমাকে এই বৈঠকক "গঠনমূলক" বুলি অভিহিত কৰে যদিও তেৰোঁ বৈঠকৰ বিষয়ে সবিশেষ জনাবলৈ অস্বীকাৰ কৰে। লক্ষণীয়ভাৱে, ইউক্ৰেইন-ৰাছিয়া যুদ্ধৰ পৰিস্থিতিৰ মাজত মাৰ্কিন ৰাষ্ট্ৰপতিৰ সৈতে জেলেনস্কিৰ এই বৈঠক যুদ্ধ পৰিস্থিতিৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে বিশেষজ্ঞ মহলে। ইয়াৰ জৰিয়তে দুয়োগৰাকী নেতাই নিজৰ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰি শান্তি প্ৰতিষ্ঠাৰ বাবে সম্ভাব্য সমাধানৰ সন্ধান কৰা বুলি অনুমান কৰা হৈছে। জেলেনস্কিয়ে নিজৰ ছ'চিয়েল মিডিয়াত লিখিছে, 'এইখন আছিল এক অত্যন্ত প্ৰতীকী বৈঠক, যিখন ঐতিহাসিক হৈ উঠিব পাৰে যদিহে আমি একেলগে ফলপ্ৰসূ ফলাফল লাভ কৰিব পাৰো।' ইফালে ছ'চিয়েল মিডিয়াত দিয়া পোষ্টত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ বিৰুদ্ধে কঠোৰ মন্তব্য কৰে ট্ৰাম্পেও। তেওঁ লিখিছে, "ৰাছিয়াই কিয় এনে আক্ৰমণ কৰিছে? মই ভাবো পুটিনে হয়তো যুদ্ধ বন্ধ কৰিব নিবিচাৰিব আৰু তেওঁ ইয়াৰ সৈতে বেলেগ ধৰণে মোকাবিলা কৰাটো প্ৰয়োজন।" ইউক্ৰেইন আৰু ক্ৰিমিয়াৰ বাবে নিৰাপত্তাৰ নিশ্চয়তাক লৈ ইউক্ৰেইন আৰু আমেৰিকাৰ মাজত ডাঙৰ বিবাদ অব্যাহত আছে। যদিও ট্ৰাম্পৰ প্ৰতিনিধি আৰু ৰাছিয়াৰ বিষয়াৰ মাজত আলোচনা ফলপ্ৰসূ আছিল, ইউক্ৰেইন আৰু ইউৰোপীয় দেশে এই পদক্ষেপৰ বিৰোধিতা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ জাবৰ আঁতৰাবলৈ

হৈ পৰিছে। এজন বৰষুণতে গুৱাহাটী মহানগৰী নৰক হৈ পৰে। পথ, উপপথ পানীৰে ভৰি পৰে। কদৰ্য ৰূপ ধাৰণ কৰে গুৱাহাটী। বাৰিষাৰ আৰম্ভণিৰ সময়তে ১৫ দিনৰ ভিতৰত দুবাৰকৈ গুৱাহাটী মহানগৰী পানীত ডুব যায়। ১৩ এপ্ৰিল আৰু ২২ এপ্ৰিলত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছিল। বাট-পথ কৃত্ৰিম বানত ডুব যোৱাৰ লগতে বিদ্যুতৰ আহ-যাহে অতিষ্ঠ কৰিছিল নাগৰিকক। কেইবা ঘণ্টা বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। মুখ্য পথৰ লগতে উপপথসমূহ পানীত ডুব যোৱাত আহ-যাহত ভীষণ সমস্যাত পৰে। বাৰিষাৰ আগমনৰ সময়তে দুবাৰকৈ গুৱাহাটী ডুব যোৱাত হিমন্ত বিশ্ব চৰকাৰৰ মুৰৰ কামোৰণি হৈ পৰিছে। তাৰ পিছতে অসম চৰকাৰ কঠোৰ হৈছে। মিছন ফ্লাড ফ্ৰী-২০২৫ ৰ অধীনত কৃত্ৰিম বান নিয়ন্ত্ৰণৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্তই কঠোৰ নিৰ্দেশ প্ৰদান কৰিছে। জিলা আয়ুক্ত আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ সুমিত সত্তৱানে তাৎক্ষণিকভাৱে নলা নিষ্কাশন কৰি নলাৰ কাষত দমাই থোৱা জাবৰ দুঘণ্টাৰ ভিতৰত আঁতৰ কৰাটো বাধ্যতামূলক কৰিছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰা আদেশত সতৰ্ক কৰি দিছে যে বিভাগ আৰু ঠিকাদাৰসকলে নিৰ্দেশনা মানি নচলিলে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ ৰ বিভিন্ন ব্যৱস্থাৰ অধীনত কঠোৰ আইনী ব্যৱস্থাৰ সন্মুখীন হ'ব। নিৰীক্ষণ সমিতিয়ে লাভ কৰা উদ্বেগজনক প্ৰতিবেদনৰ ভিত্তিত নিৰ্দেশনা দিয়া হৈছে। নলাৰ পৰা আহৰণ কৰা জাবৰ প্ৰায়ে কেইবাটাও এলেকাত ২৫ ঘণ্টাতকৈ অধিক সময় পৰি থাকে। যি নিৰ্ধাৰিত দুঘণ্টাৰ সীমা অতিক্ৰম কৰে। বহু সময়ত বৰষুণৰ পিছতে সেই জাবৰ পুনৰ নলাবোৰত পৰে। পথত বোকাৰ পয়োভৰ হয়। চহৰৰ মুখ্য পথ-উপপথবোৰত অস্বাস্থ্যকৰ পৰিস্থিতিৰ সৃষ্টি হয়। নগৰীয়া বান সৃষ্টি কৰাত অৰিহণা যোগায়। এই বিষয়ত গুৰুতৰ উদ্বেগ প্ৰকাশ কৰি জিলা আয়ুক্ত সুমিত সত্তৱানে কয় যে যদি এনে ধৰণৰ প্ৰথা নিয়ন্ত্ৰণহীনভাৱে হৈ থাকে, তেন্তে বান প্ৰশমনৰ প্ৰচেষ্টাৰ গুৰুত্ব হ্ৰাস কৰে। নিৰ্দেশনা কঠোৰভাৱে পালন কৰাটো নিশ্চিত কৰিবলৈ কোৱা হৈছে। নিৰ্দেশনাত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে জাবৰমুক্ত কৰিবলৈ বিচ্যুতি বা অৱহেলাক অভিযন্তা বা ঠিকাদাৰ ৰাজহুৱা সেৱাত বাধা হিচাপে গণ্য কৰা হ'ব। দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫-ৰ ধাৰা ৪১(চি), ৫১(বি), ৫৫(১)(৫) আৰু ৫৮(১)(২)ৰ অধীনত উলংঘনকাৰীৰ বিৰুদ্ধে মোকৰ্দমা তৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈক ৩টা প্ৰশ্ন মুখ্যমন্ত্ৰী হিমন্তৰ!

বাকযুদ্ধই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পুনৰ গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। গৌৰৱ গগৈৰ পত্নীৰ পিছতে দুই সন্তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। দুই সন্তান ভাৰতীয় আৰু অসমীয়া নহয় বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। তৰুণ গগৈৰ নাতিনীয়েক এজন অসমীয়া, এজন ভাৰতীয় নহয় তাতকৈ লাজৰ কথা আৰু কি থাকিব বুলি মন্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। আজি মুখ্যমন্ত্ৰীয়ে মন-কী-বাত অনুষ্ঠানত অংশ লৈ সাংবাদিকৰে মুখামুখি হৈ গৌৰৱ গগৈৰ তিনিটা গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে ডঃ শৰ্মাই। পাকিস্তানত ১৫ দিন থকাটো হয় নে নহয় সেয়া স্পষ্ট কৰিবলৈ আহ্বান জনাইছে গৌৰৱ গগৈক। দুই সন্তানৰ নাগৰিকত্বক লৈ প্ৰশ্ন উত্থাপন কৰি দুয়ো সন্তান ভাৰতীয় বা অসমীয়া নহয় বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। আজি সাংবাদ মাধ্যমৰ মুখামুখি হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে তৰুণ গগৈৰ নাতিনীয়েক এজন অসমীয়া, এজন ভাৰতীয় নহয় তাতকৈ লাজৰ কথা আৰু কি থাকিব। ১০ ছেপ্টেম্বৰত সকলো মই প্ৰমাণসহকাৰে দিম। মুখ্যমন্ত্ৰীৰ আসনৰ পৰা এটাও অসত্য কথা নকওঁ। মই অসমৰ মুখ্যমন্ত্ৰী। পাকিস্তানে যদি মোক দৰমহা দি থাকে তেন্তে মই পাকিস্তানৰ এজেণ্ট হ'লো নে নাই। তাতকৈ আৰু কিবা প্ৰমাণ লাগে নেকি? নিৰ্লজ্জ মানুহে আৰু ইয়াকৈ বেছি প্ৰমাণ খুজিব। গৌৰৱ গগৈক এজন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ ল'ৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ তিনিটা কথা কৈ দিলেই হ'ল। তেওঁ পাকিস্তানলৈ গৈছিল নে নাই। সেইটো কথাক তেওঁ অকাই-পকাই থাকে। পাকিস্তানলৈ যোৱা-নোযোৱাৰ কথা ক'লে তেওঁ পেহেলগামৰ কথা কয়। মানুহবিলাক বুৰ্বক নহয়। মানুহে বুজি পায় ই চিধা কথা কোৱা নাই। ১৫ দিন পাকিস্তানত থাকি অহাটো হয় নে নহয়। ইমান ধুনীয়াকৈ নামাজ পঢ়িব ক'ত শিকিলে বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত আৰু ভাৰতত নামাজৰ প্ৰশিক্ষণ দিয়া প্ৰতিষ্ঠান নাই। ১৫ দিনতে নামাজ পঢ়ি আহিলে নেকি? আপোনাৰ পত্নীয়ে যদি পাকিস্তানৰ এনজিঅ'ৰ পৰা যদি দৰমহা লৈ ভাৰতত কাম কৰে তাতকৈ পাকিস্তানী এজেণ্ট বুলি ডাঙৰ প্ৰমাণ আৰু কিবা লাগে নেকি? মই কাম কৰিছো ভাৰতত। দৰমহা আহিছে পাকিস্তানৰ পৰা। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পত্নীৰ নাগৰিকত্বৰ  কথা বাদ দিয়ক। আপোনাৰ ল'ৰা আৰু ছোৱালীৰ নাগৰিকত্ব কি? ধৰ্ম কি পিছত সুধিম? নাগৰিকত্ব কি সেইটো আগত কওক। দুয়োগৰাকী ল'ৰা আৰু ছোৱালী ভাৰতীয় নাগৰিক নহয়। মই এগৰাকী ভাৰতীয় হিচাপে কৈ আছো। প্ৰথম কথা পৰিবাৰ ভাৰতীয় নহয়। তেওঁৰ ল'ৰা আৰু ছোৱালীও ভাৰতীয় নাগৰিক নহয় বুলি কৈছো। যদি তৰুণ গগৈৰ নাতিনীয়েক ভাৰতীয় আৰু অসমীয়া নহয় তেন্তে তাতকৈ দুখ আৰু লাজৰ কথা কি থাকিব। মই এই অভিযোগো ৰিস্ক লৈ কৈছো। কিন্তু প্ৰমাণ ছেপ্টেম্বৰৰ ভিতৰত আহিব। মই পদত্যাগ কৰো-নকৰো বেলেগ কথা। কিন্তু অসমৰ মানুহে মোকটো পদত্যাগ কৰিব দিব লাগিব। অসমৰ মানুহৰ সেই মুড বৰ্তমান নাই। মই তিনিটা প্ৰশ্ন কৰিছো। ১৫ দিন পাকিস্তানক থাকি আহিছে নে নাই। নামাজ পঢ়িব ক'ত শিকিলেয় আপোনাৰ ল'ৰা-ছোৱালী পত্নীৰ ধৰ্ম কি? ল'ৰা-ছোৱালীৰ নাগৰিকত্ব কি? আপোনাৰ পত্নীয়ে ভাৰতত কাম কৰি পাকিস্তানত দৰমহা লৈ আছিল নে নাই? ইয়াতকৈ ডাঙৰ প্ৰমাণ আৰু কি লাগে। আৰু বহুত প্ৰমাণ আছে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ মন কী বাতত পেহেলগাম

অস্থিৰতাৰ মাজতে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানৰ যোগেদি দেশবাসীক সম্বোধন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে পেহেলগাম ঘটনাৰ বিষয়ে উল্লেখ কৰি বিষয়টোক লৈ তেওঁ গভীৰভাৱে দুঃখিত হোৱাৰ কথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে যি ক্ষোভৰ ভাব দেশবাসীয়ে মনত কঢ়িয়াই ফুৰিছে সেই ভাব বিশ্ববাসীৰ মনতো আছে। তেওঁ নৃশংস কূটাঘাতমূলক ঘটনাটোক তীব্ৰ গৰিহনা দিয়ে। সমগ্ৰ বিশ্ব ১৪০ কোটি ভাৰতীয়ৰ কাষত আছে আৰু আক্ৰমণটোত হতাহতসকলৰ পৰিয়ালে ন্যায় লাভ কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশ্বাস প্ৰদান কৰে। তেওঁ লগতে কয় যে পেহলগামত হোৱা এই আক্ৰমণে, অত্যাচাৰৰ পৃষ্ঠপোষকসকলৰ হতাশা দেখুৱাইছে, তেওঁলোকৰ কাপুৰুষতা দেখুৱাইছে। কাশ্মীৰলৈ যি শান্তি উভতি অহা দেখি গৈছিল, বিদ্যালয় আৰু মহাবিদ্যালয়সমূহলৈ এক প্ৰাণৱন্ততা আহিছিল, নিৰ্মাণ কাৰ্যত এক অভূতপূৰ্ব গতি আহিছিল, গনতন্ত্ৰ শক্তিশালী হৈছিল, পৰ্যটকৰ সংখ্যা ৰেকৰ্ড হাৰত বৃদ্ধি হৈছিল, দেশৰ শত্ৰুৰ, জম্মু-কাশ্মীৰৰ শত্ৰুৰ সেয়া সহ্য নহ'ল। সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদৰ চৰ্দাৰসকলে বিচাৰিছে যে কাশ্মীৰ পুনৰ ধ্বংস হওক আৰু তাৰ বাবে এনে এক ডাঙৰ চক্ৰান্ত কৰা হৈছে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে এই যুদ্ধত দেশৰ একতা, ১৪০ কোটি ভাৰতীয়ৰ একত্ৰিত শক্তি আমাৰ আটাইতকৈ ডাঙৰ শক্তি বুলি তেওঁ ব্যক্ত কৰে। লগতে কয়, এই একতাই হৈছে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে আমাৰ নিৰ্ণায়ক যুদ্ধৰ আধাৰ। দেশৰ সন্মুখত উদ্ভৱ হোৱা এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আমাৰ সংকল্পবোৰক দৃঢ় কৰিব লাগিব। আমি এখন ৰাষ্ট্ৰ ৰূপে দৃঢ় ইচ্ছাশক্তিৰ প্ৰদৰ্শন কৰিব লাগিব। উল্লেখ্য, জম্মু-কাশ্মীৰৰ পহেলগামৰ ওচৰৰ এখন ঘাঁহনিত সন্ত্ৰাসবাদীয়ে ২৬ জন লোকক গুলীয়াই হত্যা কৰিছিল, যাৰ ভিতৰত বেছিভাগ লোকেই আছিল পৰ্যটক। প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰতিজ্ঞা কৰিছে যে ভাৰতে এই ভয়ংকৰ আক্ৰমণৰ আঁৰত থকা সকলক বিচাৰি উলিওৱা হ'ব। যোৱা পাঁচ দিনত, ভাৰতে পাকিস্তানৰ ওপৰত কেইবাটাও শাস্তিমূলক ব্যৱস্থা আৰোপ কৰে, যাৰ ভিতৰত আছে সিন্ধু জল চুক্তি স্থগিত কৰা, কূটনৈতিক কৰ্মচাৰী হ্ৰাস কৰা। দিল্লীয়ে পাকিস্তানী নাগৰিকৰ ভিছা সেৱা স্থগিত কৰে।

## ‘পাকিস্তান নিজেও শান্তিত নাথাকে, আনকো থাকিব নিদিয়ে’

# ‘পাৰমানেণ্ট’ শিক্ষা দিয়া উচিত পাকিস্তানকঃ দৈমাৰী

**ই-সংবাদ, মঙলদৈ, ২৭ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ এনে জঘন্য হত্যাকাণ্ডক আমি গৰিহণা দিছোঁ। এই ঘটনাৰ আঁৰত পাকিস্তান আছে। পাকিস্তানে সদায়ে এনে ঘটনা কৰি আহিছে। তেওঁলোকে নিজেও শান্তিত নাথাকে আনকো শান্তিত থাকিব নিদিয়ে। সেয়েহে ইয়াৰ আঁৰত যিসকলৰ হাত আছে তেওঁলোকক এটা স্থায়ী শিক্ষা দিব লাগে। এইদৰে কয় অসম বিধানসভাৰ শেষাংশ ১৬ পৃষ্ঠাত



সংখ্যালঘু এলেকাতো বিজেপিৰ আগ্ৰাসী প্ৰচাৰ, ফটোঃ ই-সংবাদ

# ভৱানীপুৰত পদ্মপ্ৰিয়া সাহিত্য গোষ্ঠীৰ বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, ভৱানীপুৰ, ২৭ এপ্ৰিলঃ** ভৱানীপুৰৰ অগ্ৰণী সাহিত্য-সাংস্কৃতিক গোষ্ঠী পদ্মপ্ৰিয়া সাহিত্য-সাংস্কৃতিক গোষ্ঠীয়ে প্ৰতিবছৰে প্ৰদান কৰি অহা বিভিন্ন বঁটা আজি অসমৰ ভিন্ন প্ৰান্তৰ ২১ গৰাকী ব্যক্তিক ভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা শেষাংশ ১৬ পৃষ্ঠাত

# ডিব্ৰুগড়ত দুখনকৈ উৰণীয়া সেতুৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ এপ্ৰিলঃ** ডিব্ৰুগড়ৰ নগৰ আন্তঃগাঁথনিৰ এক বৃহৎ উত্থানৰ ৰূপত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত দুখন গুৰুত্বপূৰ্ণ উৰণীয়া সেতু উদ্বোধন কৰে। অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলা শেষাংশ ১৭ পৃষ্ঠাত

# ভুবন গামৰ মাৰাথন নিৰ্বাচনী প্ৰচাৰঃ বিজেপি-অগপক ভোট দিয়াৰ আহ্বান

**ই-সংবাদ বিশেষ, মাজুলী, ২৭ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই মাজুলী বিধানসভা সমষ্টিত শাসক-বিৰোধী দলসমূহৰ মাজত তীব্ৰ নিৰ্বাচনী প্ৰচাৰ চলা দেখা গৈছে। শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী শেষাংশ ১৬ পৃষ্ঠাত

# বিতৰ্কৰ মাজেৰে ঐতিহাসিক ঘোঁৰাবান্ধা দেউল উৎসৱৰ সামৰণি

**ই-সংবাদ, ছিপাঝাৰ, ২৭ এপ্ৰিলঃ** দেউল উৎসৱ অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰাক লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ মাজেৰে সামৰণি পৰিল দৰঙৰ সৰ্ববৃহৎ ঘোঁৰাবান্ধা দেউল। উল্লেখ্য যে একাদশ শতিকাতে ধৰ্মদেৱ বিপ্ৰ ভূঞাই দৰঙৰ স্বকীয় পৰিচয় দেউল উৎসৱৰ আৰম্ভণি কৰিছিল ইয়াৰ বৰদৌলগুৰিস্থিত বৰাবাৰীত। বিষ্ণু ১৬নং পৃষ্ঠাত

# চাৰিটা দাবীৰে এখন বিশেষ স্মাৰক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** নগাঁও জিলাৰ ৰাইডঙীয়াত যোৱা ১৫ এপ্ৰিলত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ উদ্যোগত পালন কৰা আম্বেদকাৰ জন্ম-জয়ন্তীত ৰাজ্যৰ অনুসূচিত জাতিৰ প্ৰায়সমূহ ছাত্ৰ আৰু জাতীয় সংগঠনৰ নেতৃত্ব শেষাংশ ১৮ পৃষ্ঠাত

# কংগ্ৰেছে ধৰি-বান্ধি প্ৰাৰ্থিত্ব দিছেঃ জয়ন্ত মল্ল বৰুৱা

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনত সমগ্ৰ অসমত ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বৰ মিত্ৰ দলে সকলো আসন দখল কৰিব। ভাবিব নোৱাৰা ধৰণে আসন দখল কৰিব। এই মন্তব্য জয়ন্ত মল্ল ১৭ পৃষ্ঠাত



বিধায়ক দিপ্লু ৰঞ্জনক লগত লৈ মন্ত্ৰী পীযুষৰ নিৰ্বাচনী প্ৰচাৰ

# শিৱদৌলত সেৱা লৈ ‘মন কী বাত’ত অংশগ্ৰহণ দিলীপৰ

**ই-সংবাদ, শিৱসাগৰ, ২৭ এপ্ৰিলঃ** "যিকোনো এটা নীতি বা সংকল্প গ্ৰহণ কৰোঁতে এক লক্ষ্য থাকিব লাগে লগতে সেই সংকল্প আৰু নীতিৰ প্ৰতি সমৰ্থন থাকিব লাগিব। কিন্তু বিৰোধী ঐক্যৰ কোনো শেষাংশ ১৮ পৃষ্ঠাত

# ‘অখিল গগৈৰ উদ্দেশ্য কেৱল মুছলমানৰ ভোট লাভ’

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** অখিল গগৈয়ে ইমান সোনকালে কাৰোবাক মাফ খোজা বা ক্ষমা খোজাটো মই দেখা নাছিলো। অখিল গগৈয়ে নিশ্চিতভাৱে বিজেপিৰ ব্যক্তিসকলক 'কাফেৰ' বুলি কৈছিল। বিজেপিৰ ব্যক্তিসকল আমাৰ কাৰণে আপোন। কিন্তু তথাপিতো কৈছো অখিল গগৈয়ে ইমান সোনকালে ক্ষমা খোজাৰ ৰেকৰ্ড আগতে নাছিল।- এই মন্তব্য মন্ত্ৰী পীযুষ হাজৰীকাৰ। যিসকল মুছলমান লোকে বিজেপিক ভোট দিয়ে তেওঁলোক 'কাফেৰ' বুলি বিতৰ্কিত মন্তব্য কৰি মাজনিশা ক্ষমা খোজা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। উল্লেখ্য যে অখিল গগৈয়ে পবিত্ৰ শক্তিপীঠ শেষাংশ ১৯ পৃষ্ঠাত

## টকা লৈ টিকট দিয়া কংগ্ৰেছে এজিপি-বিজেপিক প্ৰতিৰোধ কৰিব নোৱাৰেঃ পীযুষ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানী এজেণ্ট হয় বুলি প্ৰমাণ কৰি

ডঃ হিমন্ত বিশ্ব শৰ্মাই। প্ৰতিদিনে সাংবাদিকৰ সৈতে মুখামুখি হ'লে গৌৰৱ গগৈৰ নাম নোলোৱাকৈ অসমৰ এজন সাংবাদিকে পাকিস্তানৰ সৈতে কেনেদৰে সংযোগ ৰক্ষা কৰি চলিছিল সেই কথা উল্লেখ কৰে। আজি যেন মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সকলো সীমা অতিক্ৰম কৰিছে। আজি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই তৰুণ গগৈৰ নাতি ভাৰতীয় বা অসমীয়া নহয় বুলি দাবী কৰিছে। আজি গৌৰৱ গগৈ, তেওঁৰ পত্নী আৰু দুই সন্তানক লৈ প্ৰশ্ন উত্থাপন কৰিছে মুখ্যমন্ত্ৰীয়ে। গৌৰৱ গগৈৰ দুই কণমানি সন্তানৰ নাগৰিকত্ব আৰু ধৰ্ম কি সেয়া স্পষ্ট কৰিবলৈ কয় মুখ্যমন্ত্ৰীয়ে। গৌৰৱ গগৈক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উত্থাপন কৰিছে কেইবাটাও গুৰুতৰ প্ৰশ্ন। তৰুণ গগৈৰ দুই নাতি ভাৰতীয় বা অসমীয়া নহয় বুলি দাবী কৰা হৈছে। গৌৰৱ গগৈয়ে ১৫ দিন পাকিস্তানত কটাইছিল নে নাই? নামাজ পঢ়িবলৈ ক'ত শিকিলে? গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানী এনজিঅ'ৰ পৰা দৰমহা লোৱা বুলি অভিযোগ কৰি, ল'ৰা-ছোৱালী দুয়োটিৰ নাগৰিকত্ব আৰু ধৰ্মৰ বিষয়ে স্পষ্টীকৰণ বিচাৰিছে। গৌৰৱ গগৈৰ পত্নীয়ে ভাৰতত কাম কৰিও পাকিস্তানৰ পৰা দৰমহা পোৱা বুলি কৈ পাকিস্তানী এজেণ্ট হোৱাৰ প্ৰমাণ বুলি কৈছে। এই কথাৰ মুখ্যমন্ত্ৰীয়ে স্পষ্টীকৰণ দাবী কৰিছে। লগতে তৰুণ গগৈৰ নাতিনীয়েক অসমীয়া বা ভাৰতীয় নহয় বুলি কটাক্ষ কৰিছে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ পূৰ্বে গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ আক্ৰমণক খুব বেছি গুৰুত্ব দিয়া দেখা নাযায়। কিন্তু আজি গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দিছে। গৌৰৱ গগৈয়ে এক্সত মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই প্ৰশ্ন কৰিছে যে যদি মুখ্যমন্ত্ৰীয়ে তেওঁ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে অভিযোগ প্ৰমাণ কৰিবলৈ অক্ষম হয়, মুখ্যমন্ত্ৰীয়ে নিজৰ পৰিয়ালৰ বিষয়ে প্ৰশ্নৰ উত্তৰ দিব নে নাই। ৰাজ্যৰ আৰক্ষীয়ে কয়লা মাফিয়াৰ বিৰুদ্ধে ব্যৱস্থা নোলোৱাত পদত্যাগ কৰিব নে নাই? গৌৰৱ গগৈয়ে স্পষ্টকৈ কয় যে যদি আপুনি মোৰ আৰু মোৰ পত্নীক শত্ৰু দেশৰ এজেণ্ট বুলি অভিযোগ প্ৰমাণ কৰাত বিফল হয় তেন্তে আপুনি পদত্যাগ কৰিব নে নাই? আপুনি আপোনাৰ নিজৰ সন্তান আৰু পত্নীৰ ওপৰত প্ৰশ্ন কৰিব নেকি? ৰাজ্যৰ আৰক্ষীয়ে কয়লা মাফিয়াৰ সৈতে সম্পৰ্কিত লোকসকলক গ্ৰেপ্তাৰ কৰিবনে? যিসকলে অসমৰ পাহাৰবোৰ ধ্বংস কৰি কোটি কোটি অঘোষিত ধন উপাৰ্জন কৰিছে? এছ.আই.টি. প্ৰতিবেদন দাখিল হোৱালৈ অপেক্ষা কৰিছো। গৌৰৱ গগৈয়ে আজি মুখ্যমন্ত্ৰীক এনেদৰে উত্তৰ দিয়ে। এক্সত উত্তৰ দিয়াই নহয় সংবাদ মাধ্যমৰ মুখামুখি হৈ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে। গৌৰৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰীয়ে এনেও চকী এৰিব লাগিব। যি কাম আছে সেয়া কৰি লওক। আজি মুখ্যমন্ত্ৰীৰ কথাও গ্ৰহণযোগ্যতা নাই। তেওঁ কৈছিল অসমখনক ভাৰতৰ ভিতৰত উন্নত ৰাজ্যলৈ নিব। আজিৰ তাৰিখত ড্ৰাগছ এটা ভয়াৱহ সমস্যা হৈছে। যোৱা তিনিমাহ ধৰি একেখিনি কথা দোহাৰি আছে। এতিয়া আকৌ ছেপ্টেম্বৰলৈ সময় বিচাৰিছে। ছেপ্টেম্বৰতে গোটেই তদন্ত শেষ হ'ব। মই বিচাৰিছো তদন্ত এই মাহতে শেষ কৰক। কি কি তথ্য ওলাইছে তেতিয়া আমি গম পাম। তেওঁলোকে কি কি উলিয়াইছে, মেকিং কৰিছে। তেওঁলোকে ছেপ্টেম্বৰলৈ ৰ'বলৈ কৈছে। আমি ছেপ্টেম্বৰলৈ ৰ'ম। আমাৰ একো আপত্তি নাই। যি তদন্ত কৰিব লগা আছে কৰি থাকক। ৰাইজে গম পাই গৈছে যে বৰ্তমান মুখ্যমন্ত্ৰী চিন্তাত পৰিছে। অহা বছৰ বিধানসভা নিৰ্বাচনত তেওঁ গাদী এৰিব লগা হ'ব। কয়লাৰ ছিণ্ডিকেট চলি আছে। কিন্তু তেওঁলোকে কাকো ধৰা নাই। ওমৰাংছু হৈ গ'ল। ইডিৰ অভিযান চলিল। প্ৰতিখন চৰকাৰৰ পৰা ডেৰ লাখকৈ লয়। এই টকা ক'ত যায়। মই ভাবো বিফলতাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিজৰ চকী নিজেই এৰিব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ 'সংখ্যালঘু এলেকা'ত পুনৰ

বিহাৰৰ দৰেই অসমত নিৰ্বাচন আহিলেই বৰ্বৰতা আৰম্ভ হয়। বিৰোধী দলৰ কাৰ্যালয় ভাঙি পেলোৱা, ভয়-ভাবুকি দি মনোনয়ন প্ৰত্যাহাৰ কৰা, বিৰোধী দলৰ নেতাক আক্ৰমণ কৰা। বিগত সময়ত উপ-নিৰ্বাচনৰ সময়ত নগাঁও জিলাৰ চামগুৰি সমষ্টিত কংগ্ৰেছৰ নেতা-কৰ্মীক বৰ্বৰভাবে আক্ৰমণৰ কেইবাটাও ঘটনা সংঘটিত হৈছে। তেতিয়াৰ পৰাই নগাঁও জিলাত ৰাজনৈতিক হিংসা অব্যাহত আছে। এই হিংসা ৰোধ হোৱাৰ নামেই লোৱা নাই। চামগুৰি সমষ্টিত চৰকাৰী পৃষ্ঠিপোষকতাত সংঘটিত এই হিংসাৰ পিছতে এইবাৰ পঞ্চায়ত নিৰ্বাচনত আৰম্ভ হৈছে বিৰোধী দলৰ নেতাক আক্ৰমণ। নগাঁও জিলাত পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ বলাৰ সময়তে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা, কংগ্ৰেছৰ মুখপাত্ৰ মহচীন খানক আক্ৰমণ কৰে। কেইবাখনো বাহনত দুৰ্বৃত্তই আক্ৰমণ কৰা ঘটনাই সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়িকা শিৱামণি বৰাক লৈ জিলাখনৰ ডুমডুমীয়াৰ শ্লুইচ গেটত আয়োজিত এখন নিৰ্বাচনী সভাত অংশ লৈ নগাঁও অভিমুখে বালিসত্ৰ অৰ্ধ-সাপ্তাহিক বজাৰত সন্ধিয়া প্ৰায় ছয় বজাত এটা দুৰ্বৃত্তৰ দলে আক্ৰমণ কৰে। নিজ বাহনেৰে আহি থকা অৱস্থাত মুখত ক'লা কাপোৰ বান্ধি অহা আনুমানিক ১২ জনীয়া এটি দুৰ্বৃত্তৰ দলে সাংসদগৰাকীৰ গাড়ীৰ লগতে বিধায়িকাগৰাকীৰ গাড়ীত ৰডেৰে আক্ৰমণ চলাই গাড়ীৰ গ্লাছ ভাঙি চূৰমাৰ কৰে। তদুপৰি সাংসদ আৰু বিধায়িকাৰ লগতে স্থানীয় কংগ্ৰেছ নেতা তথা বালিসত্ৰ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ বাহন আৰু মনোৱাৰ হুছেইন ফাৰুকীৰ বাহনতো আক্ৰমণ চলাই দুয়োকে গুৰুতৰভাবে আঘাত কৰে। অৱশ্যে উক্ত ঘটনা সংঘটিত কৰিয়েই দুৰ্বৃত্তৰ দলটোৱে আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। আতংকত চকুলো টুকিবলৈ বাধ্য হয় বিধায়িকা শিৱামণি বৰাই। এই আক্ৰমণত মুখপাত্ৰ মহচীন খান বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছে। সাংসদ প্ৰদ্যুৎ বৰদলৈ আঘাতপ্ৰাপ্ত হৈছে। ঘটনাক লৈ এখন এজাহাৰ দাখিল কৰা হৈছে। নগাঁও আৰক্ষীয়ে কংগ্ৰেছৰ নেতা-কৰ্মীক সুৰক্ষা দিয়াত ব্যৰ্থ হোৱাৰ অভিযোগ আনিছে। নিৰ্বাচনৰ এনে ভৰপকৰ সময়ত এনেদৰে কংগ্ৰেছী সাংসদ আৰু বিধায়িকাৰ লগতে প্ৰাৰ্থীক লক্ষ্য কৰি এনেদৰে চলোৱা আক্ৰমণক কংগ্ৰেছ কৰ্মীৰ লগতে স্থানীয় ৰাইজে তীব্ৰ ভাষাৰে গৰিহণা দিছে। ডুমডুমীয়াৰ দৰে এখন পৌৰাণিক সত্ৰৰ অসমীয়া কলা-কৃষ্টি-সংস্কৃতিক জীয়াই ৰখা শান্তিপ্ৰিয় অঞ্চলত এনে ঘটনা সংঘটিত কৰা দলটোক শীঘ্ৰে কৰায়ত্ত কৰিবলৈ স্থানীয় ৰাইজে জিলা প্ৰশাসনক দাবী জনাইছে। ইপিনে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। নিৰ্বাচনী আয়ুক্তগৰাকীয়ে ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰাৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সকীয়াই দিয়ে বৰাই। এক বিবৃতিত বৰাই কয় যে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা, মুখপাত্ৰ মহচিন খানৰ ওপৰত বিজেপিৰ ভেৰোণীয়া গুণ্ডাবাহিনীয়ে নিৰ্মম আক্ৰমণ চলাইছে। এই আক্ৰমণত মুখপাত্ৰ মহচিন খান বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছে। সাংসদ প্ৰদ্যুৎ বৰদলৈ আঘাতপ্ৰাপ্ত হৈছে। প্ৰদেশ কংগ্ৰেছৰ কেইবাজনো নেতাৰ গাড়ী ভাঙি চূৰমাৰ কৰা হৈছে। সেই সময়ত নিৰাপত্তাৰ বাবে আৰক্ষী নাছিল। ডুমডুমীয়াৰ ওচৰৰ ৰাজাবাৰী অঞ্চলত এই ঘটনা সংঘটিত হৈছে। এই ঘটনাৰ এক ন্যায়িক তদন্তৰ দাবী কৰিছো। দোষীৰ বিৰুদ্ধে কঠোৰ শাস্তি প্ৰদান কৰি লাগে বুলি দাবী জনাইছো। ৰাজ্যিক নিৰ্বাচনী আয়ুক্তক আমি ইতিমধ্যে সাক্ষাৎ কৰি শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছিলো যদিও নিৰ্বাচনী আয়ুক্তগৰাকীয়ে ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰা দেখা গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আমি সকীয়াই দিছো যে আপুনি গণতন্ত্ৰক কবৰ নিদিব। কাইলৈ আপোনাৰ অগণতান্ত্ৰিক কামৰ বাবে ইতিহাসৰ পাতত ক'লা চিয়াহীৰে লিখা থাকিব। আপুনি সময় থাকোঁতেই ভাৰতীয় গণতন্ত্ৰক সন্মান প্ৰদৰ্শন কৰক। জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলক সুৰক্ষা দি মুক্ত আৰু মুকলি পঞ্চায়ত নিৰ্বাচন কৰিবলৈ ব্যৱস্থা কৰক। এক বিবৃতিত এইদৰে উল্লেখ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এই ঘটনাক তীব্ৰ ভাষাৰে নিন্দা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হিটলাৰী শাসন নচলাবলৈও সকীয়াই দিছে সভাপতি ভূপেন কুমাৰ বৰাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃত্যুৰ পাছতো ভাৰতৰ ভূমিত ঠাই নাপাব

মুছলমান সমাজো। অল ইণ্ডিয়া ইমাম অৰ্গেনাইজেশ্যনৰ মুৰব্বী মৌলানা উমৰ আহমেদ ইলিয়াছিয়ে শনিবাৰে এক ঘোষণাত কয় যে যদি কোনো সন্ত্ৰাসবাদীয়ে ভাৰতৰ মাটিত মৃত্যুবৰণ কৰে তেন্তে তেওঁৰ জানাজা বাহিৰ কৰা নহ'ব আৰু তেওঁক কোনো কবৰস্থানত সমাধিস্থ কৰিবলৈ দিয়া নহ'ব। পেহেলগামত সংঘটিত নৰসংহাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাই এই ঘোষণা কৰে ইলিয়াছিয়ে। তেওঁ কয় যে এজন সন্ত্ৰাসবাদী চয়তানৰ সমতুল্য, তেওঁৰ কোনো ধৰ্মীয় সন্মান বা সমাধিস্থ হোৱাৰ অধিকাৰ নাই। লগতে তেওঁ কয় যে ইছলামত নিৰীহ লোকক হত্যা কৰাটো এটা ডাঙৰ পাপ, আৰু সন্ত্ৰাসবাদীয়ে ধৰ্মৰ নামত এই অপৰাধ সংঘটিত কৰি ইছলামক কলংকিত কৰিছে। ইফালে জামা মছজিদৰ শ্বাহী ইমাম চৈয়দ আহমেদ বুখাৰীয়ে এই আক্ৰমণক তীব্ৰ গৰিহণা দিয়ে। শুকুৰবাৰৰ নামাজৰ সময়ত তেওঁ কয় যে সন্ত্ৰাসবাদীয়ে তেওঁলোকৰ ধৰ্মৰ ভিত্তিত হিন্দু পৰ্যটকক হত্যা কৰিছিল, যিটো ইছলাম আৰু মানৱতাৰ বিৰুদ্ধে এক জঘন্য অপৰাধ। তেওঁ লগতে কয়, "কোৰআনে মানুহৰ জীৱনৰ পবিত্ৰতাক দৃঢ় কৰি তুলিছে, আৰু এনে কাৰ্য্যই আল্লাহৰ ক্ৰোধৰ সন্মুখীন হ'ব।" বুখাৰীয়ে কয় যে এই আক্ৰমণৰ লগত ইছলামৰ কোনো সম্পৰ্ক নাই। উল্লেখ্য যে, ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত নৃশংসভাৱে হত্যা কৰা হৈছিল ২৫ গৰাকী হিন্দু পৰ্যটকসহ ২৬ জন লোকক। এই আক্ৰমণৰ তদন্তত পোহৰলৈ আহিছে যে আক্ৰমণকাৰীয়ে আধাৰ কাৰ্ড আৰু পৰিচয় পত্ৰ পৰীক্ষা কৰি পৰ্যটকৰ ধৰ্ম নিৰ্ণয় কৰিছিল। পৰ্যটকসকলক কলমা পাঠ কৰিবলৈ কোৱা হৈছিল আৰু আনকি পেণ্ট খুলি লিংগ পৰীক্ষাও কৰা হৈছিল। তাৰ পিছত বাছি বাছি হত্যা কৰা হৈছিল হিন্দুসকলক। লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠন দ্য ৰেজিষ্টেন্স ফ্ৰণ্টে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। এই ঘটনাৰ পিছতে মুছলমান বিশ্বৰ বিভিন্ন দেশ- চৌদি আৰব, ইউ এ ই, ইৰাণ, তুৰ্কিয়ে ভাৰতৰ কাষত থিয় দি সন্ত্ৰাসবাদক তীব্ৰ গৰিহণা দিয়ে। অৱশ্যে ইমামসকলৰ এই সিদ্ধান্ত কেনেদৰে কাৰ্যকৰী হ'ব সেই লৈ প্ৰশ্ন উত্থাপন হৈছে।

■ তৃতীয় পৃষ্ঠাৰ পৰা...

# অসম আন্দোলনৰ অগ্ৰণী নেতা নবীন

আকস্মিকভাৱে মৃত্যু হয়। পুৰা উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ ষ্ট্ৰোক হোৱাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক অইল ইণ্ডিয়া হাস্পতালত ভৰ্তি কৰাই যদিও অৱস্থা অত্যন্ত সংকটজনক হোৱাত চিকিৎসকে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ পৰামৰ্শ দিয়ে। কিন্তু চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসকে ইতিমধ্যে তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। নবীন শইকীয়া মৃত্যুৰ খবৰ দুলীয়াজানত বিয়পি পৰাৰ লগে লগে উৎকণ্ঠাৰ সৃষ্টি হোৱাৰ লগতে তেওঁৰ বাসগৃহলৈ অগণন লোকৰ সমাগম হয়। বিভিন্নজনে তেওঁৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ অন্তত সন্ধিয়া অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। প্ৰয়াত শইকীয়া অসম আন্দোলনৰ এজন সক্ৰিয় নেতা আছিল। অসম আন্দোলনৰ ভৰপক সময়ছোৱাত তেওঁ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি অঞ্চলটোৰ গাঁৱে-ভুঞে জনসাধাৰণক ৰাজপথলৈ উলিয়াই আনি আন্দোলনৰ গতিক তীব্ৰতা প্ৰদান কৰিছিল। প্ৰচাৰবিমুখ ব্যক্তিজন প্ৰকৃতাৰ্থত এজন জননেতা আছিল বুলি সকলোৱে মন্তব্য কৰিছে। পৰৱৰ্তী সময়ত তেওঁ অটল বিহাৰী বাজপেয়ীৰ ব্যক্তিত্বৰ প্ৰতি অনুপ্ৰাণিত হৈ শইকীয়াই ১৯৯৭ চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে আৰু কংগ্ৰেছৰ জয়জয়-ময়ময় দিনতে ২০২১ চনত প্ৰথমবাৰৰ বাবে দুলীয়াজান বিধান সভা সমষ্টি বিজেপিৰ দখললৈ অনাত অন্যতম ভূমিকা পালন কৰে। ছাত্ৰ ৰাজনীতিৰ পৰা বিজেপিত যোগদান কৰাৰ সন্দৰ্ভত বৰ্তমান বিজেপিৰ শীৰ্ষনেতা ৰামেশ্বৰ তেলীক প্ৰথম প্ৰস্তাৱ দিয়া ব্যক্তিজন প্ৰয়াত নবীন শইকীয়া আছিল বুলি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজহুৱাভাৱে প্ৰকাশ কৰিছে। এগৰাকী সৰবৰহী ব্যক্তিৰ লগতে, ৰঙাগড়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি, টেঙাখাট মণ্ডল বিজেপিৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি, ভাদৈ আঞ্চলিক অখণ্ড ভাগৱত পাঠ সমিতিৰ প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি আৰু বৰ্তমানৰ সঞ্চালনা সমিতিৰ অন্যতম সঞ্চালক, ২ নং ৰঙাগড়া নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আদি অঞ্চলটোৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে তেওঁ জড়িত আছিল। সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজানৰ সহকাৰী সম্পাদক তথা দুলীয়াজানৰ সাংবাদিক মাধুৰ্য শইকীয়া আৰু প্ৰতিদিন টাইমছৰ গুৱাহাটীস্থিত সাংবাদিক যদুমণি শইকীয়াৰ পিতৃ নবীন শইকীয়াৰ বিয়োগত সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজান প্ৰেছ ক্লাব, ভাদৈ আঞ্চলিক অখণ্ড ভাগৱত পাঠ সমিতি, তাই আহোম ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ তথা স্হানীয় দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত শইকীয়াই সহধৰ্মিণীসহ দুই পুত্ৰ-বোৱাৰী আৰু জী-জোৱাঁইসহ নাতি-নাতিনী আৰু অসংখ্য আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

■ তৃতীয় পৃষ্ঠাৰ পৰা...

# আধাৰ কাৰ্ডক লৈ বিশেষ ঘোষণা

আৰম্ভ হৈছে অভিযান। গুজৰাটৰ আহমেদাবাদ আৰু চুৰাট চহৰত পৃথক পৃথকে চলোৱা অভিযানত মহিলা আৰু শিশুসহ ১,০০০ তকৈও অধিক অবৈধ বাংলাদেশী প্ৰব্ৰজনকাৰীক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্যখনৰ গৃহমন্ত্ৰী হৰ্ষ সংঘৱীৰ নিৰ্দেশত আৰম্ভ কৰা এই অভিযানৰ উদ্দেশ্য আছিল ৰাজ্যখনত অবৈধভাৱে বাস কৰা বাংলাদেশৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা। আহমেদাবাদ আৰক্ষীয়ে প্ৰায় ৮৯০ জন বাংলাদেশীক গ্ৰেপ্তাৰ কৰে। আনহাতে চুৰাট আৰক্ষী বাহিনীয়ে ১৩৪ জনৰো অধিক লোকক গ্ৰেপ্তাৰ কৰিছে। গুজৰাটত এনে অভিযান চলাৰ পিছতে অসমতো এনে অভিযান চলিব বুলি জানিব পৰা গৈছে। গুজৰাটত প্ৰায় এহাজাৰ অবৈধ নাগৰিকক জালত পেলাবলৈ সক্ষম হোৱাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমত এনে অভিযান চলোৱাৰ ইংগিত দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কয় যে অহা দুই-চাৰি দিনত অসমত আমি আৰু এটা ডাঙৰ অভিযান আৰম্ভ কৰিম। এনআৰচিত আবেদন নকৰাকৈ কিমান মানুহে আধাৰ কাৰ্ড লৈ বহি আছে। আৰু এটা পৰ্যায়লৈ আমি গৈ আছো আৰু তাৰ বিষয়ে দুই-তিনি দিনত সংবাদমেল সম্বোধন কৰিম। একচন প্লেন প্ৰস্তুত কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা কিছু বছৰত অসমত যিমান অবৈধ মানুহ সোমাইছে তাকো আমি উলিয়াই পঠিওৱাৰ বাবে পৰৱৰ্তী একচন প্লেন এটা আমি প্ৰস্তুত কৰিছো। বহু মানুহে এনআৰচিত আবেদন কৰা নাছিল আৰু এতিয়া অসমত আধাৰ কাৰ্ড লৈছে। এতিয়া বন্ধ কৰি দিয়া হৈছে যদিও ইয়াৰ আগতে লোৱাসকলৰ ওপৰত আমি ব্যৱস্থা ল'বলৈ গৈ আছো।

■ তৃতীয় পৃষ্ঠাৰ পৰা...

# অখিল গগৈৰ বিৰুদ্ধে নিৰ্বাচন আয়োগলৈ

ৰাজ্যিক বিজেপিয়ে অসম ৰাজ্যিক নিৰ্বাচন আয়োগক পত্ৰ যোগে অভিযোগ দাখিল কৰি কয় যে শিৱসাগৰৰ দৰে ঐতিহ্যমণ্ডিত সমষ্টি এটাক প্ৰতিনিধিত্ব কৰা অখিল গগৈয়ে ভাৰতীয় জনতা পাৰ্টিক কোনো মুছলমান মানুহে ভোট দিব নালাগে আদি শ্ৰুতিকটু শব্দৰে যি সাম্প্ৰদায়িক মন্তব্য কৰিছে সেয়া তেওঁৰ দ্বাৰা অসমৰ শান্তিপূৰ্ণ পৰিস্থিতিত ব্যাঘাত জন্মোৱাৰ আন এক নিকৃষ্ট প্ৰয়াস। এটা নিৰ্দিষ্ট ধৰ্মৰ মানুহক সনাতনীৰ বিৰুদ্ধে যুঁজাৰ বাবে আৰু সনাতনী সভ্যতাক তুচ্ছ-তাচ্ছিল্য কৰাৰ বাবে অখিল গগৈয়ে যি অতি সাম্প্ৰদায়িক মন্তব্য কৰিছে তাৰ বিৰুদ্ধে বিজেপিৰ ৰাজ্যিক সভাপতিৰ নিৰ্দেশত নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰা হৈছে। অখিল গগৈৰ এই মন্তব্য সমাজক বিভাজিত কৰি সাম্প্ৰদায়িক উত্তেজনা বিয়পাই সমাজত সংঘৰ্ষ লগোৱাৰ অপচেষ্টা। এই বক্তব্য কেৱল অখিল গগৈৰ বক্তব্য নহয়, এয়া ইণ্ডিয়া এলায়েন্সৰ বক্তব্য। অখিল গগৈক অনাগত দিনত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত বাৰণ কৰিবৰ বাবে দাবী জনাইছে অসম ৰাজ্যিক বিজেপিয়ে।

■ তৃতীয় পৃষ্ঠাৰ পৰা...

# চছলত ড্ৰাগছ আসক্ত যুৱকৰ

টাৱাৰ এপাৰ্টমেণ্টত সন্ত্ৰাস সৃষ্টি কৰি বহু সা-সামগ্ৰী অনিষ্ট কৰে। সন্ত্ৰাস চলাই বিভিন্ন সামগ্ৰী ভাঙি পেলায়। আৰক্ষী ঘটনাস্থলীত উপস্থিত নোহোৱা পৰ্যন্ত আৱাসীসকলৰ ওপৰত সন্ত্ৰাস চলাই গৈছিল উদণ্ড যুৱকৰ দলটোৱে। আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু ঘটনা সংঘটিত কৰা যুৱক আদ্ৰী ডেকা, চালক নুৰুদ্দিন আলীক দিছপুৰ আৰক্ষীৰ হাতত গতাই দিয়ে ৰাইজে। আন এজন অচিনাক্ত যুৱকক পলাই যাবলৈ সক্ষম হয়। জানিব পৰা মতে, প্ৰিয়া টাৱাৰৰ ৭ নং ফ্লেটত থাকে আদ্ৰী ডেকা। আদ্ৰী ডেকাৰ সৈতে বন্ধু ফুকন বড়ো, পূজা শইকীয়া নামৰ যুৱতী আৰু গাড়ীৰ চালকৰ নুৰুদ্দিন আলী ফ্লেটত আছিল। ফ্লেটত ড্ৰাগছ সেৱন কৰিছিল উদণ্ড যুৱক-যুৱতীৰ দলটোৱে। প্ৰায়ে ড্ৰাগছ সেৱন কৰি তাণ্ডৱ চলাইছিল। চিঞৰ-বাখৰ কৰি অশান্তি কৰিছিল। প্ৰচণ্ড শব্দ আৰু অশ্লীল ভাষাৰে শান্তি বিঘ্নিত কৰিছিল। কালি নিশা অতপালি আৰম্ভ কৰাত দিছপুৰ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে বন্ধ কোঠাটোত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাত প্ৰতিৰোধৰ সন্মুখীন হৈছিল। কিন্তু চালক নুৰুদ্দিন আলীকে ধৰি কেইবাজনো সন্দেহজনক যুৱকক আটক কৰিবলৈ সক্ষম হয়। এনএল-০১-বি-০২০০, এএছ-০১-ইএল-২৬২২ নম্বৰৰ দুখন গাড়ী উদ্ধাৰ কৰা হয়। লগতে আৰক্ষীয়ে চাৰিখন বিলাসী গাড়ীৰ চাবি, এটা পুতলা পিষ্টল, সাতটা মোবাইল ফোন, এটা লেপটপ আৰু ড্ৰাগছ বুলি সন্দেহ কৰা টেবলেটকে ধৰি বিভিন্ন আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে।

■ তৃতীয় পৃষ্ঠাৰ পৰা...

# টিপুক গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ড সদস্য

কাকত-বাৰ্তালোচনীত প্ৰায় এটা দশকজুৰি সংবাদ সেৱা আগবঢ়াইছিল। অসমৰ বিভিন্ন কাকত-আলোচনী আদিত বিভিন্ন সময়ত তেওঁৰ ভিন্নধৰ্মী লেখাও প্ৰকাশিত হৈ আহিছে। বৃহত্তৰ ৰূপাই চাইডিং অঞ্চলৰ অগ্ৰণী ক্ৰীড়া-সাংস্কৃতিক তথা সামাজিক অনুষ্ঠান "ঐক্যম" ৰ অন্যতম প্ৰতিষ্ঠাপক পল্লৱ কুমাৰ দত্তই সম্প্ৰতি উক্ত অনুষ্ঠানটোৰ সভাপতিৰ দায়িত্ব পালন কৰি আছে। জীৱিকাৰ তাড়নাত আজিৰ পৰা প্ৰায় দুটা দশক পূৰ্বৰে পৰাই নিজৰববীয়াকৈ এখন অ'টোৰিক্সা যোগাৰ কৰি ৰূপাই-ডুমডুমা পথত চলাই সুন্দৰকৈ পৰিয়াল পোহপাল দি অহা পল্লৱ কুমাৰ দত্তই বৰ্তমান "ৰূপাই-ডুমডুমা-হাঁহচ'ৰা অ'টোৰিক্সা সন্থা"ৰ সম্পাদক হিচাপে একেৰাহে প্ৰায় দহ বছৰ কাৰ্যনিৰ্বাহ কৰি আহিছে। ইয়াৰ সমান্তৰালকৈ সদৌ অসম গাড়ী চালক সন্থাৰ সৈতেও জড়িত পল্লৱ কুমাৰ দত্ত অমায়িক, নিকা ভাবমূৰ্তিৰ বাবেও অঞ্চলটোত সুপৰিচিত। সাংস্কৃতিক আৰু শিল্পী মনৰ ব্যক্তি পল্লৱ কুমাৰ দত্ত এগৰাকী সুবক্তা আৰু ভাল ঘোষকো। কবি হিচাপেও পৰিচিত পল্লৱ কুমাৰ দত্তই উন্নয়নৰ বহল দৃষ্টিভংগীৰে ৰাইজক যথাসাধ্য সেৱা কৰাৰ মানসিকতাৰে সচেতন ৰাইজৰ অভিভাৱকত্ব তথা সক্ৰিয় সহযোগিতাত ৰাইজৰ মনোনীত প্ৰাৰ্থীৰূপে "উদিত সূৰ্য" ৰ প্ৰতীক চিহ্নত প্ৰতিদ্বন্দ্বিতা কৰিছে। মুঠ ৭৮৭ গৰাকী ভোটাৰযুক্ত টিপুক গাঁও পঞ্চায়তৰ আটাইতকৈ চৰ্চিত প্ৰাৰ্থী হিচাপে পৰিগণিত হোৱা পল্লৱ কুমাৰ দত্তৰ সন্মুখত প্ৰতিদ্বন্দ্বী হিচাপে আছে ৱাৰ্ডটোৰ পূৰ্বৰ শাসকীয় পক্ষৰ সদস্যগৰাকী, যিগৰাকীৰ বিৰুদ্ধে আছে যথেষ্ট ক্ষোভ আৰু অসন্তুষ্টি। ৱাৰ্ডটোৰ ৱাৰ্ড সদস্য পদৰ প্ৰাৰ্থী পল্লৱ কুমাৰ দত্তই আশা প্ৰকাশ কৰিছে, টিপুক গাঁও পঞ্চায়ত এলেকাৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত ৰাইজে নিজৰ পছন্দ আৰু বিবেক অনুসৰি গণতান্ত্ৰিকভাৱে ভোটাধিকাৰ সাব্যস্ত কৰাৰ লগতে এখন নিকা, সুস্থ-সবল পঞ্চায়তীৰাজ গঠনৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব।

# হাতীচোং সঞ্জীৱনী সংস্কৃত টোলত দেৱদামোদৰ দেৱৰ তিৰোভাৱ তিথিৰ আয়োজন

**নগাঁও, ২৭ এপ্ৰিলঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাটৰ ক্ষেত্ৰীগাঁৱত অৱস্থিত হাতীচোং সঞ্জীৱনী সংস্কৃত টোল প্ৰাঙ্গণত মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ নগাঁও জিলা সমিতিৰ উদ্যোগত কাইলৈ অৰ্থাৎ ২৮ এপ্ৰিলত মহাপুৰুষ শ্ৰীশ্ৰীদেৱদামোদৰ দেৱৰ ৪২৭ তম তিৰোভাৱ তিথিভাগ বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শ্ৰীমৎ দেৱদামোদৰ সংঘৰ নগাঁও জিলা সমিতিৰ সংঘাধিকাৰ ত্ৰৈলোক্য ভট্টাচাৰ্য, উপ সংঘাধিকাৰ অৰুণী শৰ্মা, সংঘাধিকৰ্তা ৰাজু গোস্বামী আৰু সহকাৰী সংঘাধিকৰ্তা সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, এই উপলক্ষে কাইলৈৰ কাৰ্যসূচীসমূহৰ ভিতৰত আছে প্ৰভাত ফেৰী, ধৰ্ম ধ্বজা উত্তোলন, বন্তি প্ৰজ্বলন, গছ পুলি ৰোপণ, নাম প্ৰসংগ, হোম যজ্ঞ আৰু আলোচনা চক্ৰ আদি। কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা উদ্যোক্তাসকলে বিচাৰিছে।

# বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ আলোচনা-চক্ৰ

**ই-সংবাদ, বাঁহজানী, ২৭ এপ্ৰিলঃ** বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত অৰৰা-জয়পালথান শাখা ছাত্ৰ সন্থাৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে দেওবাৰে অৰৰা গাঁওসভাৰ কাৰ্যালয়ত বাঁহজানী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰাহুল বৰ্মনৰ সভাপতিত্বত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়, লগতে আগন্তুক কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰা হয়। সভাত আগন্তুক সময়ত জিলাভিত্তিক এখন কুইজ প্ৰতিযোগিতা আৰু প্ৰতিভাসন্ধানী পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া তন্ময় কলিতা, সুমন বৰ্মন, বিৰাজ কলিতা আৰু গ্ৰীতম প্ৰয়াস কলিতাক হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে শুভেচ্ছা আৰু



অভিনন্দন জনোৱা হয়। আজিৰ সভাত অৰৰা-জয়পালথান শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া সঞ্জু বৰ্মনে সতীৰ্থসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আজিৰ সভাত শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া পল্লৱ বৰ্মন, সুৰজ মহন্ত, ধৃতিস্মান কলিতা আদি উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## অৰ্থনৈতিকভাৱে বিধ্বস্ত পাকিস্তানে দিছে যুদ্ধৰ ভাবুকি

# ভাৰতৰ দিশে পোনাই ৰখা হৈছে ১৩০ টা পাৰমাণৱিক ৱাৰহেড!

**নতুন দিল্লী, ২৭ এপ্ৰিল:** ভাৰতক পাৰমাণবিক বোমাৰে আক্ৰমণ কৰাৰ ভাবুকি প্ৰদান কৰিছে পাকিস্তানৰ ৰে'ল মন্ত্ৰী হানিফ আব্বাচিয়ে। পেহেলগামৰ ভয়াৱহ আক্ৰমণৰ পাছতে সন্ত্ৰাসবাদীক সাৰ-পানী দি ৰখা পাকিস্তানৰ বিৰুদ্ধে ভাৰতে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত সামৰিক শক্তি প্ৰদৰ্শনৰ নামত ভাবুকি ভৰা মন্তব্য কৰিবলৈ ধৰিছে অৰ্থনৈতিকভাৱে থৰক বৰক পাকিস্তানৰ ইজনৰ পাছত সিজন নেতাই। শেহতীয়াকৈ আব্বাচি নামৰ নেতাজনে দাবী কৰিছে যে পাকিস্তানৰ মিলিটেৰী আৰ্ছেনাল সাজু হৈ আছে আৰু নিউক্লিয়েৰ অস্ত্ৰসমূহ পৰিকল্পিতভাৱে ঠায়ে ঠায়ে স্থাপন কৰা হৈছে। এই সকলো অস্ত্ৰ ভাৰতৰ দিশে টোৱাই ৰখা বুলি স্পষ্টকৈ মন্তব্য কৰে আব্বাচিয়ে। তেওঁ লগতে কয় পাকিস্তানৰ অস্ত্ৰাগাৰ- ঘোৰী, শ্বাহিন আৰু গজনৱী মিছাইলৰ লগতে ১৩০ টা পাৰমাণৱিক ৱাৰহেড "কেৱল ভাৰতৰ বাবে" ৰখা হৈছে। যদি ভাৰতে সিন্ধু জল চুক্তি স্থগিত ৰাখি পাকিস্তানৰ পানী যোগান বন্ধ কৰিবলৈ সাহস কৰে, তেন্তে ভাৰত "সম্পূৰ্ণ যুদ্ধৰ বাবে প্ৰস্তুত" হোৱা উচিত বুলি ভাবুকি দিয়ে তেওঁ। ইয়াৰ পূৰ্বে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আছিফ আৰু পিপিপিৰ অধ্যক্ষ্য বিলাৱল ভূট্টোৱে ভাৰতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ ভাবুকি প্ৰদান কৰিছিল। আছিফে কেইদিনমান আগতে এক সাক্ষাৎকাৰত স্বীকাৰ কৰিছিল যে পাকিস্তানে যোৱা তিনি দশক ধৰি সন্ত্ৰাসবাদী গোটবোৰক সমৰ্থন আৰু প্ৰশিক্ষণ দি আহিছে, কিন্তু ইয়াৰ দোষ ব্ৰিটেইন, আমেৰিকা আদি পশ্চিমীয়া দেশসমূহৰ ওপৰত জাপি দিছিল। ইফালে শুকুৰবাৰে যুদ্ধবিৰতি উলংঘা কৰি এলঅ'চিত ধাৰাসাৰ গুলীবৰ্ষণ কৰিছিল পাকিস্তানী সেনাই। এনে পৰিস্থিতিৰ মাজতে আজি ভাৰতীয় নৌসেনাই আৰব সাগৰত এণ্টি শ্বিপ মিছাইল ফায়াৰিং প্ৰদৰ্শন কৰি নিজৰ স্থিতি জাহিৰ কৰে। ইফালে আজি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৈঠকত সুৰ সলনি কৰি পাকিস্তানে পেহেলগাম আক্ৰমণৰ তীব্ৰ নিন্দা কৰে।



সন্ত্ৰাসবাদী আক্ৰমণৰ বিভীষিকা সন্মুখত লৈ পেহেলগামলৈ প্ৰত্যাৱৰ্তন ভ্ৰমণ বিলাসীৰ, ফটো দেওৱাৰ



# অগ্নিকাণ্ডত জাহ গ'ল ইডি কাৰ্যালয়ৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ

**মুম্বাই, ২৭ এপ্ৰিল:** মুম্বাইস্থিত এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰেট (ইডি)ৰ কাৰ্যালয়ত আজি এক বিধ্বংসী অগ্নিকাণ্ড হয়। অগ্নিকাণ্ডৰ ফলত বহুতো গুৰুত্বপূৰ্ণ নথি-পত্ৰ ধ্বংস হোৱাৰ কথা বিষয়াসকলে প্ৰকাশ কৰিছে। মুম্বাইৰ বেলাৰ্ড ইষ্টেট এলেকাত অৱস্থিত কাইজাৰ-ই-হিন্দ ভৱনত জুইৰ সূত্ৰপাত হৈছিল। ঘটনাটোত কোনো লোক হতাহত হোৱা নাই। মুম্বাই অগ্নি নিৰ্বাপক বাহিনীৰ মুখ্য অগ্নি নিৰ্বাপক বিষয়া ৰবীন্দ্ৰ আম্ফুলকাৰে প্ৰকাশ কৰা মতে অগ্নিকাণ্ডটো যথেষ্ট ডাঙৰ আছিল আৰু প্ৰচণ্ড ধোঁৱাৰ বাবে জুই নুমুৱাবলৈ সময় লাগিছিল। বৰ্তমান পৰিস্থিতি সকলো ফালৰ পৰা নিয়ন্ত্ৰণলৈ অনা হৈছে বুলি তেওঁ সংবাদ মাধ্যমৰ আগত কয়।

# দুই দিনত ভাৰত নেৰিলে পাক নাগৰিকৰ হ'ব ৩ বছৰ জে'ল

**নতুন দিল্লী, ২৭ এপ্ৰিল:** পাকিস্তানী নাগৰিকে ভাৰত ত্যাগ কৰাৰ শেষ তাৰিখ ২৯এপ্ৰিল। নিৰ্ধাৰিত সময়ত ভাৰত ত্যাগ নকৰা পাকিস্তানীক ডাঙৰ মূল্য ভৰিবলগীয়া হ'ব। যদি কোনো পাকিস্তানী নাগৰিক সময়সীমাৰ পাছত ভাৰতত থাকে তেন্তে তেওঁক গ্ৰেপ্তাৰ কৰা হ'ব। তেওঁৰ ওপৰত মোকৰ্দমা চলিব আৰু তেওঁ তিনি বছৰ পৰ্যন্ত জে'লৰ শাস্তি বা তিনি লাখ টকাৰ জৰিমনা অথবা দুয়োটাৰ সন্মুখীন হ'ব পাৰে।পেহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ পাছত ভাৰত চৰকাৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰি সকলো পাকিস্তানীৰ ভিছা বাতিল কৰিছে। ২৪ এপ্ৰিলৰ পৰা এতিয়ালৈকে ৫৩১ জন পাকিস্তানীয়ে ভাৰত এৰি নিজৰ দেশলৈ উভতি গৈছে। আনহাতে, ৮৪৩ জন ভাৰতীয় নাগৰিক পাকিস্তানৰ পৰা ভাৰতলৈ উভতি আহিছে। শনিবাৰে ২৩৭ জন পাকিস্তানী নাগৰিক ভাৰতৰ পৰা পাকিস্তানলৈ উভতি যায় আৰু ১১৬ জন ভাৰতীয় নাগৰিক পাকিস্তানৰ পৰা ভাৰতলৈ উভতি আহে।

# ইণ্ডিগোৰ বিমানত বোমাতংক সৃষ্টি কৰা কানাডাৰ এজন নাগৰিকক গ্ৰেপ্তাৰ

**বাৰানসী, ২৭ এপ্ৰিল:** বাংগালুৰু অভিমুখী ইণ্ডিগো বিমানত বোমাতংক সৃষ্টি কৰি গ্ৰেপ্তাৰ হ'ল কানাডাৰ এজন নাগৰিক। শনিবাৰে নিশা উত্তৰপ্ৰদেশৰ বাৰানসীৰপৰা উৰা মাৰিবলগীয়া বিমানখত বোমা কঢ়িয়াই নিয়া বুলি দাবী কৰিছিল লোকজনে। তেওঁৰ এই দাবীৰ পাছতে বিমানখনৰ যাত্ৰীসকলৰ মাজত হৈ চৈ লাগে আৰু উৰণ বাতিল কৰিবলগীয়া হয়। বিমানখন তন্ন তন্নকৈ পৰীক্ষা কৰাৰ পাছত যাত্ৰীজনে বোমা কঢ়িওৱাৰ দাবী মিছা বুলি প্ৰমাণ কৰে ইণ্ডিগ' কৰ্তৃপক্ষই। পৰৱৰ্তীসময়ত কানাডাৰ নাগৰিকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধা-পোছাৰ বাবে জিম্মাত ৰাখে।

## গুজৰাটত ১,০২৪ জন অবৈধ বাংলাদেশীক আটক

**আহমেদাবাদ, ২৭ এপ্ৰিল:** শনিবাৰে গুজৰাট আৰক্ষী বাহিনীয়ে সামূহিকভাৱে নিশাটোৰ ভিতৰতে ১,০২৪ জন অবৈধ বাংলাদেশী নাগৰিকক আটক কৰে। আহমেদাবাদত কমেও ৮৯০ জন বাংলাদেশী আৰু চুৰাটত ১৩৪ জন বাংলাদেশীক আটক কৰি ৰখা হৈছে। গৃহমন্ত্ৰী হৰ্ষ সংঘবীয়ে এই সফলতাক গুজৰাট আৰক্ষীৰ সৰ্ববৃহৎ অভিযান বুলি অভিহিত কৰিছে ।

# এনচিইআৰটিৰ পাঠ্যক্ৰমত মোগলৰ ঠাইত মহাকুম্ভ

**নতুন দিল্লী, ২৭ এপ্ৰিল:** এনচিইৰটিৰ সপ্তম শ্ৰেণীৰ নতুন পাঠ্যক্ৰমৰপৰা মোগল আৰু দিল্লী সাম্ৰাজ্যৰ সকলো উল্লেখ আঁতৰাই দিয়া হৈছে। তাৰ পৰিৱৰ্তে, প্ৰাচীন ভাৰতীয় বংশ, ভূগোল, মহাকুম্ভ মেলা আৰু চৰকাৰী যোজনাসমূহ যেনে 'মেক ইন ইণ্ডিয়া' আৰু 'বেটি বাচাও, বেটি পঢ়াও'ৰ ওপৰত নতুন অধ্যায় সংযোজন কৰা হৈছে।



এই সপ্তাহত প্ৰকাশিত পাঠ্যপুথিসমূহ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম কাঠামো ২০২৩ৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা হৈছে। উল্লেখ্য যে, ২০২২-২৩ চনত কোভিড-১৯ৰ সময়ত হোৱা পাঠ্যক্ৰমৰ নবীকৰণত তোগলক, খিলজি, মামলুক, লোদী আৰু মোগল সাম্ৰাটৰ সাফল্যসমূহৰ প্ৰসংগ আঁতৰাই পেলোৱা হৈছিল।

## ভেৰুৱা স্বৰ্ণজ্যোতি সংঘৰ উদ্যোগত ৰঙালী বিহু

**ই-সংবাদ, দুনী, ২৭ এপ্ৰিলঃ** পশ্চিম দৰঙৰ দুনীৰ নিকটৱৰ্তী সামাজিক তথা স্বেচ্ছাসেৱী অনুষ্ঠান ভেৰুৱাৰ ভেৰুৱা স্বৰ্ণজ্যোতি সংঘই আয়োজন কৰিছে ৰঙালী বিহু উৎসৱ। বিগত কেইবৰ্ষৰ দৰে এইবেলি ২৬ ব'হাগত মুকলি বিহু আৰু সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছে ভেৰুৱা স্বৰ্ণজ্যোতি সংঘই। সংঘৰ বাকৰিত সেইদিনা পুৱা পৰিৱেশ নিকাকৰণ, সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন কাৰ্যসূচী অনুষ্ঠিত হ'ব। সমান্তৰালভাৱে গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। গছপুলি ৰোপণ কৰিব আদৰ্শ ব্যৱসায়ী ৰাজেন্দ্ৰ নাথ ডেকাই। সন্ধিয়া মুখ্য বন্তি প্ৰজ্বলন কৰিব ভেৰুৱা গাঁৱৰ গাঁও প্ৰধান তৰুণ চন্দ্ৰ দাসে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে। ইয়াৰ পিছতে মুকলি বিহুৰ শুভ উদ্বোধন কৰিব প্ৰাক্তন ৰাজহ মন্ত্ৰী ডঃ জয়নাথ শৰ্মাই। আমন্ত্ৰিত অতিথি হিচাপে ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, দৰং জিলা পৰিষদৰ প্ৰাক্তন সদস্য হেমন্ত কুমাৰ ডেকা, সমাজকৰ্মী কুলদীপ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক অনন্ত শৰ্মা, দিপীলা মৌজাৰ মৌজাদাৰ কাজল ডেকা, বুঢ়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনজিল বুঢ়াগোহাঁই, কৃষি সম্প্ৰসাৰণ সহায়ক প্ৰণৱ কুমাৰ নাথ, দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৰেশ চহৰীয়া, বিশিষ্ট ব্যৱসায়ী দেবেন ডেকা, যোগেন শৰ্মা, ৰূপালী দেৱী, কণিকা বৈশ্য, বিনীতা বৰুৱা, বিনিমা হক উপস্থিত থাকিব। অসমৰ বিভিন্ন প্ৰান্তৰ বিহু, হুঁচৰি দলে মুকলি বিহুত অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ সামাজিক মাধ্যমত খলকনি সৃষ্টি কৰা প্ৰতিভাশালী গায়ক খনিন হাজৰিকা আৰু কাকলি শিৰম। ভেৰুৱা স্বৰ্ণজ্যোতি সংঘৰ ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি দ্বীজেন ডেকা আৰু সম্পাদক দীপক ডেকাই ৰাইজৰ সহায়-সহযোগিতাৰ লগতে উপস্থিতি কামনা কৰিছে।

## চতিয়াত সাধাৰণ ৰাইজৰ নিদ্ৰাহৰণ কৰা সাতটা গৰু চোৰ গ্ৰেপ্তাৰ

**ই-সংবাদ, চতিয়া, ২৭ এপ্ৰিলঃ** বিশ্বনাথ জিলাৰ চতিয়া অঞ্চলত গৰু চোৰে ধাৰাবাহিকভাৱে সন্ত্ৰাস চলাই বহু দুখীয়া কৃষকক সৰ্বস্বান্ত কৰি আহিছে। যোৱা ২৫ এপ্ৰিলৰ নিশা চতিয়াৰ খনাগুৰি গাঁৱৰ তিনিজন দুখীয়া কৃষকৰ গোহালিৰ পৰা সাতটাকৈ গৰু চুৰি কৰি নিয়াৰ পিছতেই ভুক্তভোগী ৰাইজ আৰক্ষীৰ ভূমিকাক লৈ সোচ্চাৰ হৈ পৰাত কালি চতিয়া আৰক্ষী থানাত বাহৰ পাতে বিশ্বনাথ আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই। বিশ্বনাথ আৰক্ষীৰ নেতৃত্বত কালি গৰু চোৰৰ বিৰুদ্ধে অভিযান চলোৱা হয়। এই অভিযান কালত আৰক্ষীয়ে সদাইবৰাৰ মহিবুৰ চৰকাৰ, ডিপলোঙাৰ নুৰুল হক, ভুঞাপাৰাৰ আনোৱাৰ হুছেইন, টংগীয়াৰ মহেশ খোদাল, বলোৱাম মাঝি, ঘাঁহি গাঁৱৰ ছহিফুল ইছলাম, মেহবুব আলী নামৰ সাতোটাকৈ গৰু চোৰক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গৰু চোৰকেইটাৰ পৰা দুটাকৈ চুৰি গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

## নিহতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন, বন্তি প্ৰজ্বলন লাহৰীঘাটত

# পেহেলগামৰ নিৰ্মম হত্যাকাণ্ডক গৰিহনা আমছুৰ

**ই-সংবাদ, লাহৰীঘাট, ২৭ এপ্ৰিলঃ** যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত ইছলামীক সন্ত্ৰাসবাদীয়ে মানৱতাক ভূ-লুণ্ঠিত কৰি ২৮ গৰাকী পৰ্যটকক গুলীয়াই নিৰ্মমভাৱে হত্যা কৰা জঘন্য হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিছে মৰিগাঁও জিলাৰ আমছুৱে। উক্ত ঘটনাক লৈ সমগ্ৰ দেশ আজি শোকত ম্ৰিয়মান। সন্ত্ৰাসবাদীৰ নিষ্ঠুৰ আক্ৰমণৰ ফলত প্ৰাণ হেৰুৱা নিৰীহ লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বুধবাৰে সন্ধিয়া মৰিগাঁও জিলা আমছুৰ উদ্যোগত তথা লাহৰীঘাট আঞ্চলিক সমিতিৰ সহযোগত লাহৰীঘাট বজাৰৰ মাজমজিয়াত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ত্ৰাসবাদ নিপাত যাওক, বিভেদকামী শক্তি নাশ হওক শ্ল'গান দিয়াৰ লগতে ঘটনা সন্দৰ্ভত ভাৰত চৰকাৰক দোষীক উচিত শাস্তি বিহিবলৈ আহ্বান জনায় সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি অধিবক্তা হাৰুন অল ৰশ্বিদে। উক্ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মৰিগাঁও জিলা সমিতি আৰু আঞ্চলিক সমিতিৰ কৰ্মকৰ্তাৰ লগতে স্থানীয় ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোক প্ৰকাশ কৰে।

# নগাঁও হাইস্কুলৰ নৱাগত আদৰণী সভা, ৰঙালী বিহু উদযাপন

**ই-সংবাদ, দুনী, ২৭ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণী সভাখন শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি ৰঙালী বিহুও উদযাপন কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি তথা শিক্ষক নন্দেশ্বৰ বৰুৱাৰ সঞ্চালনাত সম্পন্ন হোৱা সভাত ২০২৫-২৬ বৰ্ষৰ বাবে নামভৰ্তি কৰা সত্তৰগৰাকী নৱাগত ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যেককে একোটাকৈ ফুলৰ থোপা আৰু কলমেৰে আদৰণি জনোৱা হয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় জ্যোতি বৰুৱাই আঁত ধৰা আৰু সংগীত শিক্ষক প্ৰতাপ ডেকাৰ পৰিচালনাত একাংশ ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভণী গীত পৰিৱেশন কৰাৰ পাছতে সভাত নৱাগতসকলে বিহুগীত, বিহুনৃত্য, লোকগীত, আধুনিক নৃত্য-গীত, বক্তৃতা, যোগাসন আদি প্ৰদৰ্শন কৰে। নৱাগত স্বাজিদ আলমৰ দ্বাৰা অংকিত মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবি বিদ্যালয়লৈ আগবঢ়াই ভূয়সী প্ৰশংসা লাভ কৰে ছাত্ৰজনে। সভাত পুৰণি ছাত্ৰ-ছাত্ৰীসকলে নৱাগতসকলৰ প্ৰতি শুভেচ্ছামূলক বক্তব্য আগবঢ়োৱাৰ বিপৰীতে নৱাগতসকলে শিক্ষক-কৰ্মচাৰী আৰু পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আশীৰ্বাদ আৰু শুভেচ্ছা গ্ৰহণ কৰে। ইয়াৰ পাছতে শিক্ষক মহাদেৱ বৰুৱাৰ পৰিচালনাত উদযাপন কৰা ৰঙালী বিহুত ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলে বিহু-নৃত্য-গীত, ঢোলবাদন, মেণ্ডোলিন বাদন, বাদ্য সংগীত আদি পৰিৱেশন কৰি অনুষ্ঠান ৰসাল আৰু মনোগ্ৰাহী কৰি তোলে। উল্লেখ্য যে, শিক্ষয়িত্ৰী তথা এগৰাকী কণ্ঠশিল্পী অনামিকা শইকীয়া আৰু হিমানী বৈশ্য পৰ্যবেক্ষক হিচাপে উপস্থিত থকা অনুষ্ঠানত বিচাৰকৰ তুলাচনীত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী কাব্যশ্ৰী বৰুৱাই শ্ৰেষ্ঠ নৱাগতাৰ সন্মান লাভ কৰাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী মেঘালী কলিতা দ্বিতীয় আৰু ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ প্ৰাচুৰ্য বৰুৱা আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ ছাজিদ আলমে যুটীয়াভাৱে তৃতীয় শ্ৰেষ্ঠ নৱাগতাৰ সন্মান লাভ কৰে। একাংশ অভিভাৱক আৰু বিদ্যালয়ৰ হিতাকাংক্ষী উপস্থিত থকা সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক ত্ৰৈলোক্য বৰুৱাই অনুষ্ঠানৰ সফল সামৰণিৰ বাবে উদ্যোক্তা, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰে।

# বৰপেটাৰোড ৰে'ল ষ্টেচনত অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৭ এপ্ৰিলঃ** নামনি অসমৰ বাণিজ্যিক নগৰী বৰপেটাৰোড ৰে'ল ষ্টেচনৰ এক নম্বৰ প্লেটফৰ্মত যোৱা নিশা ২.৩০ বজাত এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ কৰা হয়। বৰপেটাৰোড-সৰুপেটা ৰে'ল ষ্টেচনৰ মাজত বৰপেটাৰোড ৰে'লৱে আৰক্ষীয়ে উদ্ধাৰ কৰে মৃতদেহটো। আৰক্ষী সূত্ৰে জানিব পৰা মতে, মৃত লোকজন ৰে'লৰ খুন্দাৰত মৃত্যু হয় ব্যক্তিগৰাকীৰ। মৃতদেহটো এতিয়াও চিনাক্ত হোৱা নাই। মৃত ব্যক্তিগৰাকীৰ বয়স আনুমানিক ৫০ বছৰ হ'ব বুলি আৰক্ষীয়ে জনায়। মৃত ব্যক্তিগৰাকীৰ পিন্ধনত ক'লা ৰঙৰ টি চাৰ্ট আৰু কলা পেণ্ট আছিল। বৰ্তমান মৃতদেহটো বৰপেটা মেডিকেল কলেজত মৰণোত্তৰ পৰীক্ষা কৰি ৰে'লৱে আৰক্ষীৰ (জিআৰপি) মৰ্গত ৰখা হৈছে। মৃত ব্যক্তিগৰাকীৰ বাতৰি লিখালৈকে পৰিচয় উদ্ধাৰ হোৱা নাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰঙিয়াত পৰমাৰ্থৰ উদ্যোগত বাঁহ-বেতৰ সঁজুলি নিৰ্মাণৰ বিশেষ প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**ই-সংবাদ, ৰঙিয়া, ২৭ এপ্ৰিলঃ** স্বেচ্ছাসেৱী সংস্থা 'পৰমাৰ্থ'ৰ উদ্যোগত ৰঙিয়াৰ তৰণীত অনুষ্ঠিত এমহীয়া বাঁহ-বেতৰ সঁজুলি নিৰ্মাণৰ বিশেষ প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। কৃষ্ণগুৰু আধ্যাত্মিক যুৱ সমাজ, বৈদ্যগড় চক্ৰৰ সহযোগত ১ এপ্ৰিলৰ পৰা তৰণীস্থিত কৃষ্ণগুৰু শাখা সেৱাশ্ৰম প্ৰাংগণত অনুষ্ঠিত কৰ্মশালাত অঞ্চলটোৰ অৰ্ধশতাধিক লোকে অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানৰ প্ৰাক্কণত উদ্দেশ্য ব্যাখ্যা কৰি প্লাষ্টিক জাতীয় সঁজুলিৰ বহুল প্ৰচলনৰ সময়তে বাঁহ-বেতৰ সঁজুলিৰ ব্যৱহাৰৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে উক্ত পদক্ষেপ গ্ৰহণ কৰা বুলি সদৰী কৰে সম্পাদক বিশ্বজিৎ কাকতীয়ে। আনহাতে, সামৰণি অনুষ্ঠানত প্ৰশিক্ষক সঞ্জয় বসুমতাৰীয়ে ভাষণ প্ৰসংগত বেচৰকাৰী সংস্থা পৰমাৰ্থৰ উদ্যোগৰ শলাগ লৈ কয় যে অসমীয়া লোক সংস্কৃতিৰ পথাৰত বাঁহ শিল্পৰ গুৰুত্ব আজিও বিৰাজমান। নৱ প্ৰজন্মক বাঁহ শিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উদ্বুদ্ধ কৰাৰ বাবে এনে ধৰণৰ কৰ্মশালাৰ গুৰুত্ব অপৰিসীম বুলিও ভাষণ প্ৰসংগত দোহাৰে প্ৰশিক্ষকগৰাকীয়ে। সামৰণিত প্ৰশিক্ষণ শিবিৰটোৰ সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সদৌটিৰে শলাগ লয় সম্পাদক বিশ্বজিৎ কাকতীয়ে।

# নলবাৰীত মাৰোৱাৰী সন্মিলনৰ পেহেলগামৰ ঘটনাৰ প্ৰতিবাদ

ই-সংবাদ, নলবাৰী, ২৭ এপ্ৰিলঃ পেহালগামত পাকিস্তান সমৰ্থনপুষ্ট সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত নিহত ভাৰতীয় পৰ্যটকসকলৰ আত্মাৰ সদগতিৰ কামনা কৰি নলবাৰীত এক বন্তি প্ৰজ্বলন কাৰ্যসূচী পালন কৰা হয়। নলবাৰীৰ এন টি ৰোডৰ আই ডি বি আই বেংকৰ ওচৰত এই বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাৰোৱাৰী সন্মিলনৰ সভাপতি সুনীল কুমাৰ শৰ্মা আৰু সম্পাদক দীপক বজাজৰ দ্বাৰা সঞ্চালিত কাৰ্যসূচীত জ্যেষ্ঠ সাংবাদিক, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মাই বক্তব্য ৰাখে আৰু এই ঘটনাৰ ওপৰত এটি স্বৰচিত 'বিপ্লৱ' নামৰ কবিতা পাঠ কৰে। জ্যেষ্ঠ সাংবাদিক বজৰংগ আগৰৱালা, মাৰোৱাৰী সন্মিলনৰ সভাপতি সুনীল শৰ্মাই চমু প্ৰতিবাদী বক্তব্য ৰাখে।কাৰ্যসূচীত উপস্থিত থাকে শ্যাম সুন্দৰ বাজাজ, সন্তোষ ভাৰতীয়া, ৰাজকুমাৰ আগৰৱালা, অজিৎ জৈন, নৰেন্দ্ৰ জৈন, সঞ্জয় সিংহানীয়া, দীপক আগৰৱালা, জ্যেষ্ঠ নাগৰিক ৰামেশ্বৰ সিংহানিয়া, পদুম জৈন, চন্দ্ৰ প্ৰকাশ টাতেৰ, প্ৰদীপ জৈন, প্ৰিয়া জৈন, ৰাহুল জালান আদিকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি।

# গোলকগঞ্জত ধুমুহাত বিধ্বস্ত বিহু-বেষমা

**ই-সংবাদ, গোলকগঞ্জ, ২৭ এপ্ৰিলঃ** গোলকগঞ্জ সমজিলাত যোৱা নিশা অহা এজাক ধুমুহা-বৰষুণে কেইবাখনো বিহু, বেষমা অনুষ্ঠানকে ধৰি বৃহত্তৰ অঞ্চলটোত বিস্তৰ ক্ষতিসাধন কৰে। জানিব পৰা মতে, ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত ৫৬ সংখ্যক ৰাজহুৱা ৰঙালী বিহুৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ ৰাজবংশী মাঞ্চয়ো নৃত্যৰ পিছতে বিহু মইনা প্ৰতিযোগিতা চলি থকাৰ সময়তে প্ৰচণ্ড ধুমুহা-বৰষুণ আহে। উপায়ন্তৰ হৈ দৰ্শক, প্ৰতিযোগী, আয়োজক সকলোৱে গৈ সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যাপীঠত আশ্ৰয় লয়। ধুমুহাই বিহুৰ মণ্ডপ, মঞ্চৰ চাল উৰুৱাই নিয়ে। ফলত ক্ষতিসাধন হয় লাইট মাইক আদিৰ। কালি অনুষ্ঠান বাতিল হোৱাত আজি পুনৰ দুপৰীয়াৰ পৰা বিহু মইনা, বিহু কুঁৱৰী আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ইণ্ডিয়ান আইডল খ্যাত হৰ্ষিতা মেধি, হৃদৰোগ বিশেষজ্ঞ চিকিৎসক তথা বিশিষ্ট শিল্পী ডাঃ চন্দন মোদক আদিয়ে গীতৰ শৰাই আগবঢ়ায়। একেদৰে যোৱা নিশাৰ কাল ধুমুহাই হালাকুৰা ৰাজহুৱা ৰঙালী বিহুৰ পেণ্ডেলো উৰুৱাই নিয়ে। সকলো ভাঙি ধ্বংস স্তূপত পৰিণত হয়। আনহাতে, কালি অবিভক্ত গোৱালপাৰা জিলা আক্ৰাছুৰ ধুবুৰী জিলাৰ উদ্যোগত গোলকগঞ্জৰ জগমোহন বিদ্যাপীঠত অনুষ্ঠিত বেষমা উৎসৱৰ বৰষুণৰ বাবে কাৰ্যসূচী বাতিল কৰিবলগীয়া হয়।

# কামৰূপৰ ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰত যন্ত্ৰচালিত নাৱৰে গৰু চুৰি

**ই-সংবাদ, শুৱালকুছি, ২৭ এপ্ৰিলঃ** ৰাজ্যত অব্যাহত আছে গৰু চোৰৰ দৌৰাত্ম্য। প্ৰতিদিনে ন ন কায়দাৰে গৰু চুৰি কৰি আহিছে গৰু চোৰে। যোৱা ২৪ এপ্ৰিলত কামৰূপৰ শুৱালকুছি নদী আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰৰ বাথান পামৰ গোহালিৰ পৰা চুৰি হৈছিল এজন কৃষকৰ এটা বলদ গৰুসহ ৫ টাকৈ গাই গৰু। গৰু চুৰি সন্দৰ্ভত কৃষকজনে শুৱালকুছি নদী আৰক্ষী থানাত এজাহাৰ দিয়ে। এজাহাৰ দাখিলৰ পিছতেই শুৱালকুছি নদী আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সোণজ্যেতি শৰ্মাৰ নেতৃত্বত ব্ৰহ্মপুত্ৰৰ চৰ চাপৰিত গৰু চোৰৰ বিৰুদ্ধে তীব্ৰ অভিযান চলায়। পিছত এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত নলবাৰীৰ ব্ৰহ্মপুত্ৰৰ ভাঙনমাৰী চৰত গৰুকেইটা উদ্ধাৰ কৰাৰ লগতে গৰু চোৰ ইনতাজুল হকক আটক কৰিবলৈ সক্ষম হয়। গৰু চোৰ ইনতাজুল হকৰ ঘৰনলবাৰীৰ ১ নং ছাপ্ৰাপাৰাৰ ভাঙনামাৰী চৰত। আৰক্ষীয়ে গৰু চুৰি ঘটনাৰ ৪৮ ঘণ্টা নৌহওঁতেই চুৰি গৰু উদ্ধাৰ তথা গৰু চোৰক আটক কৰিবলৈ সক্ষম হোৱাত স্থানীয় ৰাইজে আৰক্ষীৰ ভূয়সী প্ৰশংসা কৰে। আনহাতে, আৰক্ষীয়ে গৰু চোৰক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে, কামৰূপৰ ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰত প্ৰায়েই সংঘটিত হৈ আহিছে গৰু চুৰিৰ ঘটনা। স্থানীয় কৃষক ৰাইজে ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চৰত গৰু পালন তথা খেতি কৰি আহিছে। এই চৰ অঞ্চলৰ পৰাই চোৰে যন্ত্ৰচালিত নাৱেৰে আহি ব্ৰহ্মপুত্ৰৰ চাপৰিত থকা কৃষকসকলৰ গৰু চুৰি কৰি আহিছে বুলি স্থানীয় কৃষক ৰাইজে জানিবলৈ দিয়ে।

# ভৱানীপুৰ উচ্চ মাধ্যমিক বালিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰী সমাৰোহ

**ই-সংবাদ, ভৱানীপুৰ, ২৭ এপ্ৰিলঃ** ভৱানীপুৰ উচ্চ মাধ্যমিক বালিক বিদ্যালয় প্ৰাংগণত আজি বিদ্যালয়খনত আগন্তুক হীৰক জয়ন্তী উদযাপনৰ স'তে সংগতি ৰাখি প্ৰাক্তন ছাত্ৰী সমাৰোহৰ আয়োজন কৰা হয়। সমাৰোহৰ কাৰ্যসূচী অনুসতি পুৱাৰ ভাগত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰণ্টু কুমাৰ দাসে। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে হীৰক জয়ন্তী উদযাপন সমিতিৰ সম্পাদক খনীন্দ্ৰ পাটোৱাৰীয়ে আৰু বন্তি প্ৰজ্বলন কৰে হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি বাবুল ডেকাই। দিনৰ ১১ বজাত বঙাইগাঁও ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী গীতা দেৱীৰ সভাপতিত্ব অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰী সমাৰোহ। সমাৰোহৰ উদ্দেশ্য ব্যাখ্যা কৰে ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী তৰালী দাসে। উল্লেখ্য যে, আজিৰ সমাৰোহত প্ৰাক্তন ছাত্ৰীৰ মাজত এখন নতুন কমিটী গঠন কৰা হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী সন্মিলনৰ নৱনিৰ্বাচিত সভানেত্ৰী হিচাপে বাউসী বাণিকান্ত কাকতি মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰভা দেৱী আৰু ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তৰালী দাসক সম্পাদিকা হিচাপে লৈ এখন বৃহৎ কমিটী গঠন কৰা হয়। সভাৰ শেষত অলপতে সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখ্য যে আগন্তুক ২৪, ২৫ আৰু ২৬ অক্টোবৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে বিদ্যালয় প্ৰাংগণত উদযাপন কৰা হ'ব হীৰক জয়ন্তী।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ঘগ্ৰাপাৰত বিজেপি-অগপৰ প্ৰাৰ্থীৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি

**ই-সংবাদ, নলবাৰী, ২৭ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক লৈ শাসক আৰু বিৰোধী তৎপৰ হোৱাৰ সময়তে নলবাৰীৰ জিলা নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ জিলা পৰিষদৰ এলেকাত যোৱা নিশা বিজেপি-অগপ সমৰ্থিত প্ৰাৰ্থীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। বৃহৎ সংখ্যক কৰ্মী-সমৰ্থকৰ উপস্থিতিত দক্ষিণ ঘগ্ৰাপাৰৰ মাজমজিয়াত যোৱা নিশা মিত্ৰদলৰ কাৰ্যালয়টো মুকলি কৰে ৰাজ্যিক বিজেপিৰ কাৰ্যকতা তথা ঘগ্ৰাপাৰ জিলা পৰিষদৰ প্ৰভাৰী মধুৰাম ডেকাই। ডেকাই নিজৰ ভাষণত কয় যে শক্তিশালী পঞ্চায়তৰাজ আৰু শক্তিশালী অসম গঢ়াৰ স্বাৰ্থত মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিয়ক। নেতাগৰাকীয়ে ৰাজ্য আৰু কেন্দ্ৰত দীৰ্ঘ সময় শাসনত থকা কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি কয় যে ৰাইজ এতিয়া কংগ্ৰেছৰ দলৰ লগত নাই আৰু পঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটৰ জয় অপ্ৰীতিৰোধ্য।কংগ্ৰেছে বিগত দিনৰ শাসনকালত কেৱল দুৰ্নীতি-অনিয়ম কৰি ৰাইজক শোষণ আৰু বঞ্চিত কৰিছিল। কিন্তু ইয়াৰ বিপৰীতে বিজেপিয়ে ৰাজ্যত দুৰ্নীতিমুক্ত পঞ্চায়ত গঠন কৰি গ্ৰাম্যঞ্চলৰ উন্নয়ন সাধন কৰা বুলি নেতাগৰাকীয়ে মন্তব্য কৰে।

নলবাৰী জিলা বিজেপিৰ সম্পাদক পংকজ ডেকাই আঁত ধৰা অনুষ্ঠানটিত ঘগ্ৰাপাৰ জিলা পৰিষদৰ প্ৰাৰ্থী ডিম্বেশ্বৰ বেজবৰুৱাই নিজৰ ভাষণ প্ৰসংগত কয় যে এইবাৰ নিৰ্বাচনত বিৰোধীয়ে বহুঠাইতে প্ৰাৰ্থী দিব নোৱাৰাৰ উপৰি কোনো ইছ্য নোহোৱাকৈয়ে দলটোৱে আগবাঢ়িছে। কাশ্মীৰত নিৰীহ পৰ্যটকৰ ওপৰত হোৱা আক্ৰমণকো তেওঁ তীব্ৰ গৰিহণা দিয়ে। লগতে তেওঁ চৰকাৰৰ বিভিন্ন অভিলাষী আঁচনিৰ কাম সন্দৰ্ভতো ভাষণ দিয়ে। তেওঁ নলবাৰী প্ৰাক্তন বিধায়ক অশোক শৰ্মা ভুৱা স্বংয়সেৱক আছিল বুলি মন্তব্য কৰি বিভিন্ন কথাৰে ক্ষুৰধাৰ সমালোচনা কৰে। উক্ত কাৰ্যালয় মুকলি অনুষ্ঠানত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা পদৰ মিত্ৰদলৰ প্ৰাৰ্থী দিপাঞ্জু দাস, নলবাৰী জিলা বিজেপিৰ প্ৰাক্তন সম্পাদক দীপেন কলিতা, ঘগ্ৰাপাৰ পঞ্চায়তৰ প্ৰভাৰী প্ৰদীপ ডেকা, দিগন্ত তালুকদাৰ, মনেশ্বৰ ভৰালী, অগপৰ নলবাৰী সমষ্টিৰ সমিতিৰ সম্পাদক কমল চন্দ্ৰ ডেকা, অগপৰ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি খৰ্গেশ্বৰ বেজবৰুৱা, সম্পাদক ধৰণী দাসৰ লগতে পাঁচ শতাধিক ভোটাৰে অংশগ্ৰহণ কৰে।

# মৰনৈ পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ এন ডি এৰ আঞ্চলিক সদস্যা ৰূপাঞ্জলী চুতীয়াৰ

**ই- সংবাদ, সোৱণশিৰি, ২৭ এপ্ৰিলঃ** ৰাজ্যৰ চৌদিশে ৰঙালী বিহুৰ আনন্দৰ মাজতে এতিয়া চলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। কি কংগ্ৰেছ, কি বিজেপি এতিয়া মাথোঁ সকলোৰে প্ৰচাৰ অভিযান। যিমানেই পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপিছে সিমানেই আকৰ্ষণীয় হৈছে নিৰ্বাচনী প্ৰচাৰ অভিযান। প্ৰতিকূল বতৰকো নেওচি শাসক- বিৰোধীয়ে প্ৰচাৰ অভিযান তুংগত কৰি তুলিছে। ঢকুৱাখনা বিধানসভা সমষ্টিৰ মৰনৈ পঞ্চায়তটো দেখিবলৈ পোৱা গৈছে নিৰ্বাচনী প্ৰচাৰ। অগপ, বিজেপি, গণশক্তি অসমৰ সমৰ্থিত মনোনীত প্ৰাৰ্থী মৰনৈ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পদত অৱতীৰ্ণ ৰূপাঞ্জলী চুতীয়াই আজি ভেটতলি ৱাৰ্ডত ঘৰে ঘৰে গৈ প্ৰচাৰ অভিযান চলায়। ৰাইজৰ মন জয় কৰিবলৈ প্ৰাৰ্থীগৰাকীয়ে দলীয় কৰ্মীক লগত লৈ চেষ্টা অব্যাহত ৰাখিছে। ইফালে, পঞ্চায়তটোৰ ১ নং গোহাঁই চাপৰি ৱাৰ্ডৰ সদস্য ঋতুজিৎ শইকীয়া আৰু মাইনা শইকীয়াইও প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়।

# মঙলদৈ জিলা মইনা পাৰিজাতৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, মঙলদৈ, ২৭ এপ্ৰিলঃ** মঙলদৈ জিলা মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন আজি দৰং জিলা সাহিত্য সভাৰ মঙলদৈস্থিত সাহিত্য প্ৰকল্পত অনুষ্ঠিত হয়। জিলা মইনা পাৰিজাতৰ সভাপতি পংকজ কুমাৰ শৰ্মাৰ সভাপতিত্বত দিনৰ ৩ বজাত হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক প্ৰবীণ বৰুৱাই। এই সভাত বিগত বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ পিছত পুৰণি সমিতিয়ে পদত্যাগ কৰে। ইয়াৰ পিছতে সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদক ৰাণা আলমৰ উপস্থিতিত আগন্তুক দ্বি-বৰ্ষৰ বাবে সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সভ্য, সমাজ সেৱিকা এনি ভূঞা ডেকাক সভাপতি, সাহিত্যিক, শিশু কৰ্মী হৰি চন্দ্ৰ শৰ্মা আৰু সাংস্কৃতিক কৰ্মী কুমুদ চন্দ্ৰ দাসক উপ-সভাপতি, সাংস্কৃতিক কৰ্মী তথা সাংবাদিক দ্বীপেন বৰুৱাক সম্পাদক হিচাপে মনোনীত কৰা হয়। সভাত সাংবাদিক তথা মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সম্পাদক গণেশ দত্ত, সদৌ অসম মইনা পাৰিজাতৰ প্ৰাক্তন সহকাৰী সম্পাদক সূৰ্য কুমাৰ নাথ,
ৰাজ্যিক কাৰ্যনিৰ্বাহক তথা মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সভাপতি ডাঃ মৃণ্ময় কুমাৰ নাথ, বিশিষ্ট শিশু কৰ্মী কাৰ্তিক দত্ত, মঙলদৈ জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সম্পাদক বিষ্ণুৰাম ডেকা, সাংস্কৃতিক কৰ্মী কুমুদ ডেকাই বক্তব্য ৰাখে।

# ঘগ্ৰাপাৰৰ পশ্চিম বনভাগ জিলা পৰিষদৰ এজেপিৰ প্ৰাৰ্থী নৰজিত কলিতাৰ প্ৰচাৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৭ এপ্ৰিলঃ** অহা ৭ মে'ত নলবাৰী জিলাত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব লগা পঞ্চায়ত নিৰ্বাচনক লৈ প্ৰতিটো দলৰ ব্যস্ততা বৃদ্ধি পাইছে। ইতিমধ্যে নলবাৰী সমষ্টিৰ ৩ নং পশ্চিম বনভাগ জিলা পৰিষদৰ অজাপৰ প্ৰাৰ্থী নৰজিত কলিতাই শাসকীয় দলৰ লগতে বিৰোধী দলৰ প্ৰাৰ্থীক তীব্ৰ প্ৰত্যাহ্বান জনাই নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰিছে। আজি প্ৰাৰ্থীগৰাকীয়ে পুৱাৰে পৰা জিলা পৰিষদ সমষ্টিটোৰ এলেকাধীন আল্লিয়া-খাতিকুছি গাঁও পঞ্চায়তৰ ভদ্ৰবংগল, পূব বৰশিৰাল, নখাট, বৰখাট, বৰভাগ নলবাৰী, বনগাঁও, মাধাপুৰ আদিৰ ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰা পৰিলক্ষিত হয়। প্ৰাৰ্থীগৰাকীৰ আজিৰ কাৰ্যসূচীত অসম জাতীয় পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি নগেন ডেকাই সংগ দি সংবাদ মাধ্যমৰ আগত কয়, "উন্নয়নৰ যাত্ৰা তৃণমূল পৰ্যায় অৰ্থাৎ গাঁৱৰ পৰা হ'ব লাগে। সেই কাৰণে অসম জাতীয় পৰিষদে পঞ্চায়ত নিৰ্বাচনক অধিক গুৰুত্ব প্ৰদান কৰিছো।" পঞ্চায়ত পৰ্যায়ত ঘৰে ঘৰে উপাৰ্জন কৰিব পৰা ব্যৱস্থা গঢ়ি তোলাৰ পোষকতা কৰে অসম জাতীয় পৰিষদে। ইস্তাহাৰৰ বিভিন্ন বিষয় উল্লেখ কৰি তেওঁ কয়, "ঘৰে ঘৰে হাঁহ-কুকুৰা, গৰু-ছাগলী, গাহৰি আদি পালন কৰি প্ৰতিটো পৰিয়ালে উপাৰ্জন কৰি স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। সমান্তৰালকৈ কৃষিৰ জৰিয়তে খেতিপথাৰ উন্নয়ন কৰা, নাৰী আৰু যুৱকৰ নেতৃত্বত গাঁৱে গাঁৱে জাতীয় সেৱক দল গঠন কৰা। ইয়াৰ উপৰি ভাষা-সংস্কৃতি, পৰম্পৰা ৰক্ষা কৰি স্থানীয় সাংস্কৃতিক উৎসৱ, লোকসংগীত, শিল্প আৰু নৃত্যৰ বিকাশত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ যোগেদি পুঁজি ধাৰ্য কৰি উন্নয়ন কৰা অসম জাতীয় পৰিষদৰ অন্যতম লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। লগতে পৰিৱেশ সংৰক্ষণৰ যোগেদি জলাশয়, বনজ সম্পদ ৰক্ষা কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। পঞ্চায়তীৰাজ আইন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে কয়, "গাঁৱে চলাব শাসন, গাঁৱে গঢ়িব নিজৰ ভাগ্য, গাঁৱে উজলাব অসম- ই হৈছে অসম জাতীয় পৰিষদৰ অংগীকাৰ। সেয়ে অসম জাতীয় পৰিষদে গাঁওসমূহত শূন্য দৰিদ্ৰতা, শূন্য প্ৰদুষণ, শূন্য দুৰ্নীতি আদিৰ পৰিৱেশ গঢ়িবলৈ প্ৰয়াস চলাব। পঞ্চায়ত গঠন কৰিলে সকলোকে সমানে আঁচনিৰ লাভৰ সুবিধা দিব। গ্ৰাম্য অৰ্থনীতি আৰু গ্ৰাম্য পৰ্যটনত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব বুলি মন্তব্য কৰে। লগতে অজাপৰ প্ৰাৰ্থীগৰাকীক বিপুল ভোটত জয়যুক্ত কৰিবলৈ ভোটাৰ ৰাইজক আহবান জনায়।

# ৰাইদঙীয়াত নিৰ্বাচনী প্ৰচাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ, বিচাৰিলে ৰাইজৰ আশীৰ্বাদ

**ই-সংবাদ, বেৰেজীয়া, ২৭ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাটো বলিছে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। জিলাখনৰ প্ৰান্তে প্ৰান্তে পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলে ৰাইজৰ আস্থা লাভৰ বাবে প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। ইয়াৰ মাজতে দেওবাৰে জিলাখনৰ নৱগঠিত কাছমাৰী জিলা পৰিষদৰ অন্তৰ্গত খাগৰিজান আঞ্চলিক পঞ্চায়তৰ এলেকাধীন আইভেটি আৰু ৰাইদঙীয়া-বটদ্ৰৱা গাঁও পঞ্চায়তত উপস্থিত হৈ নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুত বৰদলৈয়ে দলীয় প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই উদ্দেশ্যে, পঞ্চায়ত দুটাত অনুষ্ঠিত হোৱা কেইবাখনো নিৰ্বাচনী সভাত ভাগ লৈ সাংসদগৰাকীয়ে নিৰ্বাচনত জয়ী হৈ ৰাইজক সেৱা কৰিবৰ বাবে দলীয় প্ৰাৰ্থীৰ হৈ ৰাইজৰ আশীৰ্বাদ বিচাৰে। উক্ত নিৰ্বাচনী সভাসমূহত সাংসদ প্ৰদ্যুত বৰদলৈৰ লগতে খাগৰিজান ব্লক কংগ্ৰেছৰ সভাপতি প্ৰমোদ বৰা, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক মৃনাল হাজৰীকাকে প্ৰমুখ্য কৰি নগাঁও জিলা কংগ্ৰেছ কমিটীৰ বিষয়ববীয়া আৰু আইভেটি, ৰাইদঙীয়া-বটদ্ৰৱাৰ লগতে মাজ জাজৰি-দৰঙীয়াল মণ্ডল কংগ্ৰেছৰ বিষয়-ববীয়াসকল উপস্থিত থাকে। কাছমাৰী জিলা পৰিষদৰ সদস্য পদত ধ্ৰুৱজ্যোতি ৰাজা, আইভেটি পঞ্চায়তৰ কাউন্সিলাৰ পদত পৰাগ জ্যোতি কলিতা, ৰাইদঙীয়া-বটদ্ৰৱা পঞ্চায়তৰ কাউন্সিলাৰ পদত দীপা দাস আৰু মাজ জাজৰি-দৰঙীয়াল পঞ্চায়তৰ কাউন্সিলাৰ পদত পূজা দেৱীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

## ঢোল-পেঁপা-গগণাৰ মাতে মুখৰিত শান্তিজানৰ পাৰ

# বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহুৰ ৰূপালী জয়ন্তী উৎসৱ

**ই-সংবাদ, বেৰেজীয়া, ২৭ এপ্ৰিলঃ** 'বিহুৰ লগত কৃষিৰ সমন্ধ অভিন্ন। বিহুৰ পৰা নৱবৰ্ষৰ সৃষ্টিৰ পোখা মেলে। সেই পোখাই ফলে-ফুলে জাতিস্কাৰ হৈ পৰে। প্ৰবাদ আৰু পৰম্পৰাৰ মাজেৰে আমাৰ বিহু জ্যোতিস্মান।'- এই মন্তব্য মাগুলিক গৱেষণা কেন্দ্ৰ, চিলঙনীৰ প্ৰধান বিজ্ঞানী ড০ নিৰঞ্জন ডেকাৰ। বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহুৰ ৰূপালী জয়ন্তী বৰ্ষ উৎসৱ উদযাপন সমিতিৰ উদ্যোগত শনিবাৰৰ নিশাৰ পৰা আৰম্ভ হোৱা ৰঙালী বিহু উৎসৱৰ মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰি তেওঁ এইদৰে কোৱাৰ লগতে সকলোকে নৱবৰ্ষৰ আৰু ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ সম্পাদক সুনীল বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটিত কাৰ্যকৰী সভাপতি জোনমণি ভূঞা, বিশিষ্ট চিকিৎসক ডাঃ প্ৰদীপ কুমাৰ দেৱ মহন্ত, জগন্নাথজ্যোতি বৰা, গনেশ দাস, অংকুৰ পাঠককে আদি কৰি সহস্ৰাধিক লোক উপস্থিত থাকে। মাজ নিশালৈ অনুষ্ঠিত হোৱা সদৌ অসম ভিত্তিক মুকলি বিহু প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে জখলাবন্ধাৰ ব্ৰহ্মপুত্ৰ বিহুৱা দলে, দ্বিতীয় স্থান লাভ কৰে শিৱসাগৰৰ জাঁজীপৰীয়াী বিহুৱা দলে আৰু তৃতীয় স্থান লাভ কৰে জখলাবন্ধাৰফ্ৰেইগুশ্বিপ ক্লাব বিহুৱা দলে। লগতে শ্ৰেষ্ঠ নাচনী ব্ৰহ্মপুত্ৰ বিহুৱা দলৰ পৰা, শ্ৰেষ্ঠ ঢুলীয়া মন কহুৱা বিহুৱা দলৰ আৰু শ্ৰেষ্ঠ বিহুৱা পেঁপাটি বিহুৱা দলৰ পৰা লাভ কৰে। ইয়াৰ পূৰ্বে বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহুৰ ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে পুৱাৰ ভাগত বিহু উৎসৱৰ মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি জয়ন্ত হাজৰিকাই আৰু গছপুলি ৰোপণ কৰে চিকিৎসক ডাঃ লক্ষ্য জ্যোতি বৰাই। লগতে বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ দেৱগোস্বামীয়ে। ইয়াৰ পিছতে বটদ্ৰৱা অঞ্চলৰ ২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫ খন পতাকা উত্তোলন কৰা হয়। দুপৰীয়া উপেন কাকতি, তৰুণ কলিতা, হিমেশ্বৰ দাস আৰু প্ৰনৱজ্যোতি কলিতাৰ দ্বাৰা বটদ্ৰৱা কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ লগত জড়িত প্ৰয়াত ব্যক্তিসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই কাৰ্যসূচীৰ অন্তত স্থানীয় অঞ্চলৰ মাজেৰে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাটি উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মিনা বৰুৱাই। ইফালে, আজি দুপৰীয়া ভেশচন প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ অন্তত বিয়লি স্বৰ্গীয় পদ্মকান্ত বৰা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ডিজিটেল কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে সাংবাদিক তথা কুইজ মাষ্টাৰ দিব্যজ্যোতি বৰুৱাই। নিশা অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত নিমন্ত্ৰিত শিল্পীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰে।

# অক্সিগুৰিত বিজেপি-অগপ মিত্ৰজোঁটৰ নিৰ্বাচনী সভা

**ই-সংবাদ, তামাৰহাট, ২৭ এপ্ৰিলঃ** ধুবুৰী জিলাৰ নৱগঠিত গোলকগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত অক্সিগুৰি গাঁৱত আজি অক্সিগুৰি গাঁও পঞ্চায়ত ভিত্তিত এখন ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন মিত্ৰজোঁটৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। বিজেপি দলৰ গোলকগঞ্জ মণ্ডল সমিতিৰ সভাপতি গোবিন্দ অধিকাৰীৰ পৰিচালনা আৰু গোলকগঞ্জ মণ্ডল কমিটীৰ সাধাৰণ সম্পাদক অমূল্য কুমাৰ ৰায়ে আঁত ধৰা নিৰ্বাচনী সভাখনত অক্সিগুৰি গাঁও পঞ্চায়তৰ অধীনস্থ দহটা ৱাৰ্ডৰ দহটা বুথ কমিটীৰ সভাপতি, সম্পাদক, সদস্যৰ লগতে বিজেপি দলৰ আন আন কাৰ্যকৰ্তাসকল উপস্থিত থাকে। নিৰ্বাচনী সভাখনত গোলকগঞ্জ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিজেপিৰ অসম ৰাজ্যিক অ'বিচি মৰ্চাৰ অধ্যক্ষ অশ্বিনী ৰায় সৰকাৰে পঞ্চায়ত নিৰ্বাচনৰ ৰণডংকা বজাই কংগ্ৰেছ দলক সমালোচনা কৰি কয় যে কংগ্ৰেছ দল ভ্ৰষ্টাচাৰীৰ দল, কংগ্ৰেছক ভোট দিয়া মানে ভ্ৰষ্টাচাৰীক ভোট দিয়া। ইয়াৰ উপৰি কংগ্ৰেছ দলৰ কোনো নীতি-আদৰ্শ নাই বুলি উল্লেখ কৰি অশ্বিনী ৰায় সৰকাৰে কয় যে যিগৰাকী বিজেপিৰ কৰ্যকৰ্তাক বিজেপিয়ে আঞ্চলিক পঞ্চায়তৰ টিকট প্ৰদান কৰা নাই সেইগৰাকী ব্যক্তিক কংগ্ৰেছ দলে জিলা পৰিষদৰ সদস্যৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। অঞ্চলটোৰ অধিক উন্নয়নৰ বাবে ১৮ নং গংগাধৰ জিলা পৰিষদৰ ভাৰতীয় জনতা দলৰ প্ৰাৰ্থী মালতী বালা ৰায় আৰু অক্সিগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্যৰ প্ৰাৰ্থী পল্লৱী অধিকাৰীক ভোট দি জয়যুক্ত কৰিবলৈ তেওঁ আহ্বান জনায়। নিৰ্বাচনী সভাখনত বিজেপি দলৰ গোলকগঞ্জ মণ্ডল কমিটীৰ সভাপতি গোবিন্দ অধিকাৰী আৰু অগপ দলৰ গোলকগঞ্জ বিধানসভা সমষ্টি কমিটীৰ সভাপতি অশোক কুমাৰ প্ৰধানীয়ে মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায়। ইয়াৰ উপৰি সভাত গোলকগঞ্জ পৌৰসভাৰ পৌৰপতি সাবিত্ৰী ৰায়, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদ মনোজ কুমাৰ ৰায়, গোলকগঞ্জ মণ্ডলৰ এছ চি মৰ্চাৰ সভাপতি শ্ৰীবাস দাস, ধুবুৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক অনুপম ৰায়, গংগধৰ জিলা পৰিষদৰ বিজেপি দলৰ মনোনিত প্ৰাৰ্থী মালতী বালা ৰায়, অগপ দলৰ অক্সিগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য পদৰ প্ৰাৰ্থী পল্লৱী অধিকাৰীৰ লগতে বিজেপি আৰু অগপ দলৰ জিলা আৰু মণ্ডল পৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থাকে। আজি অনুষ্ঠিত এই নিৰ্বাচনী সভাখনত পাঁচ শতাধিক ভোটাৰ উপস্থিত থাকে।

# পেহেলগাম সন্ত্ৰাসবাদীৰ আক্ৰমণ, দুধনৈত উত্তাল প্ৰতিবাদ

**ই-সংবাদ, ধূপধৰা, ২৭ এপ্ৰিলঃ** দুধনৈত আজি 'পাকিস্তান মুৰ্দাবাদ', 'পাকিস্তান প্ৰেমী হুচিয়াৰ' ধ্বনিৰে সমদল উলিয়াই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা হয় । পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ বিৰুদ্ধে আজি সন্ধিয়া দুধনৈৰ স্থানীয় ১৭ টা সংগঠনৰ লগতে স্বতঃস্ফূৰ্তভাৱে ৰাইজ ওলাই আহি এই প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰে। দুধনৈ ব্যৱসায় সন্থা, উন্নয়ন সমিতি, দুধনৈ প্ৰেছ ক্লাব, থেকাছু মৌজাকে ধৰি আটাইকেইটাছাত্ৰ সংগঠনৰ দুধনৈ আঞ্চলিক সমিতিসমূহে অংশগ্ৰহণ কৰে সমদলত । দুধনৈৰ জন মন্দিৰৰ পৰা হাতে হাতে মমবাতি, মোবাইল ফোনৰ লাইট জ্বলাই সন্ত্ৰাসবাদ আৰু পাকিস্তানৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি বিভিন্ন শ্লোগানেৰে দুধনৈৰ ৰাজপথত সমদল উলিয়ায় । সমদলৰ পূৰ্বে সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত লোকসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।



বামুন্দিত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰত ব্যস্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ফটো দেওবাৰৰ

# ৰঙিয়া জিলা বড়ো সাহিত্য সভাৰ ৩৯ সংখ্যক বাৰ্ষিক বৰডাঙেৰীকুছি অধিৱেশনত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ই-সংবাদ, গোৰেশ্বৰ, ২৭ এপ্ৰিলঃ** গোৰেশ্বৰৰ সমীপৱৰ্তী তথা কামৰূপ জিলাৰ বৰডাঙেৰীকুছিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙিয়া জিলা বড়ো সাহিত্য সভাৰ ৩৯ সংখ্যক বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হয়। তদুপলক্ষে দিনৰ এক বজাত মদন চন্দ্ৰ বড়োৰ পৰিচালনাত মুকলি তথা সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। ৰঙিয়া জিলা বড়ো সাহিত্য সভাৰ সম্পাদক মুকুট প্ৰসাদ বড়োৱে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বড়ো সাহিত্য সভাৰ সম্পাদক বিনয় কুমাৰ নাৰ্জাৰীয়ে বড়ো ভাষা আৰু সাহিত্যৰ সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্য আগবঢ়ায় আৰু বড়ো ভাষা উন্নতিৰ হকে সকলোকে ঐক্যবদ্ধ হ'বলৈ আহবান জনায়। সম্পাদক দৈমাৰীয়ে উঠি অহা প্ৰজন্মক বড়ো মাধ্যমত অধ্যয়ন কৰাৰ সুযোগ দিয়াৰ বাবে প্ৰতিজন অভিভাৱকক আহবান জনায় । বি টি আৰৰ বাহিৰতো বড়ো ভাষা প্ৰচলনত গুৰুত্ব আৰোপ কৰি অসমীয়া ভাষৰ সমান্তৰালভাৱে বড়ো ভাষা প্ৰচলনত গুৰুত্ব দিবলৈ বড়ো জনগোষ্ঠীক আহবান জনায়। বড়ো কছাৰী কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱ বড়োৱে উদ্বোধন কৰা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এবছুৰ কামৰূপ জিলা সমিতিৰ সম্পাদক ৰূপক কুমাৰ বড়োৱে শিক্ষা সম্পৰ্কে ভাষণ দিয়ে। উক্ত মুকলি সভাত ৰঙিয়া জিলা বড়ো সাহিত্য সভাই ৩২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক আৰনাই, গ্ৰন্থ আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। পুৱা ৯ বজাত ৰঙিয়া জিলা বড়ো সাহিত্য সভাৰ সভাপতি মদন চন্দ্ৰ বড়োৱে পতাকা উত্তোলনৰে অধিৱেশনৰ কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছতেই ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে মুকুট প্ৰসাদ বড়ো আৰু মহেন্দ্ৰ নাথ বড়োৱে। ১০ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। মদন চন্দ্ৰ বড়োৰ সভাপতিত্বত আৰু ৩টা আঞ্চলিক সমিতিৰ প্ৰায় ৭০ জন প্ৰতিনিধিয়ে উপস্থিত থকা প্ৰতিনিধি সভাত সম্পাদক মুকুট প্ৰসাদ বড়োৱে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদনৰ ওপৰত আলোচনা-বিলোচনাৰ অন্তত গৃহীত কৰা হয়।

# পঞ্চায়ত নিৰ্বাচন কংগ্ৰেছৰ বাবে ছেমি ফাইনেলঃ জাকিৰ হুছেইন শিকদাৰ

**ই-সংবাদ, কলগাছিয়া, ২৭ এপ্ৰিলঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত বেকী নদীৰ পশ্চিমাংশত থকা লাচাংগা, হালধীয়া-টেঙাগাঁও আৰু গুইলেজা পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ শনিবাৰে সন্ধিয়াত গুইলেজা চক বজাৰত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ৭ নং বেকী জিলা পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মুঞ্জুৱাৰা খাতুন আৰু ৩৭ নং গুইলেজা জিলা পৰিষদৰ প্ৰাৰ্থী আনোৱাৰা খাতুনৰ হৈ প্ৰচাৰ চলাই ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। ঘিলাজাৰী-ৰূপসী ব্লক কংগ্ৰেছৰ সভাপতি ৰফিকুল ইছলাম তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ভাষণ প্ৰসংগত বিধায়ক শিকদাৰে কয় যে কংগ্ৰেছৰ মুখ্য উদ্দেশ্য হ'ল আৰ এছ এছ আৰু বিজেপি দলক চিৰদিনৰ বাবে বিদায় দিয়া। সেয়ে ৰাইজে ভ্ৰষ্টাচাৰী বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছ দলক ভোট দিব লাগে বুলি ভাষণ দিয়ে। লগতে তেওঁ ভাষণত কয় যে এইবাৰৰ পঞ্চায়ত নিৰ্বাচন কংগ্ৰেছ দলৰ বাবে আগন্তুক ২৬ ৰ বিধানসভা নিৰ্বাচনৰ ছেমিফাইনেল। জাকিৰ হুছেইন শিকদাৰে এইদৰে ভাষণ প্ৰদান কৰি ভোটাৰ ৰাইজক আকৰ্ষিত কৰাৰ উদ্দেশ্যে কয় যে মই গুইলেজা-জয়ান বজাৰ সংযোগী বেকী নদীৰ ওপৰত তৃতীয়খন দলং নিৰ্মাণৰ কাৰণে যুঁজি আছো। ২০২৬ ত অসমত কংগ্ৰেছৰ চৰকাৰ হ'লে বেকী নদীৰ ওপৰত দলং নিৰ্মাণৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিম। আনহাতে, তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয় যে আমাৰ পূৰ্ব পুৰুষে ব্যৱহাৰ কৰা লুংগি লৈ হিমন্তই তুচ্ছ তাচ্ছিল্য কৰে, কিন্তু আমি হিমন্তৰ কথা নুশুনো, আমাৰ চৈধ্য গোষ্ঠীয়ে লুঙি পিন্ধিব। এইদৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক এক প্ৰকাৰ প্ৰত্যাহ্বান জনায় শিকদাৰে। তেওঁ ভোটাৰ ৰাইজক উদ্দেশ্য কৰি আৰু কয় যে এ আই ইউ ডি এফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলক ধুবুৰীৰ ৰাইজে বিদায় দিছে। আপোনালোকেও এইবাৰ এ আই ইউ ডি এফক এটা ভোটো নিদিব। এইবাৰ কংগ্ৰেছৰ প্ৰাৰ্থী জিকিব এয়া এশ শতাংশ নিশ্চিত বুলি তেওঁ দাবী কৰে। উদ্বোধনী অনুষ্ঠানত বৰপেটা জিলা কংগ্ৰেছৰ উপ-সভাপতি তথা প্ৰাক্তন জিলা পৰিষদ সদস্য ছামচুল হক, ৰূপসী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি জাকিৰ হুছেইন, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সম্পাদক মোৱাজ্জেম হুছাইন আদি নেতাসকলে ভাষণ প্ৰদান কৰে। কংগ্ৰেছ নেতাসকলে ৭ নং বেকী জিলা পৰিষদৰ সদস্য পদৰ কংগ্ৰেছৰ প্ৰাৰ্থী মুঞ্জুৱাৰা খাতুন আৰু ৩৭ নং গুইলেজা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ কংগ্ৰেছ প্ৰাৰ্থী আনোৱাৰা খাতুনক হাতৰ ছবিত ভোট দিবলৈ ভোটাৰ ৰাইজক আহ্বান জনায়।



■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰত পদ্মপ্ৰিয়া সাহিত্য গোষ্ঠীৰ

অৱদানৰ বাবে আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰাৰ লগতে ভৱানীপুৰৰ শৈক্ষিক-সামাজিক ক্ষেত্ৰখনলৈ বিশেষ অৱদান আগবঢ়োৱা ৫ গৰাকী অৱসৰী কৃতী শিক্ষকক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজি ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰেক্ষাগৃহত ভৱানীপুৰৰ অপূৰ্ব কলিতাই আঁত ধৰা সভাত মেৰু মিঠু কটকী (তেজপুৰ), মৌচম হাজৰিকা (গুৱাহাটী), অংকিতা বৰুৱা (গুৱাহাটী), পৰশুৰাম কাকতি (গুৱাহাটী) ক 'পদ্মপ্ৰিয়া সাহিত্য বঁটা' প্ৰদান কৰা হয়। 'শব্দ শিল্প বঁটা' প্ৰদান কৰা হয় ড° ৰুমী কলিতা (টংলা), ধীমান বৰ্মন (পাঠশালা), খুকুমণি মুদৈ দাস (নলবাৰী), চুমি ৰহমান (গুৱাহাটী), ৰেণুমাই সন্দিকৈ (ধেমাজি) ক। নিবেদিতা শইকীয়া (নগাঁও), লোকদা হাজৰিকা (বোকাখাত), স্বপন কুমাৰ বসুমতাৰী (শালবাৰী), সান্তনা মেধি (ৰাম দিয়া), বন্তি শইকীয়া (আজাৰা, গুৱাহাটী) ক 'শব্দ সৌৰভ বঁটা', বিপুল ওজা (বৰপেটা), মোজাম্মিল হক চৌধুৰী (বজালী), প্ৰদীপ কুমাৰ দাস (বৰপেটা) ক গোপাল আতা কৃষ্টি বঁটা প্ৰদান কৰা হয়। আনহাতে চন্দন মেধি (জালাহ)ক শিৰোমণি বঁটা প্ৰদান কৰা হয়। 'মহীয়সী অসম বঁটা' প্ৰদান কৰা হয় গুৱাহাটীৰ যামিনী কলিতা (জুমু) ক। দীনবন্ধু বঁটা প্ৰদান কৰা হয় বৰপেটাৰোডৰ ডাঃ কমলেশ্বৰ দাস আৰু বোকাখাতৰ অংকুৰণ বৰঠাকুৰক। সভাত ভৱানীপুৰৰ শৈক্ষিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে পাঁচগৰাকী অৱসৰী শিক্ষকক পদ্মপ্ৰিয়া সাহিত্য সাংস্কৃতিক গোষ্ঠীৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে ক্ৰমে কবি-লেখক কবীন্দ্ৰ ডেকা, কবি কমল কুমাৰ জৈন, পোহৰ আলোচনীৰ সম্পাদক অলকা বুজৰবৰুৱা, কবি-লেখিকা ড° ৰুবা ফুকন, সোণপৰুৱা শিশু সমাজ কল্যাণ পৰিষদৰ সম্পাদিকা ঊষামণি শইকীয়া, শিক্ষক দিলীপ দাস আৰু 'প্ৰান্তিক' আলোচনীৰ প্ৰাক্তন সহকাৰী সম্পাদক তথা বিশিষ্ট লেখক চন্দন শৰ্মাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'পাৰমানেণ্ট' শিক্ষা দিয়া উচিত

অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। মঙলদৈত এখন বিহু সন্মিলনত অংশগ্ৰহণ কৰি দৈমাৰীয়ে কয় যে সেইসকলে আগলৈ যাতে এনে নাৰকীয় কাম কৰিব নোৱাৰে তাৰ বাবে এক উচিত শিক্ষা দিয়াটো সময়ৰ আহ্বান। তেওঁ কয়, ২২ এপ্ৰিলৰ পেহেলগাম ঘটনাৰ পিছতে ভাৰত চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে উচিত কামেই কৰিছে বুলি কৈ আমি সদায় শান্তি বিচাৰাৰ পৰিবৰ্তে একাংশই অশান্তি বিচাৰে। পাকিস্তানৰ এনে কাৰ্যক সহ্য কৰা নহ'ব বুলিও কয়। ভাৰতৰ ভূ-স্বৰ্গ খ্যাত কাশ্মীৰলৈ বহু লোক ফুৰিবলৈ যায় বুলি কৈ ঘটনাৰ পিছত বহুতে ছ'চিয়েল মিডিয়াত ফটো দিয়া দেখা গৈছে। কিন্তু কাশ্মীৰলৈ আমাৰ লোক যাব লাগিবই বুলিও কয়। আনহাতে এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামৰ গ্ৰেপ্তাৰ সম্পৰ্কেও সংবাদ মাধ্যমৰ আগত মন্তব্য আগবঢ়াই কয় যে সেয়া আইনৰ কথা। সাধাৰণতে বিধায়ক এজনক গ্ৰেপ্তাৰ কৰিলে আমাক পৰৱৰ্তী সময়ত কিয় গ্ৰেপ্তাৰ কৰিছে তাক জনাব লাগে। আন বিষয় আমাৰ সৈতে জড়িত নাই। কিন্তু বিধানসভা চৌহদৰ পৰা গ্ৰেপ্তাৰ কৰিব লগা হ'লে আমাৰ পৰা আগতীয়া অনুমতি ল'ব লাগে বুলি অধ্যক্ষ দৈমাৰীয়ে কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিতৰ্কৰ মাজেৰে ঐতিহাসিক ঘোঁৰাবান্ধা

পূজাৰ পৰম্পৰাৰে পালিত এই দেউল উৎসৱ পৰৱৰ্তী সময়ত সমগ্ৰ দৰং জিলাতে বিয়পি পৰাৰ সমান্তৰালভাৱে ছিপাঝাৰৰ ঘোঁৰাবান্ধাত ব'হাগৰ ১২ আৰু ১৩ তাৰিখে দেউল উদযাপিত হৈ আহিছিল যদিও বৰ্তমান তিনিদিনীয়াকৈ উদযাপিত হয়। উল্লেখনীয় যে ছিপাঝাৰ তথা দৰং জিলাৰ চহা ৰাইজৰ প্ৰাণৰ উৎসৱ এই ঘোঁৰাবান্ধা দেউলটো হৈছে এক আৱেগ। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও বৰ্ণাঢ্য কাৰ্যসূচীৰে দেউল উৎসৱৰ আৰম্ভণি হয় যদিও আয়োজক সমিতিয়ে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ অনুমতি লোৱাৰ পিছত পৌৰসভাৰ অনুমতি নোলোৱাৰ অভিযোগত ছিপাঝাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াগৰাকীয়ে দেউল উৎসৱ বন্ধ কৰিবলৈ অহা ঘটনাক লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াকে লৈ বিভিন্ন পক্ষই বিষয়াগৰাকীৰ পদক্ষেপক লৈ অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাও জাঙুৰ খাই উঠিছে। আনহাতে পৌৰসভাই দেউল উৎসৱৰ মেলা উচ্ছেদৰ ভাবুকি দিয়া কথাই হতচকিত কৰি তুলিছে অঞ্চলটোৰ সচেতন ৰাইজক। উল্লেখযোগ্য যে তিনিটা বৰ্ষ অতিক্ৰম কৰাৰ পিছতো কোনো এটা উন্নয়নমূলক কাম কৰি দেখুৱাব নোৱাৰা পৌৰসভাক ছিপাঝাৰৰ ৰাইজৰ স্বাভিমান আৰু আৱেগৰ লগত খেলা নকৰিবলৈ সকীয়নি প্ৰদান কৰিছে আঞ্চলিক সমিতিখনৰ ভাঃ সভাপতি, সম্পাদক ক্ৰমে পীযুষকান্তি আৰু অক্ষয় ডেকাই। অৱশ্যে তিক্ততাৰে আৰম্ভণি হৈ আজি মধুৰেণ সমাপয়েৎ হৈছে দৰঙৰ স্বাভিমান ঘোঁৰাবান্ধাৰ দেউল উৎসৱৰ। উল্লেখযোগ্য যে লক্ষাধিক লোকৰ সমাবেশেৰে কোটি টকাৰ ব্যৱসায় সম্পন্ন হৈছে তিনিটা দিনত।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভুবন গামৰ মাৰাথন নিৰ্বাচনী প্ৰচাৰঃ

বিধানসভা সমষ্টিৰ বিধায়ক ভুবন গামে আজি পঞ্চায়ত নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত সাতখন ঠাইত মাৰাথন নিৰ্বাচনী প্ৰচাৰ চলায়। বিধায়কজনে আজি পুৱা দহ বজাত উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তত প্ৰথমে উপস্থিত হয় আৰু ১৬৬ নং ফুটচাং বুথত "প্ৰধানমন্ত্ৰীৰ মন কি বাত" কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তাৰপিছত লুইতপৰীয়া গাঁও পঞ্চায়তৰ ফুটচাঙৰ লুইতপৰীয়া আঞ্চলিক ৰংগমঞ্চত অনুষ্ঠিত প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক ভুবন গামে সমাগত পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়। তাৰপিছত বিধায়ক ভুবন গামে শ্ৰীৰাম গাঁও পঞ্চায়তৰ মুদৈবিল ৰংগমঞ্চত অনুষ্ঠিত এখন বৃহৎ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তাৰপিছত বিধায়কজনে দক্ষিণপাট গাঁও পঞ্চায়তৰ সামূহিক ভৱনত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিয়লি দুই বজাত বিধায়ক ভুবন গামে গড়মূৰ গাঁও পঞ্চায়তৰ মহকিনা তিনিআলিত অনুষ্ঠিত এখন বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিয়লি তিনি বজাত বিধায়ক গামে নামনি মাজুলীৰ চিলাকলা গাঁও পঞ্চায়তৰ কাকৰিকটা গাঁৱত উপস্থিত হোৱাৰ লগে-লগে স্থানীয় ৰাইজে গড়কাপ্তানী পথৰ পৰা স্থানীয় ৰাইজে গায়ন-বায়নেৰে আদৰি লৈ যায় আৰু কাকৰিকটা গাঁৱৰ নামঘৰ প্ৰাংগণত এখন বৃহৎ নিৰ্বাচনী পথ সভাত অংশগ্ৰহণ কৰে। বিয়লি চাৰি বজাত বিধায়ক ভুবন গামে নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ মহৰিচুকত অনুষ্ঠিত এখন বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মহৰিচুক গাঁৱৰ মুকলি ওখ ভেটিত অনুষ্ঠিত উক্ত নিৰ্বাচনী প্ৰচাৰ সভাৰ আঁত ধৰে প্ৰেমকান্ত মেধিয়ে। সভাত সন্মিলিত গণশক্তি-অসমৰ নামনি মণ্ডলৰ কাৰ্যকৰী সভাপতি বিমান পেগুৱে ভাষণ প্ৰদান কৰে। তাৰপিছত বিধায়ক ভুবন গামে মধ্য মাজুলীৰ পটীয়া গাঁৱত অনুষ্ঠিত এখন বৃহৎ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। আজিৰ উক্ত নিৰ্বাচনী প্ৰচাৰ সভাকেইখনত ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামী, অগপৰ মাজুলী জিলা সমিতিৰ সভাপতি ব্ৰজেন গামকে ধৰি বহু নেতাই অংশগ্ৰহণ কৰে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে ধৰি-বান্ধি প্ৰাৰ্থিত্ব দিছেঃ জয়ন্ত

বৰুৰাৰ। আজি বৰপেটাত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰি বৰপেটা জিলা পৰিষদো তেওঁলোকে দখল কৰিব বুলিও কয়। তেওঁ কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি কয় যে কংগ্ৰেছে মানুহ বিচাৰি নাপাই কাৰোবাক ধৰি মেলি আনি প্ৰাৰ্থিত্ব প্ৰদান কৰিবলগীয়া হৈছে। যাৰ বাবে তেওঁলোকৰ দলৰ প্ৰাৰ্থীয়ে ঘৈনীয়েকৰ সৈতে গিৰিয়েকৰ ফটো লগাব লগীয়া হৈছে। ৰকিবুল হুছেইনৰ নেতৃত্বত যিটো দল চলিব তাত এনেকুৱাই হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক তীব্ৰ কটাক্ষ কৰে। তেওঁ কয় যে পাকিস্তানৰ নেতৃত্বত চলা মানুহবিলাৰ এনেকুৱাই হয়। তেওঁলোকৰ সাংসদ পাকিস্তানলৈ অহা-যোৱা কৰিয়ে থাকে। তেওঁলোকৰ সাংসদৰ পত্নীয়ে পাকিস্তানৰ পৰা দৰমহা লয়। এনেকুৱা মানুহৰ লগত কোন থাকিব? গতিকে তেওঁলোকৰ লগত থকাৰ কোনো অৱকাশ নাই, সেয়ে তেওঁলোকে মানুহ ধৰি-মেলি আনি প্ৰাৰ্থী দিব লগা হৈছে। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে বিতৰ্কিত মন্তব্য কৰি মাজনিশা ক্ষমা খোজাক লৈও মন্ত্ৰীগৰাকীয়ে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয় যে অখিল গগৈক সংবাদ মাধ্যমে অনবৰতে হিৰো বনাই দেখুৱাই থাকে। মাত্ৰ এযাৰ কথা তেওঁ গধূলি কৈছিলহে। ৰাতি হাত যোৰ কৰি ক্ষমা খুজিবলীয়া হৈছে। অখিল গগৈয়ে কাৰ ভয়ত কাক ক্ষমা খুজিছে সেইটো সকলোৱে বুজি পাইছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এচাম লোকৰ ভোট বেংক কোনটো সেয়া অখিল গগৈয়ে দেখুৱাই দিছে বুলি মন্ত্ৰীগৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে অকল ভোট বেংকেই নহয় তেওঁলোকৰ শীৰ্ষ নেতাসকলে তেওঁলোকক এনেকুৱা ধমকি দি চলায় যে দেখি-শুনি লাজ লাগে, দুখ লাগে। আমাৰ অসমীয়া মানুহ তেনেকৈয়ে কাৰোবাৰ ভৰিত পৰি থাকিবলগীয়া হোৱাটো দুখৰ বিষয়। আনহাতে, ভূপেন বৰাক কটাক্ষ কৰি তেওঁ কয় যে ভূপেন বৰাই নিৰ্বাচন হৰাৰ পিছত কি ক'ব, তাকে লৈ তেওঁ ক্ৰীপ্ট বনাই থাকে। এইবাৰ তেওঁলোকে পুলিচৰ নাম কৈছে, কেতিয়াবা ইভিএমৰ নাম কয়, কেতিয়াবা বেলেগৰ নাম কয়, তেওঁলোকে এনেদৰে কৈ থাকে। ছিণ্ডিকেটৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে ছিণ্ডিকেটত যিমান মানুহ আছে সকলো কংগ্ৰেছৰে নায়ক। কংগ্ৰেছৰ নায়কবিলাকেই অসমত ছিণ্ডিকেট শব্দটোৰ জন্ম দিছিল আৰু ছিণ্ডিকেটবিলাক চলাইছিল বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে কংগ্ৰেছে ছিণ্ডিকেটৰ কথা ক'লে বেজীয়ে চালনীক হঁহা যেন লাগে। যিটো উচিত নহয়। কংগ্ৰেছে ছিণ্ডিকেটৰ কথা ক'ব নাপায় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে আজি পুৱা বৰপেটা জিলাৰ বামুন্দিত পাকা গাঁও পঞ্চায়তৰ ৩৫ নং বুথত দলীয় কাৰ্যকৰ্তা আৰু স্থানীয় ৰাইজৰ সৈতে 'মন কি বাত' কাৰ্যসূচীত অংশগ্ৰহণ কৰে। 'মন কি বাত'ৰ আজিৰ খণ্ডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ওপৰত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আক্ৰমণত প্ৰাণহানি হোৱা লোকসকলৰ পৰিয়ালক উচিত ন্যায় প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে 'আৰ্যভট্ট' উপগ্ৰহৰ ৫০ বছৰ পূৰ্তি, মানসিক স্বাস্থ্যৰ গুৰুত্ব, মহাকুম্ভ ২০২৫, সংবিধানৰ ৭৫ বছৰ পূৰ্তি, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ, 'আয়ুষ্মান ভাৰত'ৰ সফলতা, তামিল ভাষাৰ গৌৰৱ আৰু ওড়িশাৰ কালাহাণ্ডি জিলাৰ কৃষকৰ সফলতাৰ দৰে বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰ ১২ পাকা সৰুক্ষেত্ৰী জিলা পৰিষদৰ অন্তৰ্গত পাকা গাঁও পঞ্চায়তৰ বামুন্দিত ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত আৰু অসম গণ পৰিষদৰ সমৰ্থিত জিলা পৰিষদৰ প্ৰাৰ্থী প্ৰাণজিত কুমাৰ ৰয়ৰ সমৰ্থনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰ আৰু ৰাজ্যত ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন জনকল্যাণমুলক আঁচনিসমূহ একেবাৰে গাঁও পৰ্যায়লৈ লৈ যোৱাৰ লগতে পঞ্চায়তীৰাজ ব্যৱস্থাটো দুৰ্নীতি, ভ্ৰষ্টাচাৰমুক্ত কৰি তোলাৰ বাবে ৰাইজ ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসমূহক বিপুল ভোটত বিজয়ী কৰাবলৈ উদগ্ৰীৱ হৈ আছে মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰাণজিত কুমাৰ ৰয় বিপুল ভোটত বিজয়ী হ'ব বুলি কয়। মন্ত্ৰীগৰাকীয়ে লগতে ৬৮ নং দক্ষিণ পূব পাকা পঞ্চায়তৰ পৰা আৰু ৬৭ নং পূব পাকা পঞ্চায়তৰ পৰা আঞ্চলিক পঞ্চায়তৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী কাকলি ৰয় আৰু সনাতন তালুকদাৰকো বিপুল ভোটত জয়যুক্ত কৰাবলৈ ৰাইজক আহ্বান জনায়। নিৰ্বাচনী সভাত বৰপেটা জিলাৰ সহ-প্ৰভাৰী বিভূতি ভূষণ বৰঠাকুৰ, বৰপেটা জিলা বিজেপিৰ উপ-সভাপতি সঞ্জয় মজুমদাৰ, মণ্ডল সভাপতি অনুপ ৰয়ৰ লগতে অন্যান্য বিষয়ববীয়া, কাৰ্যকৰ্তা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়ত দুখনকৈ উৰণীয়া সেতুৰ

চহৰখনত যান-জঁট সমস্যা লাঘৱ কৰাৰ বাবে এক উল্লেখযোগ্য পদক্ষেপ হিচাপে ডিব্ৰুগড় ৰাইজৰ দীৰ্ঘদিনীয়া এক আশা আজি পূৰ্ণ হ'ল। আজি সন্ধিয়া অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে থানা চাৰিআলিত থকা "বাগ্মীবৰ নীলমণি ফুকন উৰণীয়া সেতু"ৰ আনুষ্ঠানিক উদ্বোধন কৰে। ৬০.১৩ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ৪৫০ মিটাৰ দৈৰ্ঘ্যৰ এই সেতুখন আনুষ্ঠানিকভাৱে মুকলি কৰি ৰাইজৰ বাবে উচৰ্গা কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে "ড° লীলা গগৈ উৰণীয়া সেতু" নামকৰণ কৰা কনভয় ৰোডত থকা উৰণীয়া সেতুখন উদ্বোধন কৰে। কনভয় ৰোডক ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে সংযোগ কৰি ৬১৫.৪০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণীয়া সেতুখনৰো মুখ্য মন্ত্ৰীয়ে শুভ উদ্বোধন কৰে। কনভয় ৰোডত থকা উৰণীয়া সেতুৰ আনুষ্ঠানিক উদ্বোধনৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে আৰু চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ বিৱৰণ দাঙি ধৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী ৰূপেশ গোৱালা, পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# যুৱ-ছাত্ৰ পৰিষদৰ নৱনিৰ্বাচিত সাঃ সম্পাদক বিজয় বায়নক সম্বৰ্ধনা

**ই-সংবাদ, বাঁহজানী, ২৭ এপ্ৰিলঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত সংগঠনটোৰ এন টি ৰোডস্থিত জিলা কাৰ্যালয়ত বিয়লি ৬ বজাত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ নৱনিৰ্বাচিত সাঃ সম্পাদক বিজন বায়নক সম্ভাষণ জনোৱা হয়। যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই আঁত ধৰা অনুষ্ঠানটোত নলবাৰী জিলা সমিতিৰ পৰা প্ৰতিনিধিত্ব কৰি কেন্দ্ৰীয় সমিতিৰ দায়িত্ব লাভ কৰা উপ- সভাপতি বিশ্বজিৎ বৰুৱা, যুটীয়া সম্পাদক গৌতম কুমাৰ শৰ্মা, তথ্য আৰু যোগাযোগ সম্পাদক মৃণাল কুমাৰ বৰ্মন, প্ৰচাৰ সম্পাদক পাৰ্থপ্ৰতিম শৰ্মাকো এই সভাতেই সম্বৰ্ধনা জনায়। সভাত উপস্থিত থাকি কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নে কয় যে আজিৰ এই সম্ভাষণে আৰু অধিক উৎসাহ যোগালে। আগন্তুক সময়ত অসমীয়া জাতিৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ দৃঢ়তা প্ৰকাশ কৰে। ইয়াৰ উপৰি পৰিষদৰ মূল দাবী অসমত পূৰ্ণ স্বায়ত্তশাসন, দ্বিনাগৰিকত্ব আৰু আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা প্ৰৱৰ্তনৰ হকে আন্দোলন তীব্ৰতৰ কৰাৰ কথাও দোহাৰে। উক্ত সভাত কেন্দ্ৰীয় সাঃ সম্পাদক বিজন বায়নক নলবাৰী জিলাৰ বিভিন্ন আঞ্চলিক সমিতিয়েও সম্বৰ্ধনা জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চাৰিটা দাবীৰে এখন বিশেষ স্মাৰক

উপস্থিত থাকে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ মঞ্চৰ পৰাই সংগঠনসমূহৰ নেতৃত্বই অনাগত দিনত একত্ৰিত আৰু শক্তিশালী ৰূপত কাম কৰাৰ সংকল্প লয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আম্বেদকাৰ জন্ম-জয়ন্তীত আম্বেদকাৰৰ জীৱনাদৰ্শন, আদৰ্শ আদিৰ চৰ্চা কৰা হয়। অসমৰ অনুসূচিত জাতিৰ লোকসকলৰ সমস্যা, অধিকাৰ আদি বিষয়ত আলোচনা কৰা হয়। আম্বেদকাৰ জন্ম-জয়ন্তীৰ কাৰ্যসূচীসমূহত অসমত সক্ৰিয় অনুসূচিত জাতিৰ সংগঠনসমূহৰ নেতৃত্ব উপস্থিত থাকে। উক্ত দিনা পতাকা উত্তোলন, স্বচ্ছতা অভিযান, আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন, সম্বৰ্ধনা, বঁটা প্ৰদান আদি কাৰ্যসূচী ৰূপায়ণৰ লগতে আম্বেকদাৰ জন্ম-জয়ন্তীৰ মঞ্চৰ পৰা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে মুখ্যমন্ত্ৰীক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ জৰিয়তে প্ৰেৰণ কৰা স্মাৰক-পত্ৰ যোগে চাৰিটা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। মুঠ চাৰিটা দাবীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা প্ৰেৰণ কৰা স্মাৰক-পত্ৰত মাজুলীত সতী ৰাধিকাৰ নামত বিশ্ববিদ্যালয়, বটদ্ৰৱাৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত উন্নয়ন, প্ৰতিখন জিলাত সতী ৰাধিকা আৰু বাবা চাহেব আম্বেদকাৰৰ আবক্ষ মূৰ্তি নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। স্মাৰক-পত্ৰত সংগঠনটোৱে মুখ্যমন্ত্ৰীলৈ ৰঙালী বিহুৰ শুভেচ্ছা জনাই লিখিছে, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, অসমৰ তৰফৰ পৰা অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুৰ ওলগ যাচিছোঁ। লগতে আপোনাৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিছো। এই স্মাৰক-পত্ৰ যোগে আপোনাক নিম্নলিখিত দাবী কেইটা উত্থাপন কৰিছো। (১) মাজুলীত থকা ১০০ বিঘা মাটিত আই সতী ৰাধিকাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপন কৰক। (২) আই সতী ৰাধিকাৰ স্মৃতি বিজড়িত বটদ্ৰৱাৰ ঐতিহাসিক সতী ৰাধিকা স্মৃতি ক্ষেত্ৰ উন্নয়ন কৰিবলৈ ৫০ কোটি টকাৰ অনুদান ঘোষণা কৰক। (৩) প্ৰতিখন জিলা সদৰত আই সতী ৰাধিকা আৰু সংবিধান প্ৰণেতা বাবাচাহেব আম্বেদকাৰৰ আবক্ষ মূৰ্তি স্থাপন কৰক। (৪) গুৱাহাটীত পাৰ্ক, মিউজিয়াম, প্ৰেক্ষাগৃহ, অতিথিগৃহ, একেলগে ঠাইতে স্থাপন কৰা আৰু এক সংহত প্ৰকল্পৰ নাম সংবিধান প্ৰণেতা বাবাচাহেব আম্বেদকাৰৰ নামত নামকৰণ কৰা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱদৌলত সেৱা লৈ 'মন কী বাত'ত

সংকল্প নাই আৰু নীতিৰ প্ৰতি সমৰ্থন বা সমৰ্পণ নাই। বৰঞ্চ তুষ্টিকৰণ আৰু বিভাজনৰ ৰাজনীতি কৰা বিৰোধী কেতিয়াও একত্ৰিত হ'ব নোৱাৰে।" আজি পঞ্চায়ত নিৰ্বাচনৰ বাবে শিৱসাগৰত উপস্থিত হোৱা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই সংবাদ মাধ্যমৰ মুখামুখি হৈ বিৰোধী ঐক্যৰ প্ৰতি এইদৰে মন্তব্য কৰে। সাংবাদিকৰ সৈতে হোৱা ভাব বিনিময়ত সভাপতিগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিৰোধী একত্ৰিত হ'ব নোৱৰাৰ কাৰণ উল্লেখ কৰি কয় যে বিৰোধীৰ কোনো নিৰ্দিষ্ট লক্ষ্য নাই। লগতে বিৰোধীৰ নাই সমৰ্থন আৰু আকাংক্ষা। যাৰ বাবে বিৰোধী একত্ৰিত হ'ব পৰা নাই বুলি তেওঁ উল্লেখ কৰে। সেইদৰে গণতন্ত্ৰত সবল বিৰোধীৰ এশ শতাংশ প্ৰয়োজন আছে বুলি তেওঁ উল্লেখ কৰি কয় যে বিৰোধীৰ গঠনমূলক ইতিবাচক সমালোচনাই চৰকাৰ আৰু ৰাইজক লাভান্বিত কৰে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে বিৰোধীয়ে সকলো কথাত চৰকাৰক সমালোচনা কৰি, বিৰোধ কৰি জনকল্যাণমূলক কামবোৰত বাধা দিব। দিনজোৰা প্ৰচাৰৰ কাৰ্যসূচী লৈ শিৱসাগৰত উপস্থিত হোৱা বিজেপি ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ইতিহাসপ্ৰসিদ্ধ শিৱদৌলত সেৱা লৈ শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে বিজেপি দলক ভোট দিয়া মুছলমানসকলক কাফেৰ বুলি কৰা মন্তব্য সন্দৰ্ভতো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। শইকীয়াই সংবাদ মাধ্যমৰ আগত কয়, 'দেশ শোকস্তব্ধ হৈ থকাৰ সময়ত অখিল গগৈৰ এই মন্তব্য অতি সংবেদনশীল। অখিল গগৈয়ে এই মন্তব্য সেৱাৰ স্বাৰ্থত নহয় শাসনৰ স্বাৰ্থতহে কৰিছে, এজন এম এল এ জয়ী কাৰ স্বাৰ্থত হয় বুলি প্ৰশ্ন কৰি তেওঁ অখিল গগৈয়ে অসমক প্ৰতিনিধিত্ব কৰা শিৱসাগৰক লজ্জানত কৰিছে বুলি উল্লেখ কৰে। তুষ্টিকৰণৰ বাবে বিধায়কজন কিমান তললৈ যাব পাৰে বুলি প্ৰশ্ন কৰি তেওঁ পুনৰ কয় যে এতিয়া অখিল গগৈয়ে ক্ষমা খুজিছে ভাল কৰিছে। কিন্তু অখিল গগৈৰ ভিতৰৰ মল চাফা হৈ নাযায় বুলি সমালোচনা কৰে সভাপতি শইকীয়াই। প্ৰসংগক্ৰমে তেওঁ শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈক কটাক্ষ কৰি সোণৰ বাংলা বা অন্য এখন পাকিস্তান নিৰ্মাণৰ যি ষড়যন্ত্ৰ চলিছে, তাত পৰোক্ষভাৱে হ'লেও অখিল গগৈৰ সমৰ্থন আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আনহাতে কালি বিজেপি নেতা তুলিৰাম ৰংহাঙৰ ঘৰত এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰে অভিযান চলোৱা সন্দৰ্ভত তেওঁ অৱগত নহয় বুলি উল্লেখ কৰি কয়, 'যদি এয়া হৈছে তেন্তে ইডি ধন্যবাদৰ পাত্ৰ। কিয়নো সততে বিৰোধীয়ে চৰকাৰে ইডিৰ দৰে সংস্থাক বিৰোধী দমনৰ বাবে ব্যৱহাৰ কৰাৰ অভিযোগ কৰে। এতিয়া যদি সঁচাকৈয়ে ইডিয়ে বিজেপি নেতাৰ ঘৰত অভিযান চলাইছে তেন্তে ইডি যে নিৰপেক্ষ তাৰ প্ৰমাণ পোৱা গৈছে' বুলি সভাপতি দিলীপ শইকীয়াই কৌশলপূৰ্ণ মন্তব্য কৰে। আন এক প্ৰসংগত দিলীপ শইকীয়াই কয়, কিছুমান ব্যক্তিৰ মুখ আৰু ওঁঠত দেশতকৈ পাকিস্তানৰ প্ৰতি ভালপোৱা ফুটি উঠিছে। অসমত আমিনুল ইছলাম বহুত আছে। কিছুমানে প্ৰকাশ্যে ব্যক্ত কৰিছে, কিছুমানে নাই কৰা। শিৱসাগৰৰ বিধায়কজনে অসমৰ মুছলমান সমাজ সন্দৰ্ভত যিবোৰ মন্তব্য কৰিছে সেইবোৰ অশোভনীয়। দিলীপ শইকীয়াই কয়, খিলঞ্জীয়াসকলৰ সৈতে আমি সদায় আছো। লাগিলে যি ধৰ্মৰেই নহওক কিয়। এইসকলৰ বিৰুদ্ধে আইনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰসংগক্ৰমে ইডিয়ে অভিযান চলোৱা বুলি চৰ্চা চলা শিল মাফিয়া গান্ধী সম্পৰ্কতো দিলীপ শইকীয়াৰ স্পষ্ট মত- কোনো গান্ধী-চান্ধিৰ কথা নাজানো। যদি কোনো মাফিয়া গান্ধী আছে, কোনো ছিণ্ডিকেট গান্ধী আছে, তেন্তে এইবোৰ আমাৰ কাষ চাপিব নোৱাৰে, আৰু ভাৰতীয় জনতা পাৰ্টিৰ নীতিতো এইবোৰ নাই। কিন্তু যদিহে কোনোবাই কাৰোবাৰ নাম লৈ এইবোৰ কৰি আছে, তেন্তে মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা ল'ব বুলি বিশ্বাস আছে বুলিও মন্তব্য কৰে দিলীপ শইকীয়াই। আনহাতে শিৱসাগৰ দৰিকাপাৰ নাওজান গাঁৱত বিজেপিৰ উদ্যোগত "মন কী বাত" ৰাজহুৱাকৈ শুনাৰ ব্যৱস্থা কৰা হয়। নাওজান গাঁৱত মন কী বাত শুনিবলৈ উপস্থিত হয় জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা , ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই। মন কী বাত শুনাৰ পিছতে তাতে অনুষ্ঠিত কৰা নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰিকাই বিধায়ক অখিল গগৈক মুছলমান প্ৰীতি বুলি ক্ষটাক্ষ কৰে। বিশেষকৈ যিসকল মুছলমানে বিজেপিক ভোট দিয়ে তেওঁলোক নৰকলৈ যাব বুলি মন্তব্য কৰিছিল অখিল গগৈয়ে। তাৰ পিছত যোৱানিশাই ক্ষমা খোজে অখিল গগৈয়ে। এই সন্দৰ্ভত মন্ত্ৰীজনে কয়, "অখিল গগৈয়ে ইমান সোনকালে ক্ষমা খোজাৰ ৰেকৰ্ড আগতে নাছিল। অখিল গগৈয়ে এটা সময়ত কামাখ্যা মন্দিৰলৈ কিয় যাব লাগে বুলি কৈছিল। তেতিয়া কিন্তু তেওঁ ক্ষমা খোজা নাছিল। কিন্তু বিজেপিৰ মুছলমান কাৰ্যকৰ্তাসকলক গালি পাৰি দুঘণ্টা-তিনি ঘণ্টাৰ পিছতে ক্ষমা খোজাৰ অন্তৰ্নিহিত উদ্দেশ্য তেওঁহে বুজিব। তেওঁৰ মতলব কেৱল মুছলমান ভোট লাভ কৰা। এই কথা কৈ তেওঁ হয়তো ভাবিছে, তেওঁৰ সতীৰ্থসকলে হয়তো কৈছে, নৰকলৈ যোৱা কথাটো ক'লে মুছলমান ভোট এটাও নাপাব। সেয়ে চাগৈ ক্ষমা খুজিলে।" ইপিনে তুলিৰাম ৰংহাঙৰ ঘৰত ইডিএ অভিযান চলাইছিল বুলি ওলোৱা খবৰ মিছা বুলি দাবী মন্ত্ৰী পীযুষ হাজৰিকাৰ। মন্ত্ৰীজনে বিজেপি প্ৰাৰ্থী, অগপ প্ৰাৰ্থী আৰু বিজেপি-অগপ সমৰ্থিত প্ৰাৰ্থীসকলক অহা নিৰ্বাচনত ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘অখিল গগৈৰ উদ্দেশ্য কেৱল

কামাখ্যা ধাম সম্পৰ্কেও আপত্তিজনক মন্তব্য কৰিছিল। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে অখিল গগৈয়ে আনকি এনেকৈও কৈছিল যে কামাখ্যা মন্দিৰলৈ কিয় যাব লাগে? আমিতো কামাখ্যা মন্দিৰ নাযাওঁ। তেতিয়াতো অখিল গগৈক আমি ক্ষমা খোজা দেখা নাছিলো। অৰ্থাৎ হিন্দু ধৰ্মৰ মানুহক যদি তেওঁ কেতিয়াবা ক'ৰবাত বেয়া ব্যৱহাৰো কৰিছে বা বেয়াকৈও কৈছে তেওঁ তাৎক্ষণিকভাৱে বা কেতিয়াও ক্ষমা খোজা আমি দেখা নাই। কিন্তু বিজেপিৰ মুছলমান কাৰ্যকৰ্তাসকলক গালি পাৰি দুঘণ্টা-তিনি ঘণ্টাৰ ভিতৰতে ক্ষমা খোজাৰ কাৰণ কি তেওঁহে জানিব ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য কি? তেওঁ নিশা ১.১৫ বজাত ফেচবুক লাইভ কৰিছে। কোনে তেওঁক ইমান প্ৰেচাৰ দিলে বা ইমান তেওঁৰ কি গাত লাগিলে যে তেওঁ দোভাগৰাতি নোশোৱাকৈ থাকি ফেচবুক লিভ কৰিব লগা হ'ল? আজি ৰাতিপুৱাও কৰিব পাৰিলেহেঁতেন। তেওঁক চাগে তেওঁৰ সতীৰ্থসকলে ক'লে যে এইটোৰ পৰা তেওঁ মুছলমান ভোট এটাও নাপাব, তেওঁৰ যিহেতু মতলব অকল মুছলমান ভোটেই। আমি সকলোৰে ভোট বিচাৰো, সকলোৱে জানে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া সকলোৰে ভোট বিচাৰে, আমি সকলোৰে ভোট বিচাৰো, আমিতো অস্বীকাৰ নকৰো। পৰহি মই ধিং-ৰূপহীত সভা অনুষ্ঠিত কৰিছো, আজিও মই চামগুৰি সমষ্টিত সভাত অংশগ্ৰহণ কৰিম। আমি সকলোৰে ভোট বিচাৰো। আমি কাকো বেয়া ব্যৱহাৰ নকৰো। আমি কওঁ যে সকলো ৰাষ্ট্ৰবাদী হওক, সকলো ভাৰতীয় হওক। অসমত থাকি যদি পাকিস্তানক সমৰ্থন কৰে কোনোবাই আমি বেয়া পাওঁ, এইটো আমি মুকলিকৈয়ে কওঁ। কিন্তু এনেকৈ আমি কোনো ধৰ্মক অসন্মান নকৰো। অখিল গগৈয়ে কামাখ্যা মন্দিৰলৈ নাযাওঁ বুলি হিন্দু ধৰ্মীয় অনুভূতিত আঘাত কৰে আৰু মুছলমান মানুহে কিবা এটা ক'লে বেয়া পালে বুলিয়েই ৰাতি এটা বজাত ফেচবুক লাইভ লাহে। গতিকে তেওঁ কাৰ প্ৰতি আনুগত্য, তেওঁৰ কাৰ প্ৰতি সন্মান আছে, সেই কথা সকলোৱে জানে।

ইপিনে, মন্ত্ৰীগৰাকীয়ে আজি বিয়লি নগাঁৱৰ চামগুৰিত বিজেপি মিত্ৰজোঁটৰ বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰি ভাষণ দাঙি ধৰে। ভাষণৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে বিভিন্ন বাধা-বিঘিনি নেওচি উপ-নিৰ্বাচনত এটা পৰিয়ালৰ গুণ্ডামি নাইকিয়া কৰি, অহংকাৰ চূৰ্ণ কৰি বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মাক ভোট দি জয়যুক্ত কৰাৰ বাবে চামগুৰিবাসীক ধন্যবাদ জ্ঞাপন কৰে। দিপ্লুৰঞ্জন শৰ্মা জয়ী হোৱাৰ পিছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চামগুৰিবাসীক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰাৰ উদ্দেশ্যে চামগুৰিলৈ আহি কিদৰে সভা অনুষ্ঠিত কৰিছিল সেই বিষয়েও মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। চামগুৰিত পঞ্চায়ত নিৰ্বাচনতো কংগ্ৰেছ দলে বিজেপিক প্ৰতিৰোধ কৰিব নোৱাৰে বুলি তেওঁ ভাষণত উল্লেখ কৰে। তেওঁ কয় যে টকা লৈ টিকট দিয়া কংগ্ৰেছে এজিপি-বিজেপি দলক প্ৰতিৰোধ কৰিব নোৱাৰে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলক কংগ্ৰেছে টকা ঘটা মেচিন বুলি ভাবে। টকা ঘটাৰ মেচিন বুলি ভাবি কংগ্ৰেছে সংখ্যালঘু অঞ্চলত পঞ্চায়তৰ টিকট দিয়াৰ বাবদ ২০ লাখ, ৩০ লাখ টকা লোৱাৰ বিভিন্ন ঠাইত অভিযোগ উঠিছে। আনকি ভূপেন বৰাইও ১৮ টা অভিযোগ তেওঁলোকলৈ অহা বুলি স্বীকাৰ কৰিছে। যাৰ ফলত কংগ্ৰেছে এখন কমিটী বনাই দিছে। কিন্তু বিজেপিত টকা লৈ টিকট দিয়াৰ এটা অভিযোগ ক'ৰবাত ওলাইছে নেকি তেওঁ দেখুৱাই দিবলৈ প্ৰত্যাহ্বান জনায়। তেওঁ কয় যে বিজেপি দলত এনে কাম নহয়। বিজেপি দলত আমি টিকট দিয়াৰ দিনাখনেই দুৰ্নীতিৰ লাইচেন্স নিদিওঁ। ক'ৰবাত যদি চামগুৰিত, ক'ৰবাত যদি ধিং, ৰূপহীত জিকিমেই বুলি কোনোবা এজন প্ৰাৰ্থীয়ে ৩০ লাখ টকা দি টিকট কিনি ল'ব লগা হয়, সেই প্ৰাৰ্থীজনে জিকাৰ দিনাখনৰ পৰাই চিন্তা কৰিব যে এবছৰত মই ৬০ লাখ টকা ইনকাম কৰিব লাগিব। গতিকে কংগ্ৰেছ দলৰ পৰা যদি কোনোবা জিকে তেওঁলোকে ৰাইজক বিক্ৰী কৰিব, কাৰণ তেওঁলোকে ইতিমধ্যে টকা দি টিকট কিনি লৈছে। তেওঁলোকে ৰাইজৰ কাম নকৰিব। ৰাইজৰ কাম নহ'ব। গতিকে ৰাইজৰ কাম হ'ব লাগিলে বিজেপি আৰু এজিপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিব লাগিব।

ভাষণত মন্ত্ৰীগৰাকীয়ে বিতৰ্কিত মন্তব্য কৰি ক্ষমা খোজা অখিল গগৈক তীব্ৰ সমালোচনা কৰে। অখিল গগৈয়ে বিজেপিক ভোট দিয়া সকলো মুছলমানক 'কাফেৰ' বুলি কৈছিল। অখিল গগৈয়ে কিয় তেনেকৈ কৈছিল তাৰ ব্যাখ্যাও দাঙি ধৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে অখিল গগৈৰ মতলবটো হ'ল ভোট। তেওঁৰ মতলব মুছলমান ৰাইজ নহয়। মুছলমান মুছলমান বুলি ডাঙৰ ডাঙৰ কথা কোৱা অখিল গগৈৰ সকলো কথা মিছা। ভোট দিয়া মানুহক অখিলে ভাল বুলি কয় আৰু ভোট নিদিয়া মানুহক 'কাফেৰ' বুলি কয়। জনসভাত উপস্থিত থকা ৰাইজক উদ্দেশ্যি তেওঁ কয় যে অখিল গগৈয়ে কোৱাৰ দৰে আপোনালোক 'কাফেৰ' নহয়, আপোনালোক ভাৰতীয় নাগৰিক। আপোনালোকক আমি সন্মান কৰো আৰু আগলৈও কৰি যাম। মন্ত্ৰীগৰাকীয়ে কিছুদিন পূৰ্বে কাশ্মীৰৰ পেহেলগামত সংঘটিত বৰ্বৰ ঘটনা প্ৰসংগত কয় যে আপোনালোক কোনেও সেই ঘটনাক সমৰ্থন নকৰে। কোনেও এই বৰ্বৰ ঘটনাক সমৰ্থন কৰিব নোৱাৰে। কিন্তু এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামে এই ঘটনাক ভাৰত চৰকাৰৰ ষড়যন্ত্ৰ বুলি কৈ পাকিস্তানক সমৰ্থন কৰিছিল। মন্ত্ৰীগৰাকীয়ে পেহেলগামৰ ঘটনাক সমৰ্থন কৰে নেকি বুলি প্ৰশ্ন কৰাত সভাত উপস্থিত থকা প্ৰত্যেকেই সমৰ্থন নকৰো বুলি কোৱাৰ বাবে সকলোকে ধন্যবাদ জনাই কয় যে আপোনালোক হৈছে ৰাষ্ট্ৰবাদী নাগৰিক, ৰাষ্ট্ৰবাদী মুছলমান আপোনালোকক মই ধন্যবাদ দিম, আপোনালোকক মই সন্মান জনাম। কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে চামগুৰিত কংগ্ৰেছে কিয় পাছ নকৰিলে তাৰো বাখ্যা দাঙি ধৰে। তেওঁ কয় যে এটা পৰিয়ালৰ গুণ্ডামি, ৰাজত্ব আৰু এটা পৰিয়ালে টিকট দিয়া মানুহবিলাকক কোনেও আৰু সহ্য নকৰে। গতিকে এটা পৰিয়ালৰ পাণ্ডা, দালালক বাই বাই দিবলৈ তেওঁ ৰাইজক আহ্বান জনায়।

মন্ত্ৰীগৰাকীয়ে ভাষণত বিজেপি চৰকাৰে ক'তো এটাও দুৰ্নীতি নোহোৱাকৈ নিবনুৱাক চৰকাৰী চাকৰি, অৰুণোদয় আঁচনি, নিযুত মইনা আঁচনি আদিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰি চামগুৰি অঞ্চলৰ ৰাইজক প্ৰতিখন আঁচনিৰ সুবিধা প্ৰদান কৰাৰ বিষয়ে উল্লেখ কৰে। তদুপৰি বাল্যবিবাহক লৈ তেওঁ কয় যে এইখন অসমত আমি কেতিয়াও বাল্যবিবাহ হ'বলৈ দিব নিবিচাৰো। ইয়াৰ কাৰণে মুখ্যমন্ত্ৰীয়ে যেতিয়া কঠোৰ সিদ্ধান্ত লয় তেতিয়া কংগ্ৰেছে গালি পাৰে আমি হেনো সংখ্যালঘু বিৰোধী। কংগ্ৰেছে নিৰ্বাচন আহিলে মিছা কথা কয় আৰু মুছলমান ৰাইজক ভয় খুৱাই, ব্লেকমেইল কৰি আমাৰ পৰা আঁতৰাই ৰাখে। মন্ত্ৰীগৰাকীয়ে অসমত কেতিয়াও আৰু কংগ্ৰেছৰ চৰকাৰ নাহে বুলি উল্লেখ কৰে। তেওঁ বিগত লোকসভা নিৰ্বাচন, বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে লাভ কৰা আসনৰ সংখ্যাৰ তথ্য দাঙি ধৰি কংগ্ৰেছ দল যে আৰু চৰকাৰলৈ আহিব নোৱাৰে সেই বিষয়ে উল্লেখ কৰে। কংগ্ৰেছ যিহেতু নিজিকে সেয়ে তেওঁ সকলোকে বিজেপি মিত্ৰজোঁটৰ লগত থাকিবলৈ আহ্বান জনাই কয় যে আপোনালোক আমাৰ লগত থাকক, আমি আপোনালোকক আৰু সন্মান কৰিম, আপোনালোকক প্ৰতিশ্ৰুতি দিছো।

কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত এই 'বিজয় সংকল্প সমাৱেশ'ত মন্ত্ৰীগৰাকীয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনতো বিজেপি মিত্ৰজোঁটৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰাবলৈ ৰাইজক আহ্বান জনায়। সভাত বিধায়ক দিপ্লু ৰঞ্জন শৰ্মা, জিতু গোস্বামী, পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকল, বহুকেইগৰাকী দলীয় জ্যেষ্ঠ কাৰ্যকৰ্তা, শুভাকাংক্ষী উপস্থিত থাকে।

উল্লেখ্য যে ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনাতাঁৰ অনুষ্ঠান 'মন কি বাত'ৰ পোনপটীয়া সম্প্ৰচাৰ দিচাংপাৰ পঞ্চায়তত নাওজান বৰনামঘৰ ৰংগমঞ্চত উপভোগ কৰে। 'মন কি বাত' অনুষ্ঠানৰ পাছতে ৰাইজক উদ্দেশ্যি মন্ত্ৰীগৰাকীয়ে এখন সভা সম্বোধন কৰে। সভাখনত নতুনকৈ গঠন হোৱা ডিমৌ সমষ্টিৰ ৰাইজৰ সৈতেমন্ত্ৰীগৰাকীয়ে বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে কাম কৰি আছে বুলি উল্লেখ কৰি এই সমষ্টিটোত বান সমস্যা সমাধানৰ বাবে বিগত বৰ্ষসমূহত প্ৰায় ১৫০ কোটি টকাৰ পুঁজি আগবঢ়োৱা হৈছে তেওঁ জানিবলৈ দিয়ে। বান সমস্যা সমাধানৰ বাবে এই বছৰতেই এখন শ্লুইচ গেটৰ কাম হাতত লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সভাত মই উল্লেখ কৰে। এই কাৰ্যসূচীত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, বিধায়ক সুশান্ত বৰগোহাঁই, আগন্তুক পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ সমষ্টিৰ বাবে স্থানীয় প্ৰাৰ্থী ঘন গগৈ, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী শেৱালী হাজৰিকাসহ বিজেপি আৰু অগপ দলৰ কাৰ্যকৰ্তা, বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰঙিয়াত আৰিমত্তৰ উদ্যোগত 'ৰঙালীৰ ৰং' শীৰ্ষক অনুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ২৭ এপ্ৰিলঃ** জ্যেষ্ঠ নাগৰিকসকল সমাজৰ শ্ৰদ্ধেয়। জীৱনৰ গুৰুত্বপূৰ্ণ সময়ছোৱা কৰ্মব্যস্ততাৰ মাজত পাৰ কৰাৰ পিছত বৃদ্ধ কালত একাংশ জ্যেষ্ঠ লোক দিশহাৰা হৈ পৰাটো কোনো নতুন ঘটনা নহয়। কিন্তু এনে অসহনীয় পৰিস্থিতিৰ উদ্ভৱ হ'ব নোৱাৰাকৈ প্ৰতিকাৰ কৰা উচিত। জ্যেষ্ঠ নাগৰিকসকলক ৰং-ৰহইছৰ মাজত সময় কটাবলৈ দিয়াৰ দায়িত্ব নৱপ্ৰজন্মৰ আছে। কিয়নো জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য ৰক্ষাত মনোৰঞ্জনৰ আৱশ্যকতা আছে।এই মন্তব্য বিশিষ্ট সংগীত পৰিচালক তথা নেমকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱাৰ। আজি ৰঙিয়াৰ বটাকুছিত আৰিমত্ত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত অনুষ্ঠিত 'ৰঙালীৰ ৰং' শীৰ্ষক অনুষ্ঠানত উপস্থিত থাকি এনেদৰে কয় ডাঃ বৰুৱাই। সংগঠনটোৰ সভাপতি কামিনী ভূঞাৰ সঞ্চালনাত বটাকুছি দুৰ্গা মন্দিৰ প্ৰাংগণত বিয়লিৰ ভাগত অনুষ্ঠিত অনুষ্ঠানটোত সংগীতানুষ্ঠানো পৰিৱেশন কৰে ডাঃ হিতেশ বৰুৱাই। ইয়াৰ পূৰ্বে সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে ৰঙিয়া সমজিলাৰ আয়ুক্ত দেৱাশিস গোস্বামীয়ে। উদ্বোধনী ভাষণ প্ৰসংগত আৰিমত্ত জ্যেষ্ঠ নাগৰিক সন্মিলনে বৃহত্তৰ অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। বিশেষকৈ ৰঙালী বিহুৰ বতৰত জ্যেষ্ঠ নাগৰিকসকলে ৰং আৰু আনন্দত মতলীয়া হ'ব পৰাটো তেনেই গুৰুত্বপূৰ্ণ দিশৰূপে অভিহিত কৰে ৰঙিয়াৰ সমজিলা আয়ুক্তগৰাকীয়ে। অৰুণ কলিতাৰ পৰিচালনাত শীৰ্ষ গীতেৰে শুভাৰম্ভ হোৱা মনোজ্ঞ অনুষ্ঠানটোত বিভিন্ন প্ৰান্তৰ পৰা সমৱেত জ্যেষ্ঠ শিল্পীসকলে লোকগীত, বিহুগীত, একক অভিনয়কে ধৰি বিভিন্ন অনুষ্ঠান পৰিৱেশনেৰে সমৱেত লোকসকলক আপ্লুত কৰে। আৰিমত্ত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সম্পাদক কন্দৰ্পেশ্বৰ শৰ্মাই অনুষ্ঠানৰ প্ৰাকক্ষণত আদৰণী ভাষণ ৰাখে। আনহাতে যাদৱ কলিতাই আঁত ধৰা অনুষ্ঠানটিত পাণ্ডুৰী জিলা পৰিষদৰ প্ৰাৰ্থী নিপন ভূঞা, মধ্য পাণ্ডুৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা পদৰ প্ৰাৰ্থী অঞ্জলি ঠাকুৰীয়া কাকতি উপস্থিত থাকি জ্যেষ্ঠজনৰ আশিস গ্ৰহণ কৰে। গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীত আৰিমত্ত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উপদেষ্টা আনন্দৰাম দাস, কাৰ্যকৰী সভাপতি গোলোক তালুকদাৰ, বিশিষ্ট পৰিচালক পংকজ পল্লৱ শৰ্মা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# কলগাছিয়াত ৪০ হজযাত্ৰীক বিদায় সম্বৰ্ধনা সাংবাদিক সন্থাৰ

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২৭ এপ্ৰিলঃ** আজি বৰপেটা জিলাৰ কলগাছিয়াত ৪০ গৰাকী হজযাত্ৰীৰ বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কলগাছিয়া মহকুমা সাংবাদিক সন্থাৰ উদ্যোগত আৰু অসম চৰকাৰৰ হজ ট্ৰেইনাৰ আলহাজ আব্দুল হাইৰ সহযোগত আয়োজিত অনুষ্ঠানটোত পশ্চিম বৰপেটাৰ ৪০ জনকৈ হজযাত্ৰীক হাজী গামোচাৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলাম উপস্থিত থাকি হজযাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে হজ সম্পৰ্কে বিধায়কজনে গুৰুপূৰ্ণ ভাষণ প্ৰদান কৰে। উল্লেখ্য যে মে'ৰ ৩ তাৰিখৰ পৰা গুৱাহাটী বিমানবন্দৰৰ পৰা অসমৰ হজযাত্ৰীসকলে মদিনা অভিমুখে যাত্ৰা কৰিব। সম্বৰ্ধনা অনুষ্ঠানটোত বিশ্ব শান্তিৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰা হয়। এইবেলি অসমৰ পৰা মুঠ ২,৭৭৯ জন হজযাত্ৰী হজ কৰাৰ অনুমতি লাভ কৰিছে বুলি জানিব পৰা গৈছে। এইক্ষেত্ৰত বিতং তথ্য জনাৰ কাৰণে ৮০১১১-৩৮৭৯৯ ফোন নম্বৰত যোগাযোগ কৰিবৈ হজ ট্ৰেইনাৰ আলহাজ আব্দুল হায়ে এই প্ৰতিবেদকক জানিবলৈ দিয়ে।

# নলবাৰী মেডিকেল কলেজ পথত গছপুলি ৰোপণ, সংৰক্ষণ

**ই-সংবাদ, নলবাৰী, ২৭ এপ্ৰিলঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ চ'কৰ পৰা নলবাৰী চিকিৎসা মহাবিদ্যালয়লৈ যোৱা পথত প্ৰায় ১৫০ জোপা গছপুলি বৃক্ষলৈ ৰূপান্তৰিত হোৱাৰ পথত। প্ৰয়োজন মাথোঁ সিহঁতৰ যত্ন লোৱাৰ। এই উদ্দেশ্য আগত ৰাখি আজি দুপৰীয়া বেচৰকাৰী পৰিৱেশ সংস্থা দি গ্ৰীন গ্লোবৰ উদ্যোগত আৰু প্ৰকৃতি-পৰিৱেশৰ ওপৰত সচেতন হৈ হাতে-কামে আগবঢ়া এচাম ব্যক্তিৰ নেতৃত্বত আজি ঘগ্ৰাপাৰ নলবাৰী মেডিকেল কলেজ পথত এই পৈণত গছসমূহৰ প্ৰতিপালন কৰাৰ লগতে কেইবাটাও নতুনকৈ গছপুলি ৰোপণ কৰে। গছ-গছনিৰ প্ৰয়োজনৰ কথা আমি সকলোৱেই জানো। যাৰ বাবে বহুতো সভা-সমিতিত গছপুলি ৰোপণ শীৰ্ষক কাৰ্যসূচীও গ্ৰহণ কৰা হয়। গছপুলি ৰোপণ ঠিকে হয়, কিন্তু বহু ঠাইত প্ৰতিপালন বা যত্নৰ অভাৱত নহয় সেই গছবোৰ। সেইবাবেই দি গ্ৰীন গ্লোবেই জন্মলগ্নৰ পৰাই গছপুলি ৰোপণৰ সমান্তৰালকৈ প্ৰতিপালন আৰু যত্ন লৈ ডাঙৰ-দীঘল কৰি আহিছে বুলি সংস্থাটোৰ সম্পাদক ৰাজেশ দত্ত বৰুৱাই জানিবলৈ দিয়ে। জন্মলগ্নৰে পৰা জড়িত তথা দি গ্ৰীন গ্লোব মুখ্য উপদেষ্টা আৰু প্ৰাণী বিজ্ঞান বিভাগ নলবাৰী মহাবিদ্যালয় মুৰব্বী অধ্যাপক কুমুদ চন্দ্ৰ ৰাভাই কয় যে এই পুলিবোৰ আমাৰ সন্তানস্বৰূপ, আজি আমি ইহঁতৰ যত্ন ল'লে ভৱিষ্যতে ইহঁতে আমাৰ যত্ন ল'ব। এই কাৰ্যসূচীৰ আন এজন গুৰি ধৰোঁতা প্ৰাঞ্জল ভূঞাই কয় যে গছপুলি ৰোপণ কৰা সহজ কিন্তু তাক প্ৰতিপালন কৰাটোও সমানেই প্ৰয়োজন। বিভিন্নজনৰ সহায়-সহযোগত সম্পূৰ্ণ নিজাববীয়াকৈ লোৱা এই প্ৰচেষ্টাত দি গ্ৰীন গ্লোবৰ সভাপতি বিশ্বজিৎ শৰ্মা, স্থানীয় ব্যক্তি ব্ৰাউঞ্চন বড়োকে ধৰি প্ৰীতম দেৱশৰ্মা, বিকাশ দাস, ডাঃ দিগন্ত গোস্বামী, চাকিল আহমেদ, ঘনশ্যাম কলিতা, ৰীণা দলৈ, হিমাংশু শৰ্মা, অতুল কলিতা, প্ৰাঞ্জল কলিতা, তংকেশ্বৰ ৰাজবংশী, পাৰ্থপ্ৰতিম শৰ্মা, তাৰিকুল ইছলাম, চন্দমিতা শৰ্মা, লব কুমাৰ ডেকা, নৱজ্যোতি মেধি, পংকজ লোচন ডেকা আদিৰ লগতে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী, স্বেচ্ছাসেৱীয়ে সহযোগিতা কৰে।

# ৰাইজেই মেৰামতি কৰিলে ৰমণীপথাৰ পাৰঘাটৰ দলং

**ই-সংবাদ, কামপুৰ, ২৭ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন সমাগত । জৰাজীৰ্ণ এখন দলঙৰ ফলত ভীষণ সমস্যাত পৰিছে ৰহা সমষ্টিৰ গৰুবাট আৰু জৰাবাৰী মৌজাৰ জনগম । যাৰ ফলত জনপ্ৰতিনিধিসকলৰ প্ৰতিশ্ৰুতিৰ আশা ত্যাগ কৰি আজি বৰপানী নৈৰ ওপৰত থকা ৰমণীপথাৰ পাৰঘাটৰ জৰাজীৰ্ণ দলংখনৰ পুনৰ মেৰামতিত নামিল ৰাইজ। ৰাইজে নখ জোকাৰিলে নৈ বৈ যায় আৰু আমাৰ কাম আমিয়েই কৰিম বুলি আজি পুনৰ অঞ্চলটোৰ বহু ৰাইজ একত্ৰিত হৈ নামিল মেৰামতিত। হাতে হাতে দা, কুঠাৰ, বাঁহ, কাঠ লৈ ওলাই আহিল ৰাইজ। বিগত ভয়াৱহ বানে ক্ষতিগ্ৰস্ত কৰা দলংখনৰ মেৰামতিৰ বাবে নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আশা দিছিল যদিও সময়ৰ মূৰকত মেৰামতি কৰিব নোৱাৰাত ক্ষোভত ফাটিছে ৰাইজ। আজি ৰাইজৰ দান-বৰঙণিৰে জৰাজীৰ্ণ দলংখন মেৰামতি কৰি যাতায়াতৰ কিছু সুচল কৰে যদিও সাংসদ বৰদলৈয়ে তেওঁৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰি ৰাইজক উদ্ধাৰ কৰিবলৈ দাবী জনায়।

# ৰঙিয়াত বিজেপিৰ জিলা পৰিষদৰ প্ৰাৰ্থীক সমৰ্থন কলিতা আলপাইন জনগোষ্ঠীৰ

**ই-সংবাদ, ৰঙিয়া, ২৭ এপ্ৰিলঃ** কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ৰঙিয়া জিলা সমিতিয়ে আজি আনুষ্ঠানিকভাৱে ৰঙিয়াৰ পাণ্ডুৰী জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী নিপন ভূঞাৰ প্ৰতি সমৰ্থন আগবঢ়ায়। সন্ধিয়া তৰণীৰ হৰি মন্দিৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদ মেলত জিলা সমিতিৰ সভাপতি মহেশ্বৰ কলিতা, সম্পাদক কুলদীপ লহকৰ, জয়ন্তীপুৰ আঞ্চলিকৰ সম্পাদক শৰৎ কলিতা আৰু বৈদ্যগড় আঞ্চলিকৰ সভাপতি মন্টেশ্বৰ কলিতাই এখন সংবাদ মেল সম্বোধন কৰি কয় যে কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ জিলা সমিতিৰ উপদেষ্টা নিপন ভূঞাই বিগত দুবছৰ ধৰি জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে অক্লান্ত পৰিশ্ৰম আৰু বলিষ্ঠ নেতৃত্ব প্ৰদান কৰি কলিতা আলপাইন সমাজখনক সু-সংগঠিত কৰিছে। নিপনৰ ত্যাগ আৰু নিষ্ঠাৰ ফলত সদ্য সমাপ্ত ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশন বৈদ্যগড় আঞ্চলিকত সফলভাৱে অনুষ্ঠিত হয়। উক্ত অধিৱেশনৰ আদৰণী সমিতিত নিপন ভূঞাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি কলিতা সমাজৰ সেৱাত অৰিহণা যোগাইছে বুলি সংবাদ মেলত প্ৰকাশ কৰে। ভূঞাই কলিতা জনগোষ্ঠীৰ সমস্যাসমূহ মৰ্মে মৰ্মে উপলব্ধি কৰি সমাজখনৰ উন্নতিৰ বাবে কাম কৰি আহিছে। আগন্তুক পঞ্চায়ত নিৰ্বাচনত ভূঞাই পাণ্ডুৰী জিলা পৰিষদৰ প্ৰাৰ্থী হিচাপে মনোনীত হোৱাত কলিতা সমাজ উৎসাহিত হৈ পৰিছে। তেওঁৰ ৰাজনৈতিক জীৱনতো কলিতা সমাজৰ প্ৰতি তেওঁৰ উদাৰতা আৰু দায়বদ্ধতা অটুট থাকিব বুলি জিলা সমিতিয়ে দৃঢ় বিশ্বাস প্ৰকাশ কৰে। পাণ্ডুৰী জিলা পৰিষদৰ অন্তৰ্গত সকলো কলিতা জনগোষ্ঠীক নিপন ভূঞাক জয়যুক্ত কৰাত সহযোগিতাৰ আহ্বান জনায়। এই প্ৰচেষ্টাই কলিতা সমাজৰ একতা আৰু প্ৰভাৱ বৃদ্ধিৰ লগতে ৰঙিয়াৰ সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সন্মিলনৰ নেতৃবৰ্গই আশা প্ৰকাশ কৰে।

# পঞ্চায়তৰ নিৰ্বাচনী প্ৰচাৰ সভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৭ এপ্ৰিলঃ** 'পৃথিৱীৰ দুৰ্ভগীয়া জাতি অসমীয়া। সংখ্যালঘু জাতি অসমীয়া। অসমীয়া ভাষাটো পুৰণি তথাপি অৱজ্ঞা কৰা হয়। অসমীয়া ভাষাৰ বাবে আন্দোলন কৰি শ্বহীদ হ'বলগীয়া হৈছিল। অসমীয়া জাতিৰ সাহসৰ প্ৰতীক লাচিত বৰফুকন। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিলে। লাচিত বৰফুকনক দেশতে প্ৰতিষ্ঠা কৰিলে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে। ৰাজ্য চৰকাৰে অসমত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব। প্ৰথম পৰ্যায়ত ২ মে'ত ভোটদান কৰা হ'ব। দুৰ্নীতি, দালালমুক্ত প্ৰাৰ্থী নিৰ্বাচনৰ বাবে ৰাইজে ভোটাধিকাৰ সাব্যস্ত কৰিব লাগিব'। টীয়ক বিধানসভা সমষ্টিৰ ৩৫-১ সৰুচৰাই পৰ্বতীয়া জিলা পৰিষদৰ সদস্যৰ বাবে মীনাক্ষী দলে পাটিৰ, ৪৬ নং চাৰিঙীয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ বাবে ৰঞ্জু পূজাৰী দত্তই অগপ দলৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়াইছে। অগপৰ সমৰ্থনত নিৰ্দলীয় ৰূপত ১ ত মৌচুমী দত্ত, ২ ত দিগন্ত মাধৱ গোস্বামী, ৩ ত সত্য বৰা, ৪ ত পৰিস্মিতা দত্ত কলিতা (লুনা), ৬ ত লিলি বৰুৱা হাজৰিকা, ৭ ত মৌচুমী দাস, ৮ ত প্ৰিয়ংকা দাস, ৯ ত স্বপ্নালী বৰা বৰুৱা, ১০ ত বিজিত বৰাই সদস্য পদৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়াইছে। জিলা পৰিষদ আৰু আঞ্চলিক সদস্য পদৰ দুয়োগৰাকীক 'হাতী'ৰ ছবিত, সদস্য পদৰ ৮ ৰ গৰাকীক 'নাও'ত আৰু বাকীকেইগৰাকীক 'এম্বেছেডৰ'ৰ ছবিত ভোটাধিকাৰ সাব্যস্ত কৰিলে ৰাইজে দালাল আৰু দুৰ্নীতিমুক্ত চাৰিঙীয়া পঞ্চায়ত গঠন হ'ব আৰু সমাজৰ উন্নয়ন হ'ব। আৰম্ভণিতে সৰুচৰাই আৰু সৰ্বাইবন্ধাৰ ৫ গৰাকী শ্বহীদলৈ শ্ৰদ্ধা জনোৱাৰ লগতে প্ৰাক্ উগ্ৰপন্থীৰ গুলীত হত্যা হোৱাসকলৰ প্ৰতি শ্ৰদ্ধা জনাই সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি চাৰিঙীয়াৰ পুৰণিমাটি ৰংগমঞ্চত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ হৈ ৰাজহুৱা সভাখনত এই মন্তব্য কৰে। জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু ১০ গৰাকী সদস্যই ৰাইজৰ সন্মুখত আঁঠু লৈ ভোট ভিক্ষা কৰা সভাখনত স্থানীয় বিধায়ক ভবেন্দ্ৰনাথ ভৰালী, অগপ যোৰহাট জিলাৰ সভাপতি সৌৰভপ্ৰাণ বৰাই বক্তব্য প্ৰদান কৰে। অগপ দেৰগাঁও পৰিষদৰ কাৰ্যকৰী সভাপতি প্ৰকাশ চন্দ্ৰ বৰাই আঁত ধৰা সভাত কংগ্ৰেছ দলৰ ভালেকেইগৰাকী কৰ্মীয়ে অগপ দলত যোগদান কৰে। পঞ্চায়তখনৰ প্ৰাৰ্থীসকলে সাংসদগৰাকীক আৰম্ভণিতে আদৰণি জনায়। অগপ কেন্দ্ৰীয় বিষয়ববীয়া বৈশিষ্ট্য বৈশ্যৰ লগতে জিলাৰ বিষয়ববীয়া ৰাজেন কোঁৱৰ, টীয়ক বিধানসভা সমষ্টিৰ সম্পাদক বাবুল হাতীবৰুৱা প্ৰমুখ্যে সমষ্টিটোৰ আঞ্চলিকসমূহৰ বিষয়ববীয়াৰ লগতে পঞ্চায়ত নিৰ্বাচনৰ বহুকেইখন পঞ্চায়তৰ প্ৰাৰ্থীসকল উপস্থিত থাকে। বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত মহাত্মা গান্ধীৰ স্বৰাজৰ সপোন পঞ্চায়ত ব্যৱস্থাৰ জৰিয়তে আগন্তুক সময়ত ৰাইজৰ সমস্যাসমূহ সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে।

# নেইমছ্, ছ্যুকাফা সমন্বয় ক্ষেত্ৰ প্ৰাংগণত ৰঙালী বিহু পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৭ এপ্ৰিলঃ** সমন্বয়পুৰ যুৱ সমাজে বিগত ৩ বছৰৰ দৰে এইবছৰো যুৱক-যুৱতী আৰু স্থানীয় ৰাইজৰ সহযোগত ২৭ এপ্ৰিলত সমন্বয়পুৰ মুকলি বিহু অনুষ্ঠিত কৰে। পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পিছতে অনুষ্ঠিত মুকলি বিহুত ন-কছাৰীৰ 'ঢোল বাই ঢুলীয়া'ই হুঁচৰি, সাহপুৰীয়া গাঁৱৰ মহিলাসকলৰ দল গামখাৰুৰে জেং বিহু, চাৰিগাঁৱৰ নাহৰ দলে বিহু হুঁচৰি, বিহুৱান বিহু দলে বিহু হুঁচৰি, বহুগৰাকীয়ে বিহু নৃত্য প্ৰদৰ্শনৰ পিছতে নিশাৰ সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত শিল্পীয়ে গীত পৰিৱেশন কৰে। ইফালে, স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰ (সমাজ) ৰ সন্মুখৰ মুকলি স্থানত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে আজি পুৱাৰে পৰা ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰে। পুৱা খগেন দাসে পৰিষদৰ পতাকা উত্তোলন, অমৰ দত্তই বিহুৱান উত্তোলনৰ পিছতে তৰ্পণ কৰে মিণ্টু গগৈয়ে। বিহুসাজ পৰিধান কৰি ভালেসংখ্যকে বিহু নৃত্য প্ৰদৰ্শন কৰা অনুষ্ঠানতে স্থানীয় বহুকেইগৰাকী ককা-আইতাক বিহুৱান পিন্ধায়। মৌকুঁৱৰী প্ৰতিযোগিতাৰ পিছতে সন্ধিয়া বন্তি প্ৰজ্বলন আৰু প্ৰতিযোগিতাত স্থানপ্ৰাপ্তক পুৰস্কাৰ প্ৰদানৰ উপৰি বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনায়। আমন্ত্ৰিত শিল্পীৰ লগতে স্থানীয় শিল্পীসকলে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে। পুৱাৰে পৰা নিশালৈকে স্থানীয় লোকসকল উপস্থিত থাকে।

# গুৱাহাটীত বেডমিণ্টন প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, গুৱাহাটী, ২৭ এপ্ৰিলঃ** গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয় অসম, অসম বেডমিণ্টন সংস্থা, পুলিন দাস স্মৃতি ৰক্ষা সমিতি আৰু হেল্‌থ চিটি হাস্পতালৰ সহযোগত আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত দুদিনীয়া বেডমিণ্টন চেম্পিয়নশ্বিপৰ আয়োজন কৰা হৈছে। ২৭ আৰু ২৮ এপ্ৰিলত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত ১৬ গৰাকী মহিলা খেলুৱৈৰ বিপৰীতে ৩৭ জন পুৰুষ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। চেম্পিয়নশ্বিপখনৰ উদ্বোধন কৰে দ্য অসম ট্ৰিবিউন কাকতৰ প্ৰাক্তন কাৰ্যবাহী সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত জ্যোতি বৰুৱাই। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামী। লগতে, আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাই উপস্থিত হৈ খেলুৱৈসকলক উৎসাহিত কৰে। প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনা কৰাত অসম বেডমিণ্টন সংস্থাৰ হৈ ৰূপকুমাৰ বুঢ়াগোহাঁইয়ে বিশেষ ভূমিকা গ্ৰহণ কৰে।

# মালিংগাৰ অভিলেখ ভংগ বুমৰাহৰ

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** আইপিএল ২০২৫ৰ ৪৫ সংখ্যক মেচত মুম্বাই ইণ্ডিয়ানছৰ যশপ্ৰীত বুমৰাহে সৃষ্টি কৰিলে এক নতুন ইতিহাস। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ অ'পেনাৰ ইডেন মাৰ্কৰামক আউট কৰাৰ লগে লগে বুমৰাহ হৈ পৰে আইপিএলৰ ইতিহাসত মুম্বাই ইণ্ডিয়ানছৰ আটাইতকৈ সফল বলাৰ। এই ছিজনত মালিংগাৰ অভিলেখ ভংগ কৰি বুমৰাহ এতিয়া মুম্বাইৰ সৰ্বাধিক উইকেট দখলকাৰী হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে এই অভিলেখ আছিল মুম্বাইৰ হৈ ১৭০টা উইকেট দখল কৰা লাছিথ মালিংগাৰ নামত। এতিয়া বুমৰাহৰ এই অভিলেখ। ইয়াৰ উপৰিও হৰভজন সিঙে ১২৭টা, মিচেল মেকক্লেনাঘানে ৭১টা, কাইৰন পোলাৰ্ডে ৬৯টা আৰু হাৰ্দিক পাণ্ডিয়াই ৬৫টা উইকেট দখল কৰিছে। এই মেচখনত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ২১৫ ৰানৰ প্ৰত্যাহ্বানমূলক স্ক'ৰ দিছিল। ৰিয়ান ৰিকেলটন (৫৮) আৰু সূৰ্য্যকুমাৰ যাদৱ (৫৪)ৰ অৰ্ধশতকেৰে মুম্বাই জয়ী হয়।



আইপিএল ২০২৫: আকৌ এখন ব্যৰ্থ খেল! মুম্বাইৰ বিৰুদ্ধে পেভিলিয়নমুখী লক্ষ্ণৌৰ অধিনায়ক ঋষভ পণ্টৰ

**ক্ৰিকেটৰ পিছত এইবাৰ ভলীবলতো পাকিস্তানৰ বিৰুদ্ধে প্ৰতিবাদ**

# মধ্য এছিয়ান ভলীবল চেম্পিয়নশ্বিপৰ পৰা আঁতৰিল ভাৰত

**নতুন দিল্লী, ২৭ এপ্ৰিলঃ** পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদে প্ৰভাৱিত কৰিছে ভাৰত-পাকিস্তানৰ ক্ৰীড়া সম্পৰ্কতো। পাকিস্তানৰ সৈতে ক্ৰিকেট বয়কটক লৈ উত্থাপন হোৱা দাবীৰ মাজতে এইবাৰ ভাৰতীয় ভলী বলেও গ্ৰহণ কৰিলে পাক বিৰোধী পদক্ষেপ। ইছলামবাদত অনুষ্ঠিত হ'বলগীয়া মধ্য এছিয়ান ভলীবল চেম্পিয়নশ্বিপৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে ভাৰতে। এই সিদ্ধান্ত লৈছে ভলীবল এছ'চিয়েশ্যন অৱ ইণ্ডিয়াই। অংশগ্ৰহণকাৰী বেছিভাগ দেশেই নিজৰ তালিকা সাজু কৰি ৰাখিছিল, আৰু ভাৰতীয় দলটোৱে ২২ জন খেলুৱৈ আৰু ৮ জন সহায়ক কৰ্মচাৰীকে ধৰি ৩০ জনীয়া এটা দল পঠোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু পেহেলগাম আক্ৰমণৰ পিছত এই সিদ্ধান্ত সলনি কৰা হয়। ২৮ মে'ৰ পৰা ৪ জুনলৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখন ভাৰতে অংশগ্ৰহণ বাতিল কৰাৰ বাবে ইছলামবাদত খেলিব নোৱাৰিব ভাৰতে ইফালে পাকিস্তানৰ অংশগ্ৰহণৰ উপৰিও ইৰাণ, কিৰ্গিস্তান, শ্ৰীলংকা, তুৰ্কমেনিস্তান আৰু উজবেকিস্তানেও এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰিও ভাৰতীয় মহিলা ক্ৰিকেট দলেও পেহেলগাম আক্ৰমণত নিহতসকলৰ প্ৰতি সন্মানৰ চিন স্বৰূপে ক'লা আৰ্মবেণ্ড পিন্ধি খেলপথাৰত নামিছিল। সৌৰভ গাংগুলীকে ধৰি বহু বৰ্তমানৰ আৰু প্ৰাক্তন ক্ৰিকেটাৰে পাকিস্তানক বয়কট কৰাৰ দাবী উত্থাপন কৰিছে। বিচিচিআইয়েও এই বিষয়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে আৰু আইচিচিৰ ওচৰত আবেদন কৰাৰ ইংগিত প্ৰদান কৰিছে। এইদৰে পেহেলগাম আক্ৰমণৰ পিছত ভাৰতৰ সঁহাৰি ক্ৰীড়া মঞ্চতো স্পষ্ট হৈ পৰিছে, য'ত পাকিস্তানৰ বিৰুদ্ধে প্ৰত্যুত্তৰ অব্যাহত আছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি